www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনটোও এক প্ৰকাৰৰ পৰ্বত আৰোহণ। অসীম দুখ-কষ্ট আৰু দুৰ্লংঘ বাধা আছে বাবেই সি ৰোমাঞ্চকৰ। – হোমেন বৰগোহাঞি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৯৫ | বুধবাৰ | ১৭ ছেপ্তেম্বৰ, ২০২৫ চন | ৩১ ভাদ, ১৯৪৭ শক | VOL - 6 | NO.- 195 | Wednesday | 17th September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## বিধায়কৰ অশ্লীল ভিডিঅ' ভাইৰেল ! ডিফুত প্ৰতিবাদৰ ঢৌ, পদত্যাগৰ দাবী



নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ কাৰ্বি আংলং জিলাৰ ৰাজনীতিত উত্তেজনাৰ সৃষ্টি কৰিছে এটা কথিত অশ্লীল ভিডিঅ'। এই ভিডিঅ'টোত ডিফু বিধানসভা সমষ্টিৰ জ্যেষ্ঠ বিজেপি বিধায়ক ৬ পৃষ্ঠাত



তিনিদিনৰ বাবে তদাৰকী কোষৰ জিম্মালৈ প্ৰেৰণ


## খোল খাইছে নূপুৰ বৰাৰ দুৰ্নীতিৰ দস্তাবেজ

সত্ৰৰ দাঁতিকাষৰীয়া ভূমি চৰকাৰী নিয়ম নামানি হিন্দু লোকৰ পৰা ইছলাম ধৰ্মৰ লোকৰ নামত ধনৰ বিনিময়ত কৰিছিল নামজাৰি

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ এ.চি.এছ. বিষয়া নূপুৰ বৰা আৰু তেওঁৰ সহযোগী লাটমণ্ডল সুৰজিত ডেকাক তিনিদিনৰ বাবে মুখ্যমন্ত্ৰী তদাৰকী কোষৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। মঙলবাৰে দুয়োকে ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী

## নূপুৰ বৰাৰ নিলম্বন বা বৰ্খাস্তই নহয়, যাব লাগিব জেললৈও



ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ এ.চি.এছ. বিষয়া নূপুৰ বৰাৰ সম্পত্তিৰ তথ্য প্ৰকাশ পোৱাৰ পিছত চি.এম. ভিজিলেঞ্চৰ তদন্তত উঠি আহিছে চাঞ্চল্যকৰ তথ্য। মঙলবাৰে তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিত বিজেপি প্ৰাৰ্থী ৰণেন্দ্ৰ নাৰ্জাৰীৰ হৈ ৬ পৃষ্ঠাত

চাৰি বছৰত ১১, ৯৫৫ জনৰ মৃত্যু, উদ্বেগজনক তথ্য

# অসমত দৈনিক গড়ে ২০টা পথ দুৰ্ঘটনা

■ ৰাষ্ট্ৰীয় ঘাইপথ, ফ'ৰলেন আৰু ৰাজ্যিক পথৰ আধৰুৱা অৱস্থা তথা কাৰিকৰী বিসংগতি অন্যতম কাৰক ■

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ অসমত পথ দুৰ্ঘটনা এতিয়া মৃত্যুৰ অন্যতম প্ৰধান কাৰণ হৈ পৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰণালয়ৰ শেহতীয়া তথ্য অনুসৰি, বিগত চাৰি বছৰত ৰাজ্যখনত ২৮, ৪৫০টা পথ দুৰ্ঘটনাত ১১, ৯৫৫জন লোকৰ মৃত্যু হৈছে, আৰু ২২, ৫৮৯জন আহত হৈছে। গড়ে প্ৰতিদিন ৬ পৃষ্ঠাত





## প্ৰধানমন্ত্ৰী মোডীৰ ৭৫তম্ জন্মদিনত ট্ৰাম্পৰ শুভেচ্ছা

ডিজিটেল ডেস্ক, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ ১৬ ছেপ্টেম্বৰৰ নিশা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ফোনত হঠাৎ কল আহে। ফোনৰ স্ক্ৰীণত উঠে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নাম। কলটো গ্ৰহণ কৰাৰ লগে লগে ৬ পৃষ্ঠাত

নেপালত পুনৰ উত্তাল প্ৰতিবাদ

## দুদিন আগতে শপত লোৱা সুশীলা কাৰ্কীৰ পদত্যাগৰ দাবী



অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ দেওবাৰে হামি নেপাল সংগঠনৰ নেতা চুডান গুৰুংৰ নেতৃত্বত নেপালৰ অন্তৰ্বতীকালীন প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কীৰ পদত্যাগৰ দাবীত তীব্ৰ বিক্ষোভ প্ৰদৰ্শন হৈছে। নেপালৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা দেশৰ ৬ পৃষ্ঠাত

বৰবাৰী থানাত অভিযুক্তৰ নিজৰ ডিঙি কটাৰ চেষ্টা

## ট্ৰেডিং কেলেংকাৰীৰ ধন ঘূৰাই দিব নোৱাৰি থানাতেই আত্মহত্যাৰ চেষ্টা




নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ অভিযোগত আটক হোৱা ওৰিশ্যাৰ প্ৰশান্ত পাল নামৰ এজন অভিযুক্তই ডিব্ৰুগড়ৰ বৰবৰা আৰক্ষী চকীত নিজৰ ডিঙি কাটি আত্মহত্যাৰ চেষ্টা ৬ পৃষ্ঠাত

যদি হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰীৰ পদত অধিকাৰ নিদিলেহেঁতেন, তেন্তে তেওঁ বিজেপিৰ একক চৰকাৰ গঠনত বাধা দিলেহেঁতেন

■ ন-কংগ্ৰেছী সত্যব্ৰত কলিতাৰ বিস্ফোৰণ
■ '২১ চনৰ জনাদেশ সোণোৱালৰ পক্ষত আছিল, শৰ্মাৰ পক্ষত নহয়

## হিমন্ত বিশ্ব শৰ্মাই সৰ্বানন্দ সোণোৱালক মুখ্যমন্ত্ৰীৰ পৰা আঁতৰাবলৈ ৰচিছিল ষড়যন্ত্ৰ !



ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই অসম গণ পৰিষদ (অগপ) ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰাৰ পিছত ৬ পৃষ্ঠাত

৩৪ নং খালিংদুৱাৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ হিমন্ত বিশ্ব শৰ্মাৰ

বিটিআৰত পাঁচ লাখ মহিলাক অৰুণোদয়, ওদালগুৰিত মেডিকেল কলেজ স্থাপন লগতে বিভিন্ন আঁচনি ঘোষণা

## জনজাতিকৰণৰ ক্ষেত্ৰত ২৬টা জনগোষ্ঠীক সমৰ্থন দিব লাগিব বিটিআৰ চৰকাৰে ঃ মুখ্যমন্ত্ৰী



ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ ছেপ্টেম্বৰ ঃ সমাগত বিটিচি নিৰ্বাচন, নিৰ্বাচনলৈ মাজত মাথোঁ ৫ দিন বাকী। বিটিচি নিৰ্বাচনক কেন্দ্ৰ কৰি ক্ৰমাত উত্তপ্ত হৈ পৰিছে বড়োভূমিৰ ৰাজনীতি। বিশেষকৈ ওদালগুৰি ৬ পৃষ্ঠাত

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ

## উমৰাংছ'ৰ অবৈধ ৰেট হল মাইনিংৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে হত্যাৰ গোচৰ ৰুজু কৰক !




ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে কাৰ্বি আংলং জিলাৰ উমৰাংছ'ত অবৈধ ৰেট হল কয়লাখনিৰ কাৰ্যকলাপ অব্যাহত থকাৰ বাবে তীব্ৰ অসন্তুষ্টি ৬ পৃষ্ঠাত

শিলচৰ NITত ছাত্ৰ সংঘৰ্ষ

## অভিযুক্ত বাংলাদেশী ছাত্ৰক নিলম্বন, নিচাযুক্ত দ্ৰব্য উদ্ধাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ শিলচৰৰ নেচনেল ইনষ্টিটিউট অৱ টেকন'লজি (NIT)ৰ হোষ্টেল চৌহদত ছাত্ৰৰ দুটা গোটৰ মাজত সংঘটিত হিংসাত্মক সংঘৰ্ষৰ ঘটনাই তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। এই ঘটনাত জড়িত থকাৰ অভিযোগত পাঁচজন বাংলাদেশী ছাত্ৰ— ৬ পৃষ্ঠাত

জন সুৰজ পাৰ্টিৰ প্ৰতিষ্ঠাপক প্ৰশান্ত কিশোৰৰ অভিযোগ

## মোদী আৰু ৰাহুল গান্ধীয়ে বিহাৰত কেৱল ইজনে সিজনক গালি-গালাজ পাৰে !



নেশ্যানেল ডেস্ক, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ জন সুৰজ পাৰ্টিৰ প্ৰতিষ্ঠাপক প্ৰশান্ত কিশোৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে তীব্ৰ সমালোচনা ৬ পৃষ্ঠাত

জৈছ-ই-মহম্মদৰ স্বীকাৰোক্তি

## অপাৰেচন সেন্দূৰে মাছুদ আজহাৰৰ পৰিয়ালক ধ্বংস কৰিলে



অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ সন্ত্ৰাসবাদী সংগঠন জৈছ-ই-মহম্মদৰ প্ৰধান মাছুদ আজহাৰৰ ৬ পৃষ্ঠাত






হত্যাকাণ্ডৰ সন্দেহত পৰিয়ালৰ আৰক্ষী থানাত গোচৰ

# ব্ৰহ্মপুত্ৰৰ বুকুত হেৰাই যোৱা সুৱাগমণি ১০ দিন ধৰি সন্ধানহীন

## অকালতে হেৰাল এটি উজ্জ্বল যুৱ প্ৰতিভা

**অসম বাৰ্তা, নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** অভিশপ্ত যোৱা ৪ ছেপ্তেম্বৰ! এগৰাকী চিত্ৰশিল্পী, চলচ্চিত্ৰ নিৰ্মাতা ৰূপে অতি কম দিনতে নিজৰ স্বকীয় প্ৰতিভাৰে উজ্জ্বলি উঠা প্ৰাক্তন কটনিয়ান সুৱাগমণি শইকীয়া (২৪) হঠাৎ পিতৃ-মাতৃৰ বুকুৰ হেৰাই গ'ল ব্ৰহ্মপুত্ৰৰ বুকুত। নতুনকৈ চিত্ৰ গ্ৰহণ হ'বলগীয়া এখন ছুটী ছবিৰ দৃশ্য গ্ৰহণৰ বাবে উপযুক্ত ঠাই তথা লোকেশ্যন বিচাৰিবলৈ নিজে এখন অজান ঠাইলৈ গুচি গ'ল সুৱাগমণি শইকীয়া। এই দুৰ্ভাগ্যজনক, শোকাৱহ ঘটনাটো সংঘটিত হৈছিল যোৱা ৪ ছেপ্তেম্বৰৰ মাজ নিশা। খৰস্ৰোতা নদীৰ তীৰত বহি আত্ম বিভোৰ হোৱা, জোন-তৰা-আকাশ, ৰং-তুলিকা, কবিতাৰে উমলি ভালপোৱা সুৱাগমণি শইকীয়া অতি উচ্চ পৰ্যায়ৰ গ্ৰন্থ অনুৰাগী। যোৱা ৪ ছেপ্তেম্বৰত সমগ্ৰ দিনটো এখন ছুটী ছবিৰ লোকেশ্বন বিচাৰি সুৱাগমণিৰ বন্ধু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ তথা গোলাঘাট জিলাৰ দেৰগাঁৱৰ কন্দলী পৰিয়ালৰ স্বিতাবজ গাৰ্গ (২৮)ৰ সৈতে। প্ৰথম অৱস্থাত দুয়োজনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ ৰান্ধনীৰ এখন মটৰচাইকেল লৈ দ্বীপৰ বিলৰ পাৰলৈ যায়। কেইবা ঘণ্টাৰ পাছত অৰ্থাৎ সন্ধিয়া দুয়োজনেই উভতি আহে যদিও কিছু দূৰ অহাৰ পাছত মটৰচাইকেলখনৰ পেট্ৰল শেষ হোৱাত স্বিতাবজ গাৰ্গে এখন টমটম লৈ ৰাণীৰ সমীপৰ এটা তেল ডিপুৰ পৰা পেট্ৰল আনি দুয়োজনেই ধাৰাপুৰ বড়ি পাৰা অভিমুখে ৰাওনা হয়। জানিব পৰা মতে, তেতিয়া সময় প্ৰায় ৮.৫৫ বজাত স্বিতাবজ গাৰ্গ আৰু সুৱাগমণি শইকীয়াই ধাৰাপুৰত কিছু বজাৰ কৰি মহানগৰৰ আজাৰা আৰক্ষী থানাৰ অধীনৰ ধাৰাপুৰ বড়িপাৰাৰ জাহাজ ঘাটৰ তেনেই কাষৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ সেই বিশেষ স্থানলৈ ৰাওনা হয়। স্বিতাবজ গাৰ্গ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ হোৱাৰ সূত্ৰে উক্ত স্থানটো পূৰ্বৰ পৰা চিনাকি বা পৰিচিত হোৱাৰ বাবে ঠাইখিনি সুন্দৰ, বিতোপন, জোনাকত শিহ দেখা পোৱা যায় আদি বিভিন্ন কথা কোৱাত ছুটী ছবিৰ লোকেশ্বনৰ সন্ধান আৰু নৈসৰ্গিক আকৰ্ষণীয় শোভা প্ৰত্যক্ষ কৰিবলৈ দুয়োজনে উক্ত স্থানত উপস্থিত হয়গৈ। শ্বিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় তথা নেহু বিশ্ববিদ্যালয়ত ভূ-বিজ্ঞান বিভাগত স্নাতকোত্তৰ শাখাৰ তৃতীয় ষান্মাষিকত অধ্যয়নৰত মেধাৱী ছাত্ৰ, নগাঁৱৰ যুৱক সুৱাগমণি শইকীয়াৰ লগত স্বিতাবজ গাৰ্গে ঘণ্টাৰ পাছত ঘণ্টা ধৰি কথা পাতি সময় অতিবাহিত কৰিছিল। আনকি নিশা ১১ বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ প্ৰৱেশদ্বাৰ বন্ধ কৰাৰ নিয়মৰ বিপৰীতে সুৱাগমণিক স্বিতাবজ গাৰ্গে মাজনিশালৈকে কিয় ব্ৰহ্মপুত্ৰৰ পাৰত কথা পাতিবলৈ বাধ্য কৰাইছিল বুলি প্ৰশ্ন উত্থাপন কৰিছে সুৱাগমণিৰ পিতৃ ড° কমল শইকীয়াই। তদুপৰি যোৱা ৩ ছেপ্টেম্বৰৰ দুপৰীয়া শ্বিলঙৰ নেহুলৈ বুলি নগাঁৱৰ ঘৰৰ পৰা ওলাই যোৱা সুৱাগমণি শইকীয়াক স্বিতাবজ গাৰ্গে ফোন কৰি কিয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ কোঠালৈ মাতি নিছিল, আনকি অভিশপ্ত ৪ ছেপ্টেম্বৰৰ সন্ধিয়া সুৱাগমণি শইকীয়াক তেওঁ পিতৃ ডঃ কমল শইকীয়া আৰু নিশা ১১ বজাত মাতৃ দীপা শইকীয়াই ফোন কৰি খবৰ লোৱাৰ সময়তো সুস্থ অৱস্থাত থকা সুৱাগমণি কেনেকৈ সন্ধানহীন হ'বলৈ পালে ই সম্প্ৰতি ৰহস্যময় হৈ পৰিছে। কিন্তু যোৱা ৪ ছেপ্টেম্বৰৰ পুৱতি প্ৰায় ৩ বজাত স্বিতাবজ গাৰ্গে অসম আৰক্ষীৰ ১০০ত ডাইল কৰি সুৱাগমণি শইকীয়া ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন হোৱা বুলি জানিবলৈ দিয়ে। লগে লগে ঘটনাৰ সন্দৰ্ভত আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষলৈ খবৰ প্ৰেৰণ কৰাৰ লগতে আজাৰা আৰক্ষী থানাকো অৱগত কৰে। ততাতৈয়াকৈ আজাৰা আৰক্ষীৰ এটা দলে স্বিতাবজ গাৰ্গলৈ ফোনত যোগাযোগ কৰি ঘটনাস্থলীলৈ ৰাওনা হয়। পুৱতি নিশা প্ৰায় ৩.৩০ বজাত আজাৰা আৰক্ষীৰ দলটোৱে স্বিতাবজ গাৰ্গক ঘটনাস্থলীৰ কাষৰ গড়কাপ্তানী পথটোৰ পৰা উদ্ধাৰ কৰি আজাৰা আৰক্ষী থানালৈ আনে। আজাৰা আৰক্ষীয়ে স্বিতাবজ গাৰ্গক ঘটনা সন্দৰ্ভত সোধপোছ কৰি পোহৰ হোৱাত পুনৰ স্বিতাবজক লৈ ঘটনাস্থলীত উপস্থিত হয়গৈ। প্ৰাৰম্ভিক তদন্তৰ সময়ত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা সুৱাগমণিৰ এটা নীলা ৰঙৰ লং পেণ্ট, এটা কলা ৰঙৰ টি-চাৰ্ট, এটা গেঞ্জী, ম'বাইল ফোন আৰু এটা মানিবেগ উদ্ধাৰ কৰে। তাৰপাছতে আৰক্ষীয়ে সুৱাগমণিক উদ্ধাৰৰ বাবে এছডিআৰএফ দলৰ নিয়োগ কৰে। কিন্তু অতি আশ্চৰ্যকৰ কথা যে, সুৱাগমণি শইকীয়া ব্ৰহ্মপুত্ৰৰ বুকুত হেৰাই যোৱাৰ কেইবা ঘণ্টাৰ পাছত অৰ্থাৎ যোৱা ৫ ছেপ্টেম্বৰৰ দিনৰ প্ৰায় ১১.২৭ বজাত আজাৰা আৰক্ষীয়ে সুৱাগমণি শইকীয়াৰ পিতৃ ড° কমল শইকীয়াক ফোন যোগে খবৰটো দিয়ে বুলি জানিবলৈ দিছে। কিন্তু কিয় ইমান পলমকৈ আৰক্ষীয়ে সুৱাগমণিৰ অভিভাৱকক অৱগত কৰা হৈছিল এই সম্পৰ্কে পৰিয়ালৰ মাজত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। তদুপৰি উক্ত ঘটনাৰ একমাত্ৰ সাক্ষী তথা প্ৰত্যক্ষদৰ্শী স্বিতাবজ গাৰ্গৰ আত্মপক্ষৰ সমৰ্থত দাঙি ধৰা ভাষ্যকে সত্য বুলি ধৰি লৈ আৰক্ষীয়ে ৫ ছেপ্টেম্বৰৰ নিশা স্বিতাবজক কিয় পিতৃৰ লগত দেৰগাঁৱলৈ যাবলৈ অনুমতি প্ৰদান কৰিলে ইয়াক লৈ বিভিন্ন প্ৰশ্ন উত্থাপন কৰিছে সুৱাগমণিৰ পিতৃ-মাতৃৰ লগতে আত্মীয় স্ব-জনে। ইপিনে, সুৱাগমণি শইকীয়াৰ সন্ধান বিচাৰি এছডিআৰএফ আৰু এনডিআৰএফ দলে যোৱা ৮ ছেপ্টেম্বৰলৈকে বহু অভিযান চলোৱাৰ সমান্তৰালভাৱে ধুবুৰী জিলা আৰু গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ বুকুত এছডিআৰএফ দলে যোৱা ১০ ছেপ্টেম্বৰ পৰ্যন্ত অভিযান চলাই ব্যৰ্থ হয়। ইমান অভিযান চলোৱাৰ পাছতো সুৱাগমণি শইকীয়াৰ সন্ধান লাভ নকৰাত তেওঁৰ অভিভাৱক-অভিভাৱিকা স্বাভাৱিকতে অস্থিৰ হৈ পৰে আৰু ঘটনাৰ আঁৰত ই এক পৰিকল্পিত হত্যাকাণ্ডৰ সন্দেহত যোৱা ১০ ছেপ্টেম্বৰৰ বিয়লি সুৱাগমণি শইকীয়াৰ পিতৃ ডঃ কমল শইকীয়াই আজাৰা আৰক্ষী থানাত আকৌ এখন এজাহাৰ দাখিল কৰে। এই অভিযোগৰ ভিত্তিত মহানগৰ আৰক্ষীয়ে ততাতৈয়াকৈ স্বিতাবজ গাৰ্গক দেৰগাঁৱৰ পৰা আজাৰা আৰক্ষী থানালৈ তলব কৰে। সেই অনুসৰি যোৱা ১১ ছেপ্টেম্বৰত স্বিতাবজ গাৰ্গ আজাৰা আৰক্ষী থানাত উপস্থিত হোৱাৰ পাছতে তেওঁক আৰক্ষীয়ে সোধ-পোছ আৰম্ভ কৰে। সম্প্ৰতি আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে যদিও স্বিতাবজ গাৰ্গৰ পৰা কোনো কথা উলিয়াব পৰা নাই বুলি জানিব পৰা গৈছে। ক্ৰমাৎ অসুস্থ হৈ পৰিছে সুৱাগমণিৰ পিতৃ-মাতৃ। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস। হঠাৎ ব্ৰহ্মপুত্ৰৰ পাৰত পিছল খাই মহাবাহুৰ বুকুত বিলিন হৈ গ'ল সুৱাগমণি শইকীয়া নগাঁও জিলাৰ প্ৰসিদ্ধ পুৰণিগুদামৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° কমল শইকীয়া আৰু দীপা শইকীয়াৰ একমাত্ৰ পুত্ৰ। নিমিষতে হেৰাই গ'ল অজস্ৰ সপোন। নিমিষতে নোহোৱা হ'ল প্ৰতিশ্ৰুতি সম্পন্ন এটা প্ৰতিভা। সুৱাগমণিৰ হাতৰ পৰশত ফুটি উঠা চিত্ৰ সাহিত্য অকাডেমিৰ আলোচনীৰ বেটুপাতৰ পৃষ্ঠা আৰু ভিতৰৰ পৃষ্ঠাত প্ৰকাশ হৈ আহিছে। গীত গাই ভালপোৱা, তবলা বজায় ভালপোৱা, ছবি আঁকি ভালপোৱা, ছুটি ছবি নিৰ্মাণ কৰা, পৰিচালনা কৰা, ফটো তুলি ভালপোৱা, পৃথিৱীৰ বিখ্যাত লেখকৰ কিতাপ পঢ়ি ভালপোৱা সপ্ৰতিভ সুৱাগমণি শইকীয়াৰ সন্ধানহীন হোৱা ঘটনাত উদ্বিগ্ন হৈ যোৱা ১১ ছেপ্টেম্বৰত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে এক সভা অনুষ্ঠিত কৰি অতি শীঘ্ৰেই সুৱাগমণিৰ সন্ধান তেওঁৰ পিতৃক অৱগত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আহ্বান জনায় পত্ৰ প্ৰেৰণ কৰিছে। তদুপৰি উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় ছাত্ৰ গোটেও অসম চৰকাৰক সুৱাগমণি শইকীয়াৰ সন্ধান দিবলৈ অনুৰোধ জনায় পত্ৰ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে। আনহাতে, সদায় নিজৰ সৃষ্টিশীল পৃথিৱীত একাত্ম হৈ থকা উদীয়মান চিত্ৰশিল্পী, চলচ্চিত্ৰ নিৰ্মাতা, ফটোগ্ৰাফাৰ আৰু গ্ৰন্থানুৰাগী সুৱাগমণি শইকীয়াৰ এই অবাঞ্চিত ঘটনাই এতিয়া শোকস্তব্ধ কৰিছে ৰাজ্যৰ বৌদ্ধিক সমাজৰ লগতে নগাঁওবাসীক। **সুৱাগমণিৰ পিতৃৰ মহাবাহু ব্ৰহ্মপুত্ৰলৈ ফেচবুক পোষ্টত কাতৰ প্ৰাৰ্থনা ঃ** হে মহাবাহু ব্ৰহ্মপুত্ৰ! আমাৰ কাতৰ প্ৰাৰ্থনা, তোমাৰ বিশাল বুকুৰপৰা আমাৰ পুত্ৰক মুক্ত কৰি দিয়া। পাৰৰ শুকান বালিত মূৰ দোঁৱাইছো বৰলুইত আমাক কৃপা কৰা। আজি দহ দিন ৯ ৰাতি সি বেলিৰ পোহৰ দেখা নাই। বৰলুইতৰ প্ৰতি তাৰ অসীম আকৰ্ষণ আছিল; ইয়াৰ নিসৰ্গৰ শোভাত জীৱনৰ কিবা অসীম ৰহস্যৰ সন্ধান পাইছিল অজিৎ বৰুৱাৰ "ব্ৰহ্মপুত্ৰ" সুৱাগমণি শইকীয়াৰ অন্যতম প্ৰিয় কবিতা আছিল, তাৰ ছবিত সেইবোৰৰ পুনৰ নিৰ্মাণ কৰিছিল। মোৰ পুত্ৰক ঘূৰাই দিয়া; সি ঘূৰি আহিব বুলি মাক-বায়েক অগণন আত্মীয়ই চেতন-অচেতনত বিনাই আছে। বৰলুইত আমাৰ কাতৰ প্ৰাৰ্থনা শুনিছানে?

# মেৰা যুৱ ভাৰত মৰিগাঁও জিলাৰ উদ্যোগত হিন্দী দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ বঘৰা ঘুলি গাঁও মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী দিৱস উদ্‌যাপন কৰা হয়। 'মৰিগাঁও জিলা মেৰা যুৱ ভাৰত'ৰ উদ্যোগত আৰু মাদাৰ টেৰেছা মহিলা সঙঘৰ সহযোগত অনুষ্ঠিত হিন্দী দিৱসত চাফাই অভিযানৰ পিছতে সঙঘৰ উপদেষ্টা চম্পা ডেকাই বিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰে। বিদ্যালয়ৰ খনৰ প্ৰধান শিক্ষয়িত্ৰী জয়শ্ৰী বড়োয়ে সঞ্চলনা কৰা সভাত বন্তি প্ৰজ্বলন কৰে শিক্ষক মহেন্দ্ৰ বৰদলৈয়ে। ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সমগ্ৰ ৰাজ্যখনৰ লগতে এই অনুষ্ঠানতে ভূপেন হাজৰিকাৰ চৰিত মালাপিনধায়। কপাহেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দেবেন দাস দেবে। আদৰণি ভাষণ আগবঢ়ায় শিক্ষক কমলজিৎ ডেকাই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় চিকাৰ বড়ী এভাৰ গ্ৰীণ এনজিঅ'ৰ মুখ্য কাৰ্য্যবাহী বিষয়া অসীম বৰদলৈ আৰু জাগীৰোডৰ প্ৰগতি শীল কৃষক নাৰায়ণ শইকীয়াই। পূৰবী বড়া আৰু




পমপী বড়াই অসমীয়া ফুলাম গামোচাৰে অতিথি সকলক আদৰণি জনায় সভাত সদৌ অসম কৃষক সঙঘৰ সভাপতি তুলসী ডেকা ই। হিন্দী ভাষাৰ সম্প্ৰসাৰণ কৰাত জনপ্ৰিয়তা লাভ ভাৰত বৰ্ষৰ সকলোৱে গ্ৰহণ যাতে কৰে তাৰ বাবে ব্যাপক সজাগতা বৃদ্ধি কৰাই হৈছে এই দিৱসৰ তাৎপৰ্য। হিন্দী ভাৰতৰ ৰাষ্ট্ৰ ভাষা। ১৯৪৯ চনত ১৪ ছেপ্তেম্বৰ তাৰিখে সিদ্ধান্ত লয়। আৰু ১৯৫৩ চনৰ ১৪ ছেপ্তেম্বৰৰ পৰা উদযাপন কৰা হয় হিন্দী দিৱস। ১ পৰা ১৪ ছেপ্তেম্বৰ লৈ হিন্দী পযেক উদ্‌যাপন কৰা হয়। এই বক্তব্য আগবঢ়ায় বক্তা গৰাকীয়ে। হিন্দী কবিতা আবৃত্তি, হিন্দী গীত পৰিৱেশন, হিন্দী গীত নৃত্য লগতে ৰঙালী বিহু আৰু হিন্দী দিৱসৰ ওপৰত হিন্দী ভাষাত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অসম জাতীয় গীতেৰে সভা সামৰণি পূৰ্বে প্ৰতি যোগী সকলক শিক্ষা সঁজুলি য়ে পুৰস্কাৰ প্ৰদান কৰা হয়। পুৰস্কাৰ লাভ কৰে গৰিমা ফাঙচু, পৰিসমৃতা বৰদলৈ, ডলি বৰদলৈ, সমুদ্ৰ বৰদলৈ, প্ৰিয়ংকা বৰদলৈ, নৱ জ্যোতি দেউৰী, কনকন লৰাই, দিপু মনি বৰদলৈ, বৰণভ বৰদলৈ, নয়ণ জ্যোতি বৰদলৈ, তপস্যা কোঁৱৰ, হিমাঙ্চু শৰাই, দিক্ষা বৰদলৈ, সুস্মিতা বৰদলৈ, দিমপী বৰদলৈ, অমিনা লৰাই, অৰ্পনা বৰদলৈ, সুমন লৰাই, টনু শ্ৰী বৰদলৈয়ে। হিন্দী দিৱস উদযাপন কৰা বাবে অঞ্চলৰ ৰাইজে ভূয়সী প্ৰশংসা কৰে আয়োজক সমিতিৰ বিষয় ববীয়া সকলক।

বিটিআৰৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ প্ৰতি সমমৰ্যাদা, সমবিকাশ আৰু সমউন্নয়ন আমাৰ লক্ষ্য - অৰ্জুন দৈমাৰী

# ৩৪ নং খালিংদুৱাৰ সমষ্টিত বিজেপিৰ মাৰাথন প্ৰচাৰ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৬ ছেপ্টেম্বৰ ঃ** বিটিচিৰ নিৰ্বাচনলৈ মাজত মাথোঁ কেইটিমান দিন। বিজেপি, ইউপিপিএল, বিপিএফ, কংগ্ৰেছ, জিএছপি, ৰাইজৰ দল, তৃণমূল কংগ্ৰেছ, ভিপিআই আদি ৰাজনৈতিক দলৰ মনোনীত প্ৰাৰ্থীৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থীয়েও ব্যাপক প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হৈছে ৩৪ নং খালিংদুৱাৰ সমষ্টিত। বিজেপিৰ মনোনীত প্ৰাৰ্থী যুৱ নেতা অৰ্জুন দৈমাৰীযে গাঁৱে-গাঁৱে, ঘৰে ঘৰে মাৰাথন প্ৰচাৰ অভিযান চলাইছে। ১৫ বছৰ বিপিএফ, ৫ বছৰ ইউপিপিএলৰ দখলত থকা সমষ্টিটো উদ্ধাৰ কৰিবলৈ বিজেপিৰ মনোনীত প্ৰাৰ্থী অৰ্জুন দৈমাৰী, খালিং দুৱাৰ মণ্ডল বিজেপিৰ সভাপতি অৰ্পণা মেধি, সমষ্টিটোৰ তত্বাৱধায়ক বিধায়ক দিগন্ত কলিতা, কেবিনেট মন্ত্ৰী পিয়ুজ হাজৰিকা, ওদালগুৰি জিলা বিজেপিৰ উপ সভাপতি বিকন চন্দ্ৰ ডেকা, জয় কান্ত শৰ্মা, খালিংদুৱাৰ সমষ্টিৰ কাৰ্যকৰ্তা, মহিলা মৰ্চা, বুথ সমিতিৰ বিষয় ববীয়াই মৰথন প্ৰচাৰ অভিযান চলাইছে। সমষ্টিটোৰ অন্তৰ্গত ৰামবাৰী, চৰণপাৰা, টংলা ২নং ৱাৰ্ড, পূজাখোলা, পুৰন্দিয়া, জলাহ, পলাহগড়, মাজগাঁও, নাচনশালী, গেৰুৱা, পশ্চিম ফুটকীবাৰী, যোৰপুখুৰী, গোহাঁইপাৰা, বটাবাৰী, কঠালগুৰি, শস্ত্ৰপাৰা, ২নং আলিকাষ, উত্তৰ থেপাখাট, ৰূপাখাট, বনগাঁও চাৰণপাৰা, কুকুৰাকটা, পানীটেংকী, চমুৱাপাৰা, বৰ টংলা আদি বিভিন্ন গাঁৱত ঘৰে-ঘৰে, মন্দিৰ, নামঘৰত উপস্থিত হৈ ৰাইজৰ সৈতে মত বিনিময় কৰি জ্যেষ্ঠজনক সেৱা লৈ আশীৰ্বাদ বিচাৰি প্ৰচাৰ অভিযান তুংগত কৰি তুলিছে। বিজেপিৰ মনোনীত প্ৰাৰ্থী অৰ্জুন দৈমাৰীয়ে সমাগত বিটিআৰ নিৰ্বাচনত ৰাইজক সদলবলে ওলাই আহি নিজৰ গণতান্ত্ৰিক অধিকাৰ বিবেকেৰে প্ৰদান কৰিবলৈ আহ্বান জনায় কয় বিটিআৰৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ প্ৰতি সম মৰ্যাদা, সম উন্নয়ন আৰু সম বিকাশ আমাৰ লক্ষ্য। আনহাতে অৰ্জুন দৈমাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ ১৬ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খালিংদুৱাৰ সমষ্টিটোৰ অন্তৰ্গত পলাহগড় খেলপথাৰত উপস্থিত থাকিব বুলি জানিব পৰা গৈছে।

দেওপানী প্ৰবহমান জলসিঞ্চন আঁচনিত বিভাগীয় কৰ্তৃপক্ষৰে ৰাইজৰ আলোচনা

# মৃতপ্ৰায় প্ৰবহমান জলসিঞ্চন আঁচনি পুনৰ জীৱিত কৰাৰ বাবে অসম চৰকাৰৰ পদক্ষেপ

**অসম বাৰ্তা, গেলেকী, ১৬ ছেপ্টেম্বৰ ঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত গেলেকীৰ দেওপানী নদীৰ ওপৰত প্ৰায় পঞ্চাশ বছৰৰ আগতে অসম চৰকাৰৰ দ্বাৰা জলসিঞ্চন আঁচনিৰ অধীনত প্ৰবাহিত জলসিঞ্চন আঁচনি নিৰ্মাণ কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল স্থানীয় কেইবাখনো গাঁৱৰ কৃষিজীৱি ৰাইজে বছৰি বিভিন্ন ধৰণৰ খেতি কৰাৰ বাবে প্ৰয়োজনীয় পানীৰ যোগান ধৰাৰ। বিগত সময়ত উক্ত আঁচনিৰ যোগেদি বিস্তৃত দেওপানী, মিছাজান, লোণপুৰীয়া, বৰহোলা আদি অঞ্চলৰ খেতিয়ক ৰাইজে ধান খেতিৰ সময়ত বৰষুণৰ অভাৱত পথাৰত চিৰাল ফাট মেলা সময়ত উক্ত প্ৰবাহিত জলসিঞ্চন আঁচনিৰ যোগেদি খেতি পথাৰত পানী যোগান লাভ কৰি সময়মতে খেতি-বাতি কৰি লাভাৱান্বিত হৈছিল। বছৰ বাগৰাৰ লগে লগে উক্ত আঁচনিখনৰো সা-সৰঞ্জাম সমূহ পুৰণি হোৱা লগে লগে আঁচনিখন পানী যোগানৰ বাবে প্ৰায় অনুপযোগী হৈ পৰে। তদোপৰি পানী প্ৰবাহিত পকী নলাৰ ৱাল সমূহ অধিকাংশ ঠাইত ভাগি পৰাৰ বাবে নিৰ্ধাৰিত লক্ষ্যৰলৈকে পানী গৈ নোপোৱাত আঁচনিখনৰ পৰা সুফল নোপোৱা হৈছিল স্থানীয় একাংশ কৃষক ৰাইজে। উল্লেখযোগ্য যে দেওপানী নদীৰ বুকুত লোৰ গেটেৰে ভেটা মাৰি কৃষক ৰাইজৰ সুবিধাৰ বাবে দেওপানী নদীৰ দুয়োকাষে পানী প্ৰবাহৰ বাবে প্ৰায় এক কিল'মিটাৰৰ অধিক দৈৰ্ঘ্যৰ পকী নলাৰো নিৰ্মাণ কৰা হৈছিল উক্ত আঁচনিখনৰ জৰিয়তে। বিয়াগোম জলসিঞ্চন বিভাগৰ অধীনত নিৰ্মাণ কৰা দেওপানী প্ৰবাহিত জলসিঞ্চন আঁচনিখন সুচাৰুৰূপে চলি থাকিবৰ বাবে চৰকাৰী কৰ্মচাৰীয়ো নিয়োগ কৰিছিল অসম চৰকাৰে। কিন্তু উক্ত প্ৰবাহিত জলসিঞ্চন আঁচনিত নিয়োজিত কৰ্মচাৰীৰ কাৰিকৰী জ্ঞানৰ অভাৱ, হেমাহি আৰু গাফিলতিৰ বাবে দিনক দিনে উক্ত আঁচনিখন বিধ্বস্ত অৱস্থালৈ ৰূপান্তৰ হ'বলৈ ধৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰখনৰ দিনত কেতিয়াবা দুই এক মেৰামতিৰ কাম কৰিছিল যদিও মেৰামতিৰ নামত অধিকাংশই ধন নিজৰ পকেটত ভৰোৱাত অৱশেষত একেবাৰে মৃতপ্ৰায় অৱস্থালৈ পৰিৱৰ্তন হয় উক্ত আঁচনিখন। উক্ত আঁচনিখন বিকল বিধ্বস্ত আৰু জৰাজীৰ্ণ হোৱাৰ বাবে বহু বছৰ উক্ত অঞ্চলৰ ৰাইজে সময় মতে কিছু কিছু অংশত ধান খেতি আৰু অন্যান্য শস্য জাতীয় খেতিসমূহ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হৈ আহিছে। বৰ্তমান কংগ্ৰেছ চৰকাৰৰ দিনত মৃত্যুমুখলৈ ঠেলি দিয়া ৰাজ্যত অৱস্থিত উক্ত এনে আঁচনি সমূহ পুনৰ জীৱিত কৰিবলৈ বৰ্তমানৰ চৰকাৰখনে সংশ্লিষ্ট বিভাগক নিৰ্দেশনা দিয়াৰ পিছতেই নাজিৰা সম-জিলাৰ অন্তৰ্গত দেওপানী নদীৰ ওপৰত অৱস্থিত দেওপানী প্ৰবাহিত জলসিঞ্চন আঁচনিত বিভাগীয় জিলাৰ বিষয়া উপস্থিত হৈ ৰাইজৰ লগত এক আলোচনাচক্ৰ অনুষ্ঠিত কৰি মৃতপ্ৰায় আঁচনিখন পুনৰ্নিৰ্মাণ কৰাৰ বাবে অসম চৰকাৰে পুঁজি আবণ্টন দিয়াৰ কথা আগবঢ়াইছে বুলি ঘোষণা কৰে। উক্ত সভাত উপস্থিত থাকে বিভাগটোৰ শিৱসাগৰ আৰু নাজিৰা কাৰ্যালয়ৰ দুগৰাকী অভিযন্তা। দুয়োগৰাকী অভিযন্তা উপস্থিত হৈ ৰাইজৰ লগত বহি এখন সভা অনুষ্ঠিত কৰি উক্ত আঁচনিখন কাৰ্যক্ষম কৰিবলগীয়া প্ৰস্তাৱ সমূহ গ্ৰহণ কৰে। উক্ত সভাত উপস্থিত থাকে নপাম বাৰুৱতী গাঁও পঞ্চায়তৰ সভাপতি আমান উল্লাহ, গাঁও প্ৰধান নিৰঞ্জন কুৰ্মী, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি সাংবাদিক ৰাহিদ আলী, দেওপানী গাঁওৰক্ষী বাহিনীৰ সম্পাদক হাফিজ আলী আৰু উক্ত অঞ্চলৰ শতাধিক কৃষক ৰাইজৰ লগতে ভালেকেইজন গণ্য মান্য ব্যক্তি। বিভাগীয় নিৰ্দেশত উপস্থিত হোৱা অভিযন্তা গৰাকীয়ে অতি কম সময়ৰ ভিতৰতে উক্ত আঁচনিখনৰ কাম সমূহ কৰাৰ আশ্বাস প্ৰদান কৰি কয় যে বিভাগৰ বিষয়াই ৰাইজৰ আবেদনৰ বিষয়ে চৰকাৰক জনাব আৰু সম্ভৱত চৰকাৰেও এই বিষয়টো যোগাত্মক দৃষ্টিভংগীৰে চাই আঁচনিখন পুনৰ জীৱিত কৰাৰ বাবে পদক্ষেপ হাতত ল'ব।

AFFIDAVIT

Swarn before Notary Public at Tinsukia dtd. on 09-09-2025, that my name has been recorded as Lilu Karmakar instead of Sukroti Dumon in the Savings Bank Account bearing Acc. No.- 7393026005591 of Assam Gramin Vikash Bank of Talap Branch. I Sukroti Dumon and Lilu Karmakar is same and one person and i.e. myself. Applying for correction at the appropriate authority.

Sukroti Dumon
W/O - Lt. Rajen Karmakar
Natun Line, Talap T.E. 100 Fs
P.O.- Talap, Pin-786156,
Doom Dooma, Tinsukia

AB-132/2025

AFFIDAVIT

Swarn before Notary Public at Nagaon dtd. on 12-07-2025, that my name has been recorded as Monimala Gohain instead of Manimala Gohain in the Savings Bank Account of SBI, Nagaon Branch. I Monimala Gohain and Manimala Gohain is same and one person and i.e. myself. Applying for correction at the appropriate authority.

Manimala Gohain
W/O - Rajib Gohain
Taluka Nagaon
P.O.- Itachali
Pin- 782003,
Assam.

AB-133/2025

# ডুমডুমা আৰক্ষীয়ে তেজুত উদ্ধাৰ কৰিলে অপহৃত ছাত্ৰীক, গ্ৰেপ্তাৰ ৪

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৬ ছেপ্টেম্বৰ ঃ** এক ক্ষিপ্ৰ আৰু প্ৰশংসনীয় অভিযানত ডুমডুমা আৰক্ষীয়ে অৰুণাচল প্ৰদেশৰ তেজুৰ পৰা অপহৃত এগৰাকী স্কুলীয়া ছাত্ৰীক ৪৮ ঘণ্টাৰ ভিতৰতে উদ্ধাৰ কৰি এই অপহৰণত জড়িত চাৰিজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। যোৱা বৃহস্পতিবাৰে স্কুলৰ পৰা ঘৰলৈ ঘূৰি আহোঁতে চাৰি যুৱকে এই ছাত্ৰীগৰাকীক অপহৰণ কৰিছিল। এই সংক্ৰান্তত ডুমডুমা থানাত ভাৰতীয় ন্যায় সংহিতাৰ ২০২৩ৰ ১৪৩(৪)/৬১(২)(এ) ধাৰাৰ অধীনত এটা গোচৰ (নং ১৭৮/২৫) ৰুজু কৰা হৈছিল আৰু তাৰ আধাৰত দ্ৰুত কাৰ্যব্যৱস্থা গ্ৰহণ কৰি আৰক্ষীয়ে তেজুলৈ এটি দল পঠিয়াই ছাত্ৰীগৰাকীক উদ্ধাৰ কৰি সুৰক্ষিতভাৱে ঘূৰাই আনিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ কৰা অভিযুক্তসকল হ'ল— ডুমডুমা কলিয়াপানীৰ আকাশ গোৱালা (২০), ডুমডুমা পথাৰ গাঁৱৰ দেৱ সিংহ(২০), ডুমডুমা শংকৰদেৱ কলনীৰ আৰিয়ান পাটনায়ক (২৮) আৰু ডুমডুমা পথাৰ গাঁৱৰেই বীৰ তাঁতী ওৰফে ধুনু। উল্লেখযোগ্য যে, শেহতীয়াকৈ ডুমডুমা অঞ্চলত এনে ঘটনা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ মাজতে অপহৃত ছাত্ৰীগৰাকীক তৎপৰতাৰে উদ্ধাৰ কৰাৰ বাবে ডুমডুমা আৰক্ষীয়ে ডুমডুমাৰ সচেতন নাগৰিক সমাজৰ পৰা ব্যাপক প্ৰশংসা লাভ কৰিছে। বিশেষকৈ, এনে সংবেদনশীল ঘটনা মোকাবিলাত আৰক্ষীৰ সজাগতা, তৎপৰতা আৰু নিষ্ঠা জনসাধাৰণৰ প্ৰশংসাৰ যোগ্য বুলি বিবেচিত হৈছে।

# মাজুলীৰ ব্ৰহ্মপুত্ৰ নদীৰ কংকান সুঁতিত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ জেংৰাই মুখ থানাৰ অন্তৰ্গত হালধিবাৰী গাঁৱৰ সমীপৰতী ব্ৰহ্মপুত্ৰ নদীৰ (ৰামুদ টিকিয়া চাপৰি) কংকান সুঁতিত এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ হয়। আজি দিনৰ প্ৰায় ৩ বজাত উক্ত স্থানত নয়াবজাৰ টহলদাৰী চকীৰ আৰক্ষী উপস্থিত হৈ উপঙি থকা অৱস্থাত উদ্ধাৰ কৰা মৃত ব্যক্তি গৰাকীৰ বয়স প্ৰায় ৩৫-৪০ বছৰৰ ভিতৰত হ'ব বুলি আৰক্ষীয়ে ঠাৱৰ কৰিছে। ধূসৰ ৰঙৰ টি-চাৰ্ট, ধূসৰ ৰঙৰ আণ্ডাৰৱেৰ, মোজা পৰিহিত মৃতদেহটো আংশিক উৰলি যোৱাৰ অৱস্থাত উদ্ধাৰ কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মাজুলীৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বৰ্তমান চিনাক্তকৰণৰ উদ্দেশ্যে চিকিৎসালয়ৰ মৰ্গতে মৃতদেহটো ৰখা হৈছে বুলি জানিব পৰা গৈছে।

সাংবাদিকসকল গণতন্ত্ৰৰ অতন্দ্ৰ প্ৰহৰী ঃ জ্যেষ্ঠ সাংবাদিক নৱনীতা কলিতা

# শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ অধিৱেশন

## বিশিষ্ট সাংবাদিক মনিৰুল ইছলাম বড়াক প্ৰসিদ্ধ সাংবাদিক গুণ বৰুৱা সোঁৱৰণী ৰাজ্যিক বঁটা প্ৰদান




**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৬ ছেপ্টেম্বৰ ঃ** অসম বাৰ্তাজীৱী সংঘৰ স্বীকৃতিপ্ৰাপ্ত শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ যোৱা ১৩ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায় অধিৱেশনখনি। পুৰা জিলা সমিতিৰ উপদেষ্টা, জেষ্ঠ সাংবাদিক খাইৰুদ্দিন আহমেদে পতাকা উত্তোলন কৰাৰ পিছতেই অনুষ্ঠিত হয় প্ৰতিনিধি সভাৰ। জেষ্ঠ সাংবাদিক নজিউল্লা হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখন উদ্বোধন কৰে বিশিষ্ট চিকিৎসক তথা শিল্পী ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াই। তেখেতে সাংবাদিক ক্ষেত্ৰখনত জড়িত সাংবাদিকসকলে মানৱ কল্যাণৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। প্ৰতিনিধি সভাতেই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট নিবন্ধকাৰ তথা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সৌমাৰজ্যোতি মহন্তই মফচলীয় সাংবাদিকসকলে পাব লগা সুবিধাসমূহ পোৱাৰ ব্যৱস্থাৰ বাবে প্ৰতিটো সংবাদ গোষ্ঠীয়ে চিন্তা কৰাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰে। প্ৰতিনিধি সভাতেই অসম বাৰ্তাজীৱী সংঘৰ কাৰ্যনিবাহক ভাস্কৰ শৰ্মাই বাৰ্তাজীৱী সংঘৰ লক্ষ্য, উদ্দেশ্যৰ ওপৰত আলোকপাত কৰাৰ লগতে সংঘই সাংবাদিকসকলৰ নাৰ্য প্ৰাপ্তিৰ বাবে কি কি কাৰ্যসূচী লৈছে অথবা আজি পৰ্যন্ত কেনেদৰে কৰি আছে তাৰ ওপৰতো বক্তব্য ৰাখে। শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ বিষয়ববীয়া তথা জেষ্ঠ সাংবাদিক মনোজ কুমাৰ গগৈয়ে আত ধৰা প্ৰতিনিধি সভাত সাংবাদিক দীপক বড়া, মুজাহিদ আলি, ৰাতুল শৰ্মা, দেবজ্যোতি বৰুৱাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট সাংবাদিকে নিজৰ অনুভৱ ব্যক্ত কৰাৰ পিছতেই প্ৰতিনিধি সভাত শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ নতুন সমিতি গঠন কৰা হয়। প্ৰতিনিধি সভাতেই জেষ্ঠ সাংবাদিক মনোজ কুমাৰ গগৈক সভাপতি, ভাস্কৰজ্যোতি দাসক কাৰ্যকৰী সভাপতি, হিমাংশু নেওগ সাধাৰণ সম্পাদক, দীপক বৰা, নজিউল্লা হাজৰিকা, দেবজ্যোতি বৰুৱা, চৈয়দ মোস্তাকুৰ ৰহমানক উপ- সভাপতি, মফিদুল ইছলাম, নৱ বুঢ়াগোহাঁই, দ্ৰোণ খণ্ডীয়াক সহঃ সম্পাদক আৰু ৰাতুল শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ এখন বৃহৎ আকাৰৰ জিলা সমিতিখন গঠন কৰা হয়। আনহাতে দিনৰ ১ বজাত অনুষ্ঠিত হয় মুকলি সভা আৰু সাংবাদিক গুণ বৰুৱা সোঁৱৰণী ৰাজ্যিক বটা প্ৰদান অনুষ্ঠানৰ। নৱনিৰ্বাচিত সভাপতি মনোজ কুমাৰ গগৈয়ে আত ধৰা মুকলি সভাখন উদ্বোধন কৰে বিশিষ্ট নিবন্ধকাৰ, শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি তথা গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। উদ্বোধন কৰি মহন্তই গণতন্ত্ৰৰ অতন্দ্ৰ প্ৰহৰী সংবাদ মাধ্যম বুলি উল্লেখ কৰি কয় যে, সংবাদ মাধ্যমৰ স্বাধীনতা আৰু সাংবাদিকৰ স্বাধীনতাৰ মাজত পাৰ্থক্য আছে বুলি ব্যক্ত কৰে। সাংবাদিক সকলৰ নাৰ্য প্ৰাপ্তিৰ ক্ষেত্ৰত বাৰ্তাজীৱী সংঘই পৰ্যায়ক্ৰমে মাত মাতি আহিছে আৰু এই ধাৰা আগুৱাই লৈ যাবলৈ আহ্বান জনায়। নিদিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি প্ৰাগ নিউজৰ নিউজ এডিটৰ তথা অসম বাৰ্তাজীৱী সংঘৰ কোষাধ্যক্ষা নৱনীতা কলিতাই কয় যে, মফচলীয় সাংবাদিক সকলৰ নাৰ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অসম বাৰ্তাজীৱী সংঘই মাত মাতি আহিছে আৰু মাত মাতি যাব। ইতিমধ্যে ত্ৰিপাক্ষিক বৈঠকত মফচলীয় সাংবাদিকসকলৰ কিছু কথা আলোচনা হৈছে বুলি উল্লেখ কৰে। বাৰ্তাজীৱী সংঘই সোণালী জয়ন্তীৰ বৰ্ষত পদাৰ্পন কৰাৰ কথা উল্লেখ কৰাৰ লগতে কেতবোৰ কাৰ্যসূচী লোৱাৰ কথাৰো উল্লেখ কৰে। বাৰ্তাজীৱী সংঘৰ সংবিধানৰ কথা অৱগত কৰি জেষ্ঠ সাংবাদিক গৰাকীয়ে গনতন্ত্ৰৰ চতুৰ্থ স্তমভ সাংবাদিকসকলে নিষ্ঠাৰে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনোৱাৰ লগতে সাংবাদিক সকলক প্ৰতিযোগিতাতমূলক প্ৰেক্ষাপটত নিজকে বৌদ্ধিকভাৱে, সামাজিকভাৱে, সাংস্কৃতিকভাৱে প্ৰস্তুত কৰি নিস্বাৰ্থঃভাৱে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি এইবাৰো প্ৰসিদ্ধ সাংবাদিক গুণ বৰুৱা সোঁৱৰণী ৰাজ্যিক বটাটো প্ৰদান কৰা হয় শিৱসাগৰৰ বিশিষ্ট সাংবাদিক মনিৰুল ইছলাম বড়াক। আনুষ্ঠানিকভাৱে বটা গ্ৰহণ কৰি জেষ্ঠ সাংবাদিক মনিৰুল ইছলাম বড়াই নিজৰ অনুভৱত কয় যে, শিৱসাগৰৰ সাংবাদিক জগতৰ অন্যতম বাটকটীয়া আছিল বিশিষ্ট শিক্ষাবিদ গুণ বৰুৱা। কলেজৰ অধ্যাপনাৰ সমান্তৰাল ভাৱে গুণ বৰুৱাই আপোচহীন ভাৱে ৰাইজৰ পক্ষত থাকি শোষকৰ বিৰুদ্ধে অতি নিৰ্ভিক ভাৱে সংবাদ সেৱা আগবঢ়াইছিল। সংবাদ সেৱাৰ জৰিয়তে সমাজক তেখেতে সঠিক বাটৰ সন্ধান দিছিল। কোনোদিনেই দুৰ্নীতি অনিয়মৰ সৈতে আপোচ নকৰা গুণ বৰুৱা আমাৰ এগৰাকী পিতৃ স্বৰূপ নমস্য ব্যক্তি আছিল। কেৱল আমাৰেই নহয় ৮০ দশকৰ পৰা বৰ্তমানলৈকে শিৱসাগৰৰ নৱ প্ৰজন্মৰ সকলো সাংবাদিকে গুণ বৰুৱাৰ দৰে বিৰল ব্যক্তিত্বৰ অধিকাৰীৰ আদৰ্শৰে নিজৰ জীৱন গঢ়িব পাৰে বুলি মনিৰুল ইছলাম বড়াই মন্তব্য কৰে। ইফালে শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে কয় যে, বিলাত ফেৰত, অসমৰ প্ৰথম গৰাকী ডক্টৰেট ময়িদুল ইছলাম বড়াৰ সুযোগ্য নাতি বিশিষ্ট সাংবাদিক তথা অভিনেতা মনিৰুল ইছলাম বড়াক এই ৰাজ্যিক বটা প্ৰদান কৰাত বাৰ্তাজীৱী সংঘক কৃতজ্ঞতা জনাইছে। আন এক প্ৰসংগত কয় যে, জেষ্ঠ সাংবাদিক মনিৰুল ইছলাম বড়াৰ ককা ময়িদুল ইছলাম বড়াৰ দৰে প্ৰাচ্যতত্ত্ববিদ পণ্ডিতক আজিও আমাৰ প্ৰজন্মই ভালদৰে নাজানে। যি সময়ত এখন জিলাৰ পৰা আন এখন জিলালৈ ঘোড়া গাড়ী, গৰু গাড়ীহে চলিছিল। সেই সময়তেই ময়িদুল ইছলাম বড়াৰ প্ৰজ্ঞাৰ আলোকেৰে উদ্ভাসিত অসমী আইৰ সুযোগ্য সন্তানে সাত সাগৰ তেৰ নদী পাৰ হৈ বিলাতত গবেষণা কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। তেখেতৰ পৰিয়ালৰে সন্তান মনিৰুলে সাংবাদিকতাৰ সমান্তৰাল ভাৱে স্বদেশ আৰু স্বজাতিৰ উত্তৰণৰ বাবেও সংগ্ৰাম অব্যাহত ৰাখিছে বুলি যোগেশ কিশোৰ ফুকনে মন্তব্য কৰে। সভাত অসম বাৰ্তাজীৱী সংঘৰ ভাস্কৰ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জ্যোতি বৰুৱা, জেষ্ঠ সাংবাদিক অতনু বৰা, বিশিষ্ট কবি, সাহিত্যিক প্ৰেম গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে সংবাদ মাধ্যম আৰু সাংবাদিককাৰ ক্ষেত্ৰখনৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰৰ সন্দৰ্ভত আলোকপাত কৰে। সভাতেই জিলা সমিতিৰ নৱনিৰ্বাচিত সহঃ সম্পাদক মফিদুল ইছলাম, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল পূজাৰী আৰু উদ্যোগী তথা সাংস্কৃতিক কৰ্মী চিকমিক দেৱীক বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত প্ৰাগ নিউজৰ জেষ্ঠ সাংবাদিক ভৈৰৱ মুণ্ডাকে প্ৰমুখ্যে কৰি জিলাখনৰ শতাধিক সংবাদকৰ্মীৰ লগতে বহু অনুষ্ঠান, সংগঠনৰ বিষয়ববীয়া উপস্থিত আছিল।

### মত-বিনিময় অনুষ্ঠান সম্পন্ন; কলিয়াবৰৰ বহু স্মৃতি ৰোমন্থন বহুজনৰ

# নগাঁওবাসী কলিয়াবৰীয়া মঞ্চৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, পুৰণিগুদাম, নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বসবাস কৰা কলিয়াবৰৰ লোকসকলৰ উমৈহতীয়া মঞ্চ নগাঁওবাসী কলিয়াবৰীয়া মঞ্চৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি এক মত-বিনিময় আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ডাঃ বীণাপানী নেওগৰ দ্বাৰা এটি বৰগীত পৰিৱেশনেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত সভাপতিত্ব কৰে নগাঁওবাসী কলিয়াবৰীয়া মঞ্চৰ সভাপতি কনক হাজৰিকাই। নগাঁৱৰ দেৱাংগী গাৰ্ডেনত অনুষ্ঠিত এই অনুষ্ঠানত অসমৰ বিভিন্ন স্থানত কৰ্মৰত কলিয়াবৰৰ কেইবাজনো সুযোগ্য বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। মঞ্চৰ সাধাৰণ সম্পাদক বুবুল বৰাই উদ্দেশ্য আৰু ব্যাখ্যা কৰা সভাখনত অংশগ্ৰহণ কৰি বিশিষ্ট চিকিৎসক ডাঃ নৱজ্যোতি বৰাই কলিয়াবৰৰ ইতিহাস উল্লেখ কৰি কয় যে, কলিয়াবৰ সাংস্কৃতিক-সামাজিকভাবে সমৃদ্ধ এক বৃহৎ অঞ্চল। কৰ্মসূত্ৰে কলিয়াবৰৰ বহুলোক অসমৰ বিভিন্ন স্থান, দেশ-বিদেশত বসবাস কৰি আছে কিন্তু নিজৰ শিপাডাল কেতিয়াও এৰি দিব নালাগে। অসম চৰকাৰৰ ৰাজহ বিভাগৰ উপ-সচিব হেমাশ্ৰী হাজৰিকাই নগাঁওবাসী কলিয়াবৰীয়া মঞ্চৰ প্ৰয়াসৰ শলাগ লয়। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° প্ৰদীপ দাসে মঞ্চৰ বিষয়ে উল্লেখ কৰাৰ লগতে শ্ৰীশ্ৰীকৃষ্ণৰ জীৱন দৰ্শনৰ বিষয়ে ব্যাখ্যা কৰে। নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্ত, আন্তৰ্জাতিক খ্যাতিসম্পন্ন চিত্ৰশিল্পী সমীৰণ বৰুৱা, বিশিষ্ট কবি ড° বিপুলজ্যোতি শইকীয়া, উপ-সভাপতি নবীন বৰঠাকুৰ, অসম সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মৃণাল হাজৰিকা, মঞ্চৰ জ্যেষ্ঠ বিষয়ববীয়া ডাঃ বিৰিঞ্চি বৰা, গুণধৰ গগৈ, পল্লৱ মহন্ত, পদ্ম গোস্বামী আদিয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকী, সমাজকৰ্মী ৰঞ্জিত কুমাৰ তামোলী ফুকন, হিৰণ্য বল্লভ গোস্বামী, দ্বিজেন্দ্ৰ নাথ হাজৰিকা, শৰৎ খাউণ্ড, ড° টুলুমণি দেৱী, পীয়ুষ ৰয়, মঞ্চৰ কমলেশ্বৰ বৰুৱা, বলীন মহন্ত, কৃষ্ণকান্ত শইকীয়া, দিলীপ বৰা, দিলীপ হাজৰিকা, প্ৰসন্ন শৰ্মা, ৰঞ্জনা বৰা, ৰঞ্জু তামোলী, প্ৰফুল্ল বৰা, নিজৰা শইকীয়া, জেউতি হাজৰিকা, হেলেন পণ্ডিত, লেখক উজ্জ্বল জ্যোতি দাস, সাংবাদিক নীলৰঞ্জন শৰ্মা, জয়ন্ত বৰা আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰাৰ্থনা হাজৰিকা, হৰিনাক্ষি হাজৰিকাই নৃত্য পৰিৱেশন, টুটুমণি বৰাই কবিতা পাঠ আৰু স্বপ্নজ্যোতি মহন্তই গীত পৰিৱেশন কৰে।

# দুধনৈত গোৱালপাৰা ফটোগ্ৰাফিক চ'ছাইটিৰ ষষ্ঠ বৰ্ষপূৰ্তি অনুষ্ঠান উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৬ ছেপ্টেম্বৰ ঃ** দুধনৈ দামৰাৰোডস্থিত চিত্ৰাংকন একাডেমী প্ৰাংগণত গোৱালপাৰা ফটোগ্ৰাফীক চছাইটি চমুকৈ (জিপিএছ)ৰ ষষ্ঠ বৰ্ষপূৰ্তি অনুষ্ঠান শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। গোৱালপাৰা ফটোগ্ৰাফিক চ'ছাইটিৰ সভাপতি তথা কৃষি অভিযন্তা বেঞ্জামিন কামানে আঁত ধৰা অনুষ্ঠানত প্ৰথমতে জিপিএছৰ সমূহ বিষয়ববীয়া আৰু সদস্য সকলে কেক কাটি ষষ্ঠ বৰ্ষপূৰ্তি অনুষ্ঠানটি উদ্‌যাপন কৰে। তাৰ পিচতে জিপিএছৰ সদস্য তথা মেক্ৰ আৰু বন্যপ্ৰাণী বিশেষজ্ঞ লগতে ২০২৫ বৰ্ষৰ লণ্ডন আৰু বিশ্বৰ বিভিন্ন ঠাইৰ নেচাৰেল হিষ্ট্ৰী মিউজিয়ামত ৬১ সংখ্যক বন্যপ্ৰাণী ফটোগ্ৰাফাৰ অৱ দা ইয়েৰৰ প্ৰতিযোগী সকলৰ চূড়ান্ত তালিকাত বিবেচিত বিদ্যুত কলিতাক এখন ফুলাম ৰাভা জাতীয় পাজাৰ আৰু এটা মমেণ্টৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে যুৱ ফটোগ্ৰাফাৰ বিদ্যুত কলিতাই কৰা কাম সমূহ চেঞ্চুৰী এচিয়া, ডিস্কভাৰী নেটজিঅ'গ্ৰাফিয়া, ইনফকাচ কেনন ইণ্ডিয়া আৰু কেনন এচিয়া আদিত প্ৰকাশ পাইছে। আনহাতে বিদ্যুত কলিতাই বৰ্তমান ডিচিপি এ'পেডিচিনৰ সৈতে পেনেল এ'পাৰ্ট হিচাবে যুৱ ফটোগ্ৰাফাৰ সকলক গাইড দি আছে। ২০২১ চনত নৰ্থইষ্ট ফটোগ্ৰাফী মেক্ৰ শাখাত বিজয়ী, ২০২৩ চনত অসম ফটোগ্ৰাফী বঁটা আৰু আন কেবাটাও বঁটা লাভ কৰিবলৈও সক্ষম হৈছে। "জিপিএছ"ৰ ষষ্ঠ বৰ্ষপূৰ্তি অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ৰমাকান্ত খাখলাৰীয়ে ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ এটা গীত আৰু দুটাকৈ বড়ো জনগোষ্ঠীৰ গীত গাই সকলোকে আপ্লুত কৰে। একেটা অনুষ্ঠানতে জিপিএছৰ সভাপতি গৰাকীয়ে জিপিএছৰ বাৰ্ষিক ফটোগ্ৰাফী অনুষ্ঠান "ডামল-৬" এইবেলিও ডিচেম্বৰত অনুষ্ঠিত হব বুলি জনায়। গোৱালপাৰা ফটোগ্ৰাফীক চ''ছাইটিয়ে ফটোগ্ৰাফীৰ লগতে জৈৱবৈচিত্ৰ্য ৰক্ষা কৰা, সৰ্প ৰক্ষা, বনসংৰক্ষণ, গছপুলি ৰোপণ, প্ৰদূষণ ৰোধ ইত্যাদিৰ উপৰিও বিভিন্ন সামাজিক মুলক কামৰ লগত জড়িত হৈ আছে।

# নামৰূপত লেখিকা সমাৰোহৰ উদ্যোগত শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি

**অসম বাৰ্তা, নামৰূপ, ১৬ ছেপ্টেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি, নামৰূপ শাখাই যোৱা ১২ ছেপ্টেম্বৰত নামৰূপ শাখা সাহিত্য সভা ভৱনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য, অন্যতম অনুগামী মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ তিৰোভাৱ তিথি গাম্ভীৰ্যপূৰ্ণভাৱে পালন কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ নামৰূপ শাখাৰ উপদেষ্টা বিবি মহন্তই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত শাখাৰ সাংস্কৃতিক সম্পাদিকা গোপা গোস্বামীয়ে শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত এটি বৰগীত আৰু সাৰনগৰী বৰনামঘৰৰ আইসকলে এভাগি দিহানাম পৰিৱেশন কৰে। ইয়াৰ পাছত শাখাৰ সভানেত্ৰী অণিমা বৰুৱা দেউৰীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰে শাখাৰ সহকাৰী সম্পাদিকা অৰ্চনা বৰদলৈয়ে। উক্ত সভাত নিৰ্দিষ্ট বক্তা তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক কুঞ্জ মুকুল গগৈয়ে মহাপুৰুষ দুজনাৰ ধৰ্ম প্ৰৱৰ্তনৰ প্ৰেক্ষাপট, আধ্যাত্মিক দৰ্শন আদিৰ সৰল ব্যাখ্যাৰে এক মনোজ্ঞ বক্তব্য প্ৰদান কৰে। সভাত মাধৱদেৱ গুৰুজনালৈ প্ৰণিপাত জনাই ৰাজগড় কনিষ্ঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা ডেইজী চুতীয়াই এটি কবিতা আবৃত্তি কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত নামৰূপ শাখা সাহিত্য সভাৰ সম্পাদক চৈতন্য কোঁৱৰ, 'সাহিত্য কাব্য কানন'ৰ সম্পাদক জিতুমণি শইকীয়া, 'সমলয় কবি চক্ৰ'ৰ সভাপতি গৌৰী চুৰেদাৰ বৰা, বলীন দাস, বিনু ভাগৱতী, তিলোত্তমা শইকীয়াকে মুখ্য কৰি লেখিকা সমাৰোহৰ নামৰূপ শাখাৰ সদস্যাসকল উপস্থিত আছিল।

### ৯, ১০ আৰু ১১ জানুৱাৰীত পঞ্চম বাৰ্ষিক জাজৰি অধিৱেশন

# সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ সভা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ বালি গাঁও আঞ্চলিক সমিতিৰ এখন বৰ্ধিত কাৰ্যকৰী সভা ১৪ চেপ্তেম্বৰ তাৰিখে হিৰ'জ ক্লাবৰ সভাকক্ষত অনুষ্ঠিত হয়। সমাজকৰ্মী দুচ মোচাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপ-সভাপতি মোছলেহুল ইছলাম, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মকিব আহমেদ, মৰিগাঁও জিলা সমিতিৰ সভাপতি আতাউৰ ৰহমান, উপ-সভাপতি চাহাবুদ্দিন আহমেদ, নৌচাদ আলী, সম্পাদক আনিচুৰ ৰহমান, যুটীয়া সম্পাদক আব্দুল জলিল ৰাগিবী, শিক্ষা আৰু প্ৰচাৰ সম্পাদক আলহাজ হুছেইন প্ৰমুখ্যে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে। মুখ্য অতিথিৰ ভাষণ প্ৰসংগত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপ-সভাপতি মোছলেহুল ইছলামে প্ৰায় বাৰ লক্ষাধিক জনসংখ্যাৰ গৰীয়া জনগোষ্ঠীৰ লোকসকলক অ'বিচিৰ মৰ্যাদা প্ৰদানৰ দাবী জনোৱাৰ লগতে অতি কম দিনতে চৰকাৰিভাৱে আৰু জনগোষ্ঠীটোৰ নিজস্ব প্ৰচেষ্টাত জৰীপ কাৰ্য সম্পাদনৰ বিষয়েও ৰাইজক অৱগত কৰে। সাংগঠনিক ক্ষেত্ৰত সংগঠনৰ কৰ্মী সকলে গ্ৰহণ কৰা ভূমিকাৰ বিষয়েও বক্তব্য আগবঢ়াই প্ৰকৃত গৰীয়াৰ স্পষ্ট সংজ্ঞা নিৰূপণ সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। জিলা সভাপতি আতাউৰ ৰহমান আৰু কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মকিব আহমেদেও গৰীয়া জাতীয় পৰিষদৰ সাংবিধানিক দিশত আলোচনা আগবঢ়াই আগন্তুক বৰ্ষৰ ৯, ১০ আৰু ১১ জানুৱাৰীত মৰিগাঁও জিলাৰ জাজড়িত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ পঞ্চম বাৰ্ষিক অধিৱেশনৰ আয়োজন কৰাৰ বিষয়ে সদৰি কৰি সকলোৰে পূৰ্ণ সহযোগিতা কামনা কৰে। ছাজিদ জামাল আহমেদে আঁত ধৰা সভাখনৰ আৰম্ভণিতে সংগঠনটোৰ শীৰ্ষ গীতটি সমূহীয়াভাৱে পৰিৱেশন কৰে। সভাতেই ভাৰপ্ৰাপ্ত সভাপতি মইদুল ইছলামক সভাপতি, বদৰুল ইছলামক সম্পাদক হিচাপে আৰু আন আন পদবীত স্থানীয় যুৱ নেতৃত্বক দায়িত্ব অৰ্পণ কৰি বালি গাওঁ আঞ্চলিক সমিতিখন বৰ্ধিত ৰূপত গঠন কৰি দায়িত্বভাৰ অৰ্পণ কৰে। সমজুৱাৰ হৈ মোছাদ্দিক মহম্মদে কেতবোৰ পৰামৰ্শ আগবঢ়ায়। জাতীয় সংগীত

### আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা আয়োজনৰ সিদ্ধান্ত, ১৭ অক্টোবৰত শুভাৰম্ভ

# বকো ক্ৰীড়া সন্থাৰ বিশেষ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, বকো, ১৬ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত পৰিচালিত বকো ক্ৰীড়া সন্থাৰ আজি বিশেষ কাৰ্য্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভাই আত ধৰা সভাত পৌৰোহিত্য কৰে বকো ক্ৰীড়া সন্থাৰ সভাপতি তথা ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য অৰ্জুন চেত্ৰীয়ে। উল্লেখ্য যে; বকো ক্ৰীড়া সন্থাৰ উদ্যোগত প্ৰতি বছৰে আয়োজন কৰা হয় বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। ইফালে আজিৰ সভাই সৰ্বসন্মতিক্ৰমে এই বৰ্ষও বাৰ্ষিক ফুটবল প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰাপ্ত তথ্য অনুসৰি এই বৰ্ষত ৩২ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে প্ৰাইজমানি আমন্ত্ৰণ মুলক ফুটবল প্ৰতিযোগিতা খন। বকো ক্ৰীড়া সন্থাৰ সভাপতি অৰ্জুন চেত্ৰী আৰু সাধাৰণ সম্পাদক সুমিত ৰাভাই জনোৱা মতে, এই বেলিও বকো ক্ৰীড়া সন্থাৰ উদ্যোগত প্ৰয়াত মুক্তিযোদ্ধা ভুৱন চন্দ্ৰ দাস আৰু প্ৰয়াত সমাজ সেৱিকা প্ৰফুল্ল বালা দাস সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। ইফালে ফুটবল প্ৰতিযোগিতাৰ প্ৰাইজমাণিৰ দাতা তথা যুৱ সমাজ কৰ্মী পৰাণজ্যোতি দাসে জনোৱা অনুসৰি ক্ৰীড়া সন্থাৰ সিদ্ধান্তক তেওঁ আদৰণি জনায় লগতে বকো ক্ৰীড়া সন্থাৰ গৰিমা অক্ষুণ্ণ ৰাখি সকলোৰে সহযোগিতা কামনা কৰে। সভাত বকো ক্ৰীড়া সন্থাৰ উপদেষ্টা ৰমেশ চন্দ্ৰ ডেকা, অসম চৰকাৰৰ কামৰূপ জিলা পৰিষদৰ সদস্য তথা ক্ৰীড়া সন্থাৰ উপ সভাপতি কান্থু ৰাম ৰাভা, দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতি তথা বিশিষ্ট ক্ৰীড়া সংগঠক মনোৰঞ্জন কলিতা, ফুটবল সন্থাৰ সভাপতি জগত ৰাভা, উপদেষ্টা গোপাল শৰ্মা, বকো ক্ৰীড়া সন্থাৰ বিভিন্ন ক্ৰীড়া বিভাগৰ দায়িত্বত থকা সভাপতি-সম্পাদক সকলোৰ লগতে ৰঞ্জিত বড়ো, অমৰেন্দ্ৰ অধিকাৰী, দীপক কুমাৰ ৰাভা, প্ৰবীণ তালুকদাৰ, ৰঞ্জিত দলৈ, পৱন কলিতা, ধনঞ্জয় ৰাভা, মনেশ্বৰ ৰাভা, গকুল বড়ো, অজিত আলীৰ উপৰিও বহু সংখ্যক ক্ৰীড়া সংগঠক আৰু খেলুৱৈয়ে অংশগ্ৰহণ কৰে। সভাতেই অহা ১৭ অক্টোবৰৰ পৰা প্ৰতিযোগিতাখন আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# বৰডুমচাত 'কা' বাতিলৰ দাবীত অসমীয়া যুৱ মঞ্চৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৬ ছেপ্টেম্বৰ ঃ** নাগৰিকত্ব সংশোধনী আইন(কা) বাতিলৰ দাবীত পুনৰ উত্তপ্ত হৈ পৰিছে ৰাজ্যৰ পৰিৱেশ। ৰাজ্যৰ একাধিক দল-সংগঠনে পুনৰ 'কা' বাতিলৰ দাবীত ৰূপায়ণ কৰিছে প্ৰতিবাদী কাৰ্যসূচী। অসমীয়া যুৱ মঞ্চয়ো 'কা' বাতিলৰ দাবীত ইতিমধ্যে ঘোষণা কৰিছে প্ৰতিবাদী কাৰ্যসূচী। অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে আজি তিনিচুকীয়া জিলাৰ বৰডুমচাত অসমীয়া যুৱ মঞ্চই সাব্যস্ত কৰিলে প্ৰতিবাদ। অসমীয়া যুৱ মঞ্চৰ অৰ্দ্ধ শতাধিক কৰ্মীয়ে আজি অসম-অৰুণাচল সীমান্তৱৰ্তী বৰডুমচাত হাতে হাতে 'কা' বিৰোধী পোষ্টাৰ লৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। 'কা' আমি নামানো, 'কা' অসমৰ পৰা বাতিল কৰক আদি বিভিন্ন শ্ল'গানেৰে উত্তাল কৰি তোলে বৰডুমচাৰ আকাশ-বতাহ। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি গৌতম বৰুৱাই কয় যে সংগঠনৰ স্পষ্ট মত - 'কা' কোনো কাৰণতে অসমীয়াই মানি নলয়। 'কা' বাতিল নোহোৱা পৰ্যন্ত অসমীয়া যুৱ মঞ্চই প্ৰতিবাদ অব্যাহত ৰাখিব। বৰুৱাই লগতে আৰু কয়, "১৯৭১ চনৰ ৩১ মাৰ্চলৈকে অহা বিদেশীৰ বোজা ইতিমধ্যে অসমে গ্ৰহণ কৰিছে। গতিকে, পুনৰ কোনো কাৰণতে অসমে আৰু কোনো বিদেশীৰ বোজা গ্ৰহণ কৰিব নোৱাৰে। দেশৰ অন্য ৰাজ্যই বিদেশী বোজা গ্ৰহণ কৰক, তাত আমাৰ ক'ব লগা একো নাই কিন্তু অসমে গ্ৰহণ কৰিব নোৱাৰে।" বৰুৱাই অসমৰ পৰা অতি শীঘ্ৰে 'কা' বাতিল কৰিবলৈ দাবী জনায় অন্যথা পৰৱৰ্তী সময়ত অসমীয়া যুৱ মঞ্চই ৰাইজৰ সহযোগত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হব বুলিও হুংকাৰ প্ৰদান কৰে। 'কা' বাতিল নোহোৱা পৰ্যন্ত অসমীয়াই ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি যাব বুলিও ক'য় সভাপতি গৌতম বৰুৱাই।

# বিশিষ্ট চলচ্চিত্ৰ আৰু মঞ্চ অভিনেতা, পৰিচালক প্ৰাঞ্জল শইকীয়াক 'সুন্দৰা নটুৱা' বঁটা প্ৰদান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ লগত সংগতি ৰাখি দক্ষিণ বৰপেটা শ্ৰীশ্ৰীমাধৱদেৱ সোঁৱৰণী সমিতিয়ে বিশিষ্ট চলচ্চিত্ৰ আৰু মঞ্চ অভিনেতা, পৰিচালক প্ৰাঞ্জল শইকীয়াক 'সুন্দৰা নটুৱা' বঁটা প্ৰদান কৰে। বৰপেটা সত্ৰৰ দালানৰ সন্মুখত অনুষ্ঠিত মাধৱদেৱ গুৰুজনাৰ তিৰোভাৱ তিথিৰ সোঁৱৰণী সভাত বৃহস্পতিবাৰে নিশা বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক বাপজনাই প্ৰাঞ্জল শইকীয়াক এখন চেলেং চাদৰ, স্মাৰক, প্ৰতীক, প্ৰশস্তি পত্ৰ আৰু দহ হাজাৰ টকা নগদ ধনসহ সুন্দৰা নটুৱা বঁটা প্ৰদান কৰে। এই সোঁৱৰণী সভাত বিশিষ্ট সাংবাদিক প্ৰশান্ত ৰাজগুৰুৱে নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে দক্ষিণ বৰপেটা শ্ৰীশ্ৰী মাধৱদেৱ সোঁৱৰণী সমিতিৰ তৰফৰ পৰা গুৰুজনাৰ একান্ত অনুগত, নৃত্যপটু, কাৰুশিল্পী 'সুন্দৰা নটুৱা'ৰ নামত এই বৰ্ষৰ পৰা এটি বঁটা প্ৰৱৰ্তন কৰা হৈছিল। সত্ৰীয়া শিল্পী প্ৰয়াত মনোৰঞ্জন দাস স্মাৰক 'সুন্দৰা নটুৱা' বঁটা এইবেলি প্ৰাঞ্জল শইকীয়াক প্ৰদান কৰা হয়। সংগীত নাটক একাডেমীৰ সৈতে যুক্ত হৈ অংকীয়া নাটৰ উৎকৰ্ষ সাধন আৰু প্ৰচাৰৰ ক্ষেত্ৰত আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে প্ৰাঞ্জল শইকীয়ালৈ এই সন্মান আগবঢ়োৱা হয়। স্মৰ্তব্য যে বৰপেটা সত্ৰ প্ৰতিষ্ঠাৰ সময়ত সত্ৰত অভিনীত নাট, গায়ন-বায়ন আদিৰ লগতে সত্ৰৰ সেৱায়িত কৰ্মৰ দায়িত্ব লাভ কৰা সুন্দৰা নটুৱা দক্ষিণহাটী গায়ন-বায়ন গোটৰ মূল পুৰুষ আছিল। এনে এগৰাকী কুশলী শিল্পী তথা সত্ৰীয়া সাধকৰ নামত লাভ কৰা বঁটাই জীৱন ধন্য কৰা বুলিও সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে সুন্দৰা নটুৱা বঁটা প্ৰাপক প্ৰাঞ্জল শইকীয়াই।

# অভয়াপুৰী শিৱপুৰত দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰী শনি পূজা পালন

**অসম বাৰ্তা, লেংটিছিঙা, ১৬ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী শিৱপুৰ শনি মন্দিৰ প্ৰাঙ্গণত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ল শ্ৰীশ্ৰী শনি পূজা। এই দুদিনীয়া পূজাত যথেষ্টসংখ্যক ভক্তৰ আগমন ঘটে মন্দিৰ প্ৰাঙ্গণত। পূজা উপলক্ষে শিৱপুৰৰ পৰা আৰম্ভ কৰি দূৰ-দূৰণিৰ অঞ্চলসমূহৰ ভক্তই ভক্তি-আৰাধনাৰে শনি মহাৰাজৰ পূজা-অৰ্চনাত অংশগ্ৰহণ কৰে। প্ৰথম দিনা পূজা আৰ্হি ভোগ প্ৰদানৰ পিছতেই আবেলি অনুষ্ঠিত হয় বিশেষ নাম প্ৰসংগ। বাইহাটা চাৰিআলিৰ পৰা আমন্ত্ৰিত মিলিজুলি ছোৱালী নাগাৰা নাম দলৰ ভক্তিৰসে ভৰা নাম প্ৰসংগই মন্দিৰ প্ৰাঙ্গণত উপস্থিত হাজাৰ হাজাৰ লোকৰ হৃদয়ত জয় কৰে। দ্বিতীয় দিনটোত আয়োজন কৰা হয় একক নৃত্য প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত বিভিন্ন অঞ্চলৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভাৰ উজ্জ্বল প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাৰ মাজেৰে সাংস্কৃতিক চেতনাৰ সৈতে ভক্তিৰসো প্ৰকট হয়। পূজা পৰিচালনাৰ বাবে পূজা পৰিচালনা সমিতিৰ সভাপতি নাৰায়ণ দাস, কাৰ্যকৰী সভাপতি বিজয় দাস, সম্পাদক নাৰায়ণ মণ্ডল, যুটীয়া সম্পাদক লক্ষণ মণ্ডল আৰু প্ৰসেনজিৎ সৰকাৰে পূজাখনৰ সকলো কাৰ্যসূচী নিখুঁতভাৱে পৰিচালনা কৰাত সহযোগ কৰা বাবে ভক্তপ্ৰাণ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। সাংস্কৃতিক বিভাগত দায়িত্ব গ্ৰহণ কৰি পূজাখন অধিক ৰঙীন আৰু সাফল্যমণ্ডিত কৰি তোলে উত্তম কুমাৰ মণ্ডল, কাজল সৰকাৰ, অশোক চৌধুৰী, দিলীপ দাস, কুঞ্জ কিশোৰ অধিকাৰী আৰু দুলাল দেই। দুদিনীয়া এই শ্ৰীশ্ৰী শনি পূজাই অভয়াপুৰী শিৱপুৰ মন্দিৰত সৃষ্টি কৰিলে এক অনন্য ভক্তিময় পৰিৱেশ। শনি মহাৰাজৰ ভক্তিৰসে ভৰা নাম প্ৰসংগ, ভোগ বিতৰণ, সাংস্কৃতিক কাৰ্যসূচীত শতাধিক ভক্তৰ একত্ৰ সমাগমই এই পূজাক মহিমামণ্ডিত কৰি তোলে।

# পঞ্চায়ত সচিবৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীলৈ ৱাৰ্ড সদস্যৰ অভিযোগ

**অসম বাৰ্তা, মোৰাঝাৰ, ১৬ ছেপ্টেম্বৰ ঃ** বিন্নাকান্দি সমষ্টিৰ অকচেক পথাৰ গাঁও পঞ্চায়তৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ 2022-2023-24 বৰ্ষৰ কামত পঞ্চায়ত সচিব মাতাব উদ্দিনে কৰা দুৰ্নীতি সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীলৈ তদন্ত বিচাৰি আবেদন দাখিল কৰে অকচেকপথাৰ গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডৰ সদস্য কমৰুল ইছলামে। অভিযোগ অনুসৰি অকচেক পথাৰ গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে 2022-2023-24 বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ কামত কৰা ব্যাপক দুৰ্নীতিয়ে চৰকাৰী ধনৰ অপচয় হৈছে। উল্লেখ্য যে চামৰালী তিনিআলী হাইস্কুলত মেৰামতিৰ নামত মুঠ আৱণ্টিত ২, ২০, ০০০ (দুই লাখ বিশ হাজাৰ) টকাৰ পুঁজিৰ অনুমোদন হৈছে কিন্তু ৫০/৬০ হাজাৰ টকাৰ কাম কৰি বাকী সমুদায় টকা আত্মসাৎ কৰা বুলি তেওঁ অভিযোগত উল্লেখ কৰিছে। একেদৰে পঞ্চায়তৰ বিল্ডিং নিৰ্মাণ আৰু চিলিংৰ কাম পূৰ্বেও এক আঁচনিত আছিল কিন্তু সচিব গৰাকীয়ে পুনৰ প্ৰাক কলন বিধি অনুসৰি বিল্ডিংৰ কাম কৰি চিলিংৰ কাম নকৰি পুনৰাই 2023-24 বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ ধনৰ পৰা চিলিংৰ নামত ১, ৪৬, ৫০০ টকা আৱণ্টন কৰে। উক্ত আৱণ্টিত টকাৰ ৫০, ০০০ টকাৰ কাম কৰি বাকী সমুদায় টকা আত্মসাৎ কৰে। মুঠতে পঞ্চায়তৰ সচিব গৰাকীয়ে দুৰ্নীতিৰ এক পাহাৰ গঢ়ি তুলিছে। পঞ্চায়ত সচিব গৰাকীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰণ শাখাৰ দ্বাৰা তদন্তৰ দাবী জনাই নিৰ্বাচিত ৱাৰ্ড সদস্যই অভিযোগ দাখিল কৰে।

# জে এন এম ছোৱালী উচ্চ বিদ্যালয়ত সফলতাৰে সম্পন্ন "সপ্তধাৰা" কাৰ্যসূচী

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ ছেপ্টেম্বৰ ঃ** অভয়াপুৰীৰ জে এন এম ছোৱালী উচ্চ বিদ্যালয়ত কালি "সপ্তধাৰা" কাৰ্যসূচী সফলতাৰে আয়োজন কৰা হয়। এই দিনটোৰ মুখ্য বিষয় আছিল "উপস্থাপনৰ ধাৰা", যাৰ অন্তৰ্গত কবিতা আবৃত্তি, গল্প পাঠ আৰু আকস্মিক বক্তৃতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ যত্ন কৰা হয়। এই কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসমৰ খ্যাতনামা আবৃত্তিকাৰ তথা অসম কবিতা আৰু সংস্কৃতি পৰিষদৰ সক্ৰিয় কৰ্মী ৰাধিকামোহন দাস। তেওঁ নিজৰ মূল্যবান ভাষণত কবিতা পাঠৰ ক্ষেত্ৰত উপস্থাপনাৰ গুৰুত্বৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। শ্ৰী দাসে উল্লেখ কৰে যে- "কবিতা পাঠ অথবা অন্য কোনো মঞ্চীয় অনুষ্ঠানত উপস্থাপনা এটা বিশেষ শিল্প। ইয়াৰ বাবে কিছু প্ৰাথমিক ধাপ অনুসৰণ কৰা অত্যন্ত প্ৰয়োজনীয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এই শিল্পটোক আয়ত্ত কৰি নিজস্ব অভিব্যক্তিৰ জৰিয়তে উদ্ভাসিত হোৱাৰ আহ্বান জনায়। তেওঁৰ মতে সাধুকথা, গল্প আদিত এক স্বাভাৱিক ছন্দ আৰু প্ৰকৃত অভিব্যক্তি থাকে, যি ছাত্ৰ-ছাত্ৰীসকলে মনোযোগ সহকাৰে লক্ষ্য কৰিলে আগতীয়াকৈ ৰাজহুৱাভাৱে মাইক্ৰোফোনত কথা কোৱাৰ সময়ত কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিব পাৰিব। সপ্তধাৰাৰ এই দিনটোৰ কাৰ্যসূচী অতি আকৰ্ষণীয়, মনোৰঞ্জক আৰু জ্ঞানবৰ্ধক আছিল। শ্ৰী দাসৰ দিশনিৰ্ণায়ক উপদেশ আৰু উৎসাহজনক কথাবোৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিঃসন্দেহে উপস্থাপন কলা আৰু জনবক্তৃতাৰ দক্ষতা উন্নত কৰিবলৈ প্ৰেৰণা যোগাব।



# ডিব্ৰুগড়ত ৰেডক্ৰছ চ'ছাইটিৰ ৬১ সংখ্যক সভা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ত ৰেডক্ৰচ চ'ছাইটিৰ ৬১ সংখ্যক মাহেকীয়া সভাখনি আজি চ'ছাইটি সদস্যসকলৰ উপস্থিতিত সম্পন্ন হয়। ডিব্ৰুগড়ৰ বিশিষ্ট ব্যৱসায়ী, সমাজসেৱক, মানৱ দৰদী তথা চ'ছাইটিৰ উপপৃষ্ঠপোষক আত্মাৰাম বিমৰীৱালৰ নৱনিৰ্মিত খলিহামাৰিস্থিত হোটেল "চিগনেট ইন"ত এই সভাখনি সম্পন্ন হয়। চ'ছাইটিৰ সভাপতি ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ সামৰি কাৰ্য্যপন্থা হাতত লোৱা হয়। এই ক্ষেত্ৰত চ'ছাইটিৰ সম্পাদক অনুজ কুমাৰ বৰুৱাই বিগত ৬০ সংখ্যক সভাৰ প্ৰতিবেদন পাঠকৰাৰ লগতে ইতিমধ্যে ৰূপায়িত হোৱা বিভিন্ন কাৰ্যৱলীৰ বিষয়ে সভাত ব্যক্ত কৰে। সভাত মূলতঃ স্বেচ্ছাসেৱী দলৰ গঠন আৰু প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা তথা অৰ্থ সংগ্ৰহ আৰু চ'ছাইটিৰ সদস্য সকলৰ বাবে পৰিচয় সূচক বেজ পৰিধানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সভাতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে সভাৰ আজীৱন সদস্যৰ পদ গ্ৰহণ কৰে। সভাত উপস্থিত ৰেডক্ৰছ চ'ছাইটিৰ উপ-পৃষ্ঠপোষক ডাঃ প্ৰণিত কুমাৰ চৌধুৰী আৰু আত্মাৰাম বিমৰীৱালে ৰেডক্ৰছৰ মূল লক্ষ্য আৰু উদ্দেশ্য সাৰোগত কৰি মানৱ সেৱাৰ বাবে সকলোকে হাত আগবঢ়াবলৈ অনুৰোধ জনায়। অনুষ্ঠানত ড° কৰবী ডেকা হাজৰিকা, ড° ৰুনুমা শৰ্মা, ড° ৰঘুনাথ বৰবৰা, আদি উপস্থিত থাকে। সভাৰ অন্তত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষত তেখেতৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" পৰিৱেশন কৰা হয় আৰু 'মৃত্যু জিনাৰ গান'- শীৰ্ষক কবিতাটি সভাৰ আজীৱন সদস্য কৃপাল কুমাৰ ফুকনে আবৃত্তি কৰি তেখেতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# দক্ষিণ আঁহতগুৰি চৈধ্যঘৰীয়াত ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়া

**অসম বাৰ্তা, দেৰগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ দক্ষিণ আহঁতগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত চিকাৰীঘাট সমীপৰ চকলা আৰু চৈধ্যঘৰীয়াত ব্ৰহ্মপুত্ৰৰ খহনীয়াই লৈছে ভয়ংকৰ ৰূপ। অঞ্চলটোৰ বহুকেইখন গাঁও ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ পাছত চিকাৰীঘাটৰ পৰা দেৰগাঁও আৰু ধোদাং সংযোগী পকী পথৰ কাষতে বহুকেইটা পৰিয়ালে আশ্ৰয় গ্ৰহণ কৰি দিন অতিবাহিত কৰিছিল। এই পথৰ দাঁতিতে চৈধ্যঘৰীয়া নামঘৰ, ধূপাবৰ সত্ৰ আৰু ব্ৰহ্মপুত্ৰ সৰ্বজনীন শিৱ মন্দিৰ স্থাপন কৰি অঞ্চলবাসীয়ে ধৰ্মীয় পৰম্পৰাও ৰক্ষা কৰি আহিছিল। শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰি চৈধ্যঘৰীয়া নামঘৰ, ব্ৰহ্মপুত্ৰ সৰ্বজনীন শিৱ মন্দিৰ, ধূপাবৰ সত্ৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। প্ৰভাত বৰা নামৰ ব্যক্তিগৰাকীৰ বাসগৃহৰ পিয়ালীয়ে ব্ৰহ্মহ্মপুত্ৰৰ গড়া হৈ পৰিছে। পূৰ্বে মাজুলী সমষ্টিৰ আৰু শেহতীয়াকৈ নৱগঠিত দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলটোত বিগত কেইবাবছৰ ধৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াই কাল ৰূপ ধাৰণ কৰি ভীমপাৰা, সাঁকোপাৰা, কৰৈগুৰি, বিলতীয়া, বাঘেধৰা আদি বহুকেইখন গাঁও নিচ্ছিন্ন কৰি পেলাইছে যদিও আজিলৈকে চৰকাৰীভাৱে অঞ্চলটোত কোনো ধৰণৰ এই সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব নিদিলে। যিকেইখন গাঁও বৰ্তমান বাকী আছিল সেইকেইখন গাঁও বৰ্তমান নিশ্চিহ্ন হোৱাৰ পথত। অঞ্চলটোত বিগত তিনিদিনৰ পৰা খহনীয়াই কাল ৰূপ ধাৰণ কৰাত ওৰে ৰাতি উজাগৰে কটাইছে স্থানীয় লোক সকলে। দেৰগাঁও সমজিলা প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষলৈ ৰাইজৰ দাবী শীঘ্ৰেই অঞ্চলটোত পদ্ধতিগতভাৱে খহনীয়া প্ৰতিৰোধৰ বাবে কাম কৰি গাঁওকেইখনৰ অৱশিষ্টখিনি সুৰক্ষিত কৰাব ব্যৱস্থা কৰক।

# ৰজাআলি আঞ্চলিক ক্ৰীড়া সন্থাৰ ফুটবল প্ৰতিযোগিতা শুভাৰম্ভণি



**অসম বাৰ্তা, কচুৱা, ১৬ ছেপ্টেম্বৰ ঃ** বিগত বৰ্ষৰ দৰে এইবাৰো নগাঁও জিলাৰ কচুৱাৰ ৰজাআলি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত একঁকালিন প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা খেলখন আজি শুভাৰম্ভণি কৰা হয়। কচুৱা মডেল হাস্পতালৰ চিকিৎসক তথা প্ৰথম পুৰস্কাৰ দাতা বৰদুল ইছলামে ফিটা কাটি খেলখন শুভাৰম্ভণি কৰে লগতে চিকিৎসক গৰাকীৰ লগত সংঘ দিয়ে ক্ৰীড়া সন্থাৰ সভাপতি হবিবুৰ ৰহমান, ইছলাম কাজি, আৰু আব্দুল হাসেনে। আজি এই ফুটবল খেলখনৰ শুভাৰম্ভণি অনুষ্ঠানত সভাপতিত্ব কৰে খেল পৰিচালনা কমিটীৰ সভাপতি জহুৰ আলীয়ে, খেল পৰিচালনা সমিতিৰ সম্পাদক জাকিৰ হুছেইনে আত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গাঁওবুঢ়া খাইৰুল ইছলাম সমাজসেৱক ক্ৰমে মতিউৰ ৰহমান, উমৰ আলী, মন্নাছ আলী, আবুল কাছেম, হিৰণ বৰা, আব্দুল জলিল, জয়নাল আবদিন, আব্দুল নছৰ, ফকৰ উদ্দিন, আব্দুল মালেক, ছাহ জাহান, তয়িবুৰ ৰহমান, মিনাল বৰা, ৰমজান আলীৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে। খেল পৰিচালনা কৰে মহিবুৰ ৰহমান ভূএগ্ৰা, খাইৰুল ইছলাম, আৰু লীলা শইকীয়াই। আজি শুভাৰম্ভণিৰ প্ৰথম দিনাই খেলখনত কেইবা শতাধিক ফুটবল প্ৰেমী দৰ্শকে খেল উপভোগ কৰে। শুভাৰম্ভণিৰ খেলখনত বৰপুখুৰীপাৰ টিবিনিং এফ চি ফুটবল দল বনাম বৰগাঁও ৰাইনু এফ চি মাজত খেল অনুষ্ঠিত হয়।

# আমগুৰিত বিপিন দত্ত আৰু দুলাল বৰুৱা সোঁৱৰণী ফুটবলত আমগুৰি টাউন ক্লাবৰ খিতাপ

**অসম বাৰ্তা, আমগুৰি, ১৬ ছেপ্টেম্বৰ ঃ** আমগুৰি টাউন ক্লাবে ফ্লাড লাইটৰ আলোকত আমগুৰি ষ্টেডিয়ামত আৰু আমগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত বিপিন দত্ত আৰু দুলাল বৰুৱা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত জামুগুৰি ফুটবল ক্লাবক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰে। যোৱা শনিবাৰৰ সন্ধিয়া অনুষ্ঠিত হোৱা উত্তেজনা পূৰ্ণ চূড়ান্ত খেলত নিৰ্ধাৰিত সময়ত গ'লশূন্যভাৱে অন্ত পৰে। অতিৰিক্ত সময়ত পাপু বৰ্মনৰ একমাত্ৰ গলে টাউন ক্লাবৰ জয় নিশ্চিত কৰে। পাপু বৰ্মনে চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। শিৱসাগৰ জিলা ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক মৃণাল চুতীয়াই চূড়ান্ত খেলখনৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত দাতা পৰিয়ালৰ সদস্য পুৰবী বৰুৱা, পৃথু ৰাজ দত্ত আৰু সদ্যপ্ৰয়াত ফুটবল সম্পাদক বিজু পালৰ পত্নী নিতু মিত্ৰ পালকে ধৰি বিভিন্ন গণ্যমান্য ব্যক্তিয়ে উপস্থিত থাকে। চূড়ান্ত খেলখনৰ ৰেফাৰীৰ দায়িত্বত থাকে বিশ্বজীৎ গগৈ, ৰাজীব গগৈ, সীমান্ত দুৱৰা আৰু পৰাগ জ্যোতি শৰ্মা। খেলৰ সামৰণিত আনুষ্ঠানিকভাৱে বিজয়ী আৰু বিজিত দলক বঁটা প্ৰদান কৰা হয়।

## সম্পাদকীয়

# অসমত পথ দুৰ্ঘটনা আৰু বিশ্বকৰ্মা পূজা

আজি বিশ্বকৰ্মা পূজা। ৰাস্তাৰ দুয়োকাষে, গেৰেজৰ ভিতৰে-বাহিৰে, যন্ত্ৰ-যানবাহনবোৰ ফুল-ধূপ-আৰতীৰে পূজাৰ প্ৰস্তুতি। আমাৰ সমাজত এই দিনটোৱে কেৱল এটা ধৰ্মীয় অনুষ্ঠানহে নহয়, আমাৰ দৈনন্দিন জীৱনত যন্ত্ৰপাতি আৰু বাহনৰ প্ৰতি এক আধ্যাত্মিক কৃতজ্ঞতা জ্ঞাপনৰ প্ৰকাশ। কিন্তু এই দিনটোতে এক উদ্বেগজনক তথ্য উলাই পৰিছে—বিগত চাৰি বছৰত অসমত ২৮, ৪৫০টা পথ দুৰ্ঘটনাত ১১, ৯৫৫জন লোকৰ মৃত্যু। গড়ে দৈনিক ২০টা দুৰ্ঘটনা, য'ত প্ৰতিদিন ৯ জনৰ প্ৰাণহানি আৰু ১৬জন আহত।

কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ৰ "ৰোড এক্সিডেণ্ট ইন ইণ্ডিয়া ২০২৩" ৰিপ'ৰ্টে অসমৰ বাবে এক ভয়ংকৰ আৰু উদ্বেগজনক চিত্ৰ আগত দাঙি ধৰিছে। ২০২৩ চনত মাত্ৰ এখন ৰাজ্যত ৭, ৪২১টা দুৰ্ঘটনাত ৩, ২৯৬ জনৰ মৃত্যু হৈছে। ইয়াৰে ৩, ১০১টা দুৰ্ঘটনাই প্ৰত্যক্ষভাৱে জীৱনহানি ঘটাইছে। এই সংখ্যাবোৰ কেৱল সংখ্যা হৈ নাথাকি, আমাৰ চকুৰ আগত হাজাৰ হাজাৰ ভগ্ন পৰিয়াল, অসংখ্য সপোনৰ সপোনৰ মৃত্যুৰ চিত্ৰ এখনি উলিয়াই আনে।

পথ দুৰ্ঘটনাৰ কাৰণবোৰো প্ৰতিবেদনত স্পষ্ট। ২০২৩ চনত, ২, ৯৭৯টা দুৰ্ঘটনাৰ মূল কাৰণ আছিল অত্যধিক গতি, ১০৬টা সুৰাপান কৰি বাহন চলোৱা, ১০৫টা মোবাইল ফোন ব্যৱহাৰ আৰু ২৭১টা দুৰ্ঘটনা ঘটিছিল পথৰ গাঁতৰ বাবে। ইয়াৰে এটা কথাই স্পষ্ট যে বেছিভাগ দুৰ্ঘটনাই ৰোধ কৰিব পৰা আছিল। ইয়াৰ বাবে দায়ী আমাৰ অসাৱধানতা, আইনৰ প্ৰতি অসন্মান আৰু পথ-নীতিৰ প্ৰতি উদাসীনতা। বিশেষকৈ লক্ষ্য কৰিবলগীয়া কথাটো হ'ল যে নিহতসকলৰ ভিতৰত সবাতোকৈ বেছি সংখ্যা ১৮-২৫ বছৰৰ যুৱক-যুৱতীৰ। দেশৰ ভৱিষ্যত, পৰিয়ালৰ আশা-আকাংক্ষাৰ কেন্দ্ৰবিন্দু এই যুৱশক্তিক আমি পথ দুৰ্ঘটনাত হেৰুৱাই থাকিলে ৰাজ্যৰ আগবাঢ়ি যোৱাৰ স্বপ্নটোৱেই ম্ৰিয়মাণ হ'ব।

আজি বিশ্বকৰ্মা পূজা। আমি আমাৰ গাড়ী-মটৰচাইকেলবোৰ সুসজ্জিত কৰি পূজা-অৰ্চনা কৰিম, মিঠাই খুৱাম, কিন্তু এই একে বাহনবোৰ আমি ৰাস্তাত অত্যধিক গতিত চলাও, ট্ৰেফিক নিয়ম উলংঘা কৰো, মোবাইল ফোনত কথা পাতি পাতি বা মদ্যপান কৰি চলাও। ই এক চৰম বিৰোধিতা নহয় নেকি? আমাৰ আচৰণ আৰু বিশ্বাসৰ মাজত এনে এক গভীৰ খাঁজ কিয়? পূজাৰ সময়ত আমি যি সাৱধানতা, শুদ্ধতা আৰু সন্মান দেখুৱাও, ৰাস্তাত সেই একেটা বাহন চলোৱাৰ সময়ত সেইবোৰ কিয় হেৰাই যায়?

ৰাজ্য চৰকাৰে পথ দুৰ্ঘটনা ৰোধৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা সত্ত্বেও উল্লেখযোগ্য সফলতা লাভ কৰা নাই। এতিয়া প্ৰয়োজন কঠোৰ-নিষ্ঠুৰ আইন প্ৰয়োগ। ড্ৰাইভিং লাইচেঞ্চ প্ৰদান কৰোঁতে কঠোৰ নিয়ম, ৰাস্তাত দ্ৰুতগতিত চলা বাহনবোৰৰ বিৰুদ্ধে কঠোৰ কৰ্ম, মদ্যপান কৰি বাহন চলোৱাৰ বিৰুদ্ধে জিৰো সহনশীলতা নীতি, আৰু পথৰ গাঁতবোৰ দ্ৰুত সন্মাৰ্জন কৰাটো অতি প্ৰয়োজন। তাৰ লগতে প্ৰয়োজন সামূহিক সচেতনতা। স্কুল-কলেজৰ পৰা আৰম্ভ কৰি যুৱসমাজক পথ সুৰক্ষাৰ শিক্ষা দিয়াটো বাধ্যতামূলক কৰিব লাগিব।

বিশ্বকৰ্মা দেৱতাক আমি যন্ত্ৰৰ স্ৰষ্টা হিচাপে পূজা কৰো। তেওঁৰ আশীৰ্বাদত আমাৰ বাহনবোৰ সুস্থ-সবল আৰু সুৰক্ষিত হ'ব বুলি আমি প্ৰাৰ্থনা কৰো। কিন্তু এই প্ৰাৰ্থনা তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া আমি আমাৰ বাহনবোৰক মৃত্যুৰ সঁজুলি নহয়, জীৱনৰ সহায়ক হিচাপে ব্যৱহাৰ কৰিম। পূজাৰ থালত ফুল-ধূপ আগবঢ়োৱাৰ লগতে প্ৰতিজন চালক, পথচাৰী আৰু নাগৰিকই পথ সুৰক্ষাৰ প্ৰতিশ্ৰুতিও আগবঢ়াওক। তেতিয়াহে বিশ্বকৰ্মা পূজাৰ আধ্যাত্মিকতা আৰু আমাৰ দৈনন্দিন জীৱনৰ মাজৰ এই বিচ্ছেদটোৱে আঁতৰি যাব। নহ'লে পূজাৰ ধূপৰ গোন্ধ আৰু দুৰ্ঘটনাৰ ৰক্তৰ গোন্ধৰ মাজত আমাৰ সমাজ এবাৰলৈও সুস্থিৰ হ'ব নোৱাৰিব।

**শংকৰ-মাধৱৰ যুগান্তকাৰী সৃষ্টিসমূহৰ এবিধ হ'ল বৰগীত। গুৰুজনাই বাৰকুৰি বৰগীত ৰচনা কৰিছিল, তাক বৰপেটাৰ কমলা গায়নে আওৱাবলৈ নিয়াত জুই লাগি পুৰি যায়। তেতিয়া শোকগ্ৰস্ত গুৰুজনাই নিজে আৰু গীত ৰচনা নকৰোঁ বুলি মাধৱদেৱক গীত ৰচনা কৰিবলৈ আজ্ঞা কৰিছিল। সেইমৰ্মে মাধৱদেৱে বৰগীত ৰচনা কৰে আৰু এই বৰগীতবোৰে শংকৰ-মাধৱক যুগমীয়া কৰাই নহয়, নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মাধৱদেৱৰ সৃষ্টিৰাজিৰ আঁৰত শংকৰদেৱৰ বৰঙণি থকাৰ কথা বৰগীতসমূহে নিশ্চিত কৰে।**

# শংকৰ-মাধৱৰ অভিন্নতা

**চম্পক কুমাৰ শৰ্মা**

শংকৰদেৱ আৰু মাধৱদেৱ এই দুগৰাকী মহাপুৰুষ আছিল নৱ-বৈষ্ণৱ ধৰ্মৰ গুৰিবঠা ধৰোঁতা; অসমীয়া জাতি গঠন বা জাতীয়তাবাদ নিৰ্মাণৰ প্ৰধান হোতা। তেৰাসবৰ এগৰাকীক বাদ দি আনগৰাকীৰ কথা ভাবিব নোৱাৰি। দুয়ো দুয়োৰে পৰিপূৰক স্বৰূপ আছিল। সেইবাবেই শংকৰ-মাধৱৰ মিলনক মণিকাঞ্চন সংযোগ বোলে।

শংকৰ-মাধৱৰ যুগান্তকাৰী সৃষ্টিসমূহৰ এবিধ হ'ল বৰগীত। গুৰুজনাই বাৰকুৰি বৰগীত ৰচনা কৰিছিল, তাক বৰপেটাৰ কমলা গায়নে আওৱাবলৈ নিয়াত জুই লাগি পুৰি যায়। তেতিয়া শোকগ্ৰস্ত গুৰুজনাই নিজে আৰু গীত ৰচনা নকৰোঁ বুলি মাধৱদেৱক গীত ৰচনা কৰিবলৈ আজ্ঞা কৰিছিল। সেইমৰ্মে মাধৱদেৱে বৰগীত ৰচনা কৰে আৰু এই বৰগীতবোৰে শংকৰ-মাধৱক যুগমীয়া কৰাই নহয়, নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মাধৱদেৱৰ সৃষ্টিৰাজিৰ আঁৰত শংকৰদেৱৰ বৰঙনি থকাৰ কথা বৰগীতসমূহে নিশ্চিত কৰে। একেদৰে শংকৰদেৱৰ সৃষ্টিৰাজিৰ আঁৰতো মাধৱদেৱৰ বিশেষ ভূমিকা থকাৰ কথা জনা যায়। অসমীয়া ৰামায়ণখনক পৰিপূৰ্ণ ৰূপ দিয়াৰ নিমিত্তে শংকৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদিকাণ্ড ৰচনা কৰিছে। শংকৰদেৱে যদি কীৰ্তন-দশম ৰচনা কৰিছে, মাধবদেৱে নামঘোষা-ৰত্নাৱলী ৰচনা কৰিছে। শংকৰদেৱে যদি অংকীয়া নাট ৰচনা কৰিছে, মাধৱদেৱে ঝুমুৰা ৰচনা কৰিছে।

চৰিততোলা প্ৰথা প্ৰৱৰ্তনেৰে জীৱনী সাহিত্য (চৰিত পুথি) ৰচনা কৰাৰ পৰম্পৰাৰ বীজ ৰোপণৰ জৰিয়তে নতুন দিগন্তৰ সূচনা কৰা মাধৱদেৱৰ ভক্তি আৰু ধৰ্মীয় চেতনা ইমানেই নিগূঢ় আৰু গভীৰ আছিল যে তেখেতৰ ক্ৰিয়াকলাপে এবিধ নতুন ভক্তিৰসৰ সন্ধান দিছে, যাক কোৱা হয় 'দাস্যভক্তিৰস'। তেখেতৰ আত্মলঘিমাই এই ৰসৰ উৎস। মাধৱদেৱৰ মন ঢাল খাইছিল বালক কৃষ্ণৰ প্ৰতি। বালক শ্ৰীকৃষ্ণৰ প্ৰতি তেখেতৰ সুগভীৰ ভক্তিৰ প্ৰতিফলন দেখা যায় মাধৱদেৱৰ ৰচনাৰাজিৰ মাজত। তেখেতৰ ৰচনাত শ্ৰীকৃষ্ণৰ বাল্যৰূপটোৱেহে বেছি গুৰুত্ব লাভ কৰিছিল। শ্ৰীকৃষ্ণৰ বাল্যৰূপৰ মাধ্যমত মাধবদেৱে বিষ্ণু-মাহাত্ম্য প্ৰকাশ কৰিছিল। নিষ্পাপ শিশুৰ কাৰ্যকলাপ লোকাত্মাক গভীৰতম প্ৰদেশৰপৰা মহৎ কাৰ্য কৰাৰ বাবে প্ৰেৰণা যোগায়। সেইবাবেই বালক শ্ৰীকৃষ্ণৰ প্ৰতি মাধবদেৱ আকৰ্ষিত হৈছিল।

মাধৱদেৱ আছিল বিদগ্ধ পণ্ডিত, অভিনেতা, কলাকাৰ, সংগীতজ্ঞ, সংগঠক, আদি বিচিত্ৰ প্ৰতিভাৰে পুষ্ট ওজস্বী ব্যক্তিত্বৰ গৰাকী। ভকত হিচাপে শংকৰদেৱতকৈও এঢাপ চ'ৰা আছিল মাধবদেৱ। জোৰণ পিন্ধোৱা কইনাক পৰিত্যাগ কৰি কেবল ধৰ্মচৰ্চা আৰু গুৰুসেহোৱাতে আত্মোৎসৰ্গ কৰিব পৰা লোক আছিল মাধবদেৱ। ব্যক্তিগত সুখ-দুখ, আশা-আকাংক্ষা, মান-অভিমান, ইচ্ছা-অনুভূতি সকলো ত্যাজি ব্ৰহ্মচৰ্যত মনোনিবেশ কৰি ত্যাগৰ মূৰ্তিমন্ত প্ৰতীক হৈ উঠা মাধৱদেৱৰ সংযোগেহে যে শংকৰদেৱক পৰিপূৰ্ণতা প্ৰদান কৰিছিল, তাত সন্দেহ নাই। দৈত্যাৰি ঠাকুৰে ৰচনা কৰা চৰিত পুথিত মাধৱদেৱে শংকৰদেৱক কৈছে-

"তোমাঠৈৰ সংগ আমি যি কালে লভিলো।
সেহিকালে জোৰণৰ কন্যা এৰি আইলো।।
তোমাঠৈৰ পদ সেবা কৰিবে ইচ্ছায়।
এতেকে বিবাহ কৰিবাক বাঞ্ছা নাই।।"

মাধৱদেৱে শংকৰদেৱৰ সেৱাৰ নিমিত্তে সৰ্বস্ব ত্যাগ কৰিব পাৰিছিল শঙ্কৰদেৱৰ গাৰ ছাঁৰ দৰে থাকি মাধবদেৱে কিদৰে গুৰুসেহোৱা কৰিছিল, তাক জানিব পাবি লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা 'শ্ৰীশংকৰদেৱ আৰু মাধবদেৱ' গ্ৰন্থৰ এই বাক্যকেইশাৰীত -

"মাধৱদেৱে নিতৌ পুৱা মাত্ৰকতে উঠি প্ৰাতঃকৃত্যাদি কৰি সংযম হৈ লৰালৰিকৈ শংকৰদেৱৰ ঘৰলৈ আহি গুৰুজনাৰ নিমিত্তে দাঁতোন, খৰিকা, তেল, পীৰা আদি স্নানৰ বাবে যতনাই থৈ গৈ নিজে স্নান কৰি আহি, গুৰুজনে স্নান কৰিবলৈ তপত পানী আৰু চুৰিয়া-গামোচা দিয়েহি। গুৰুজনে বহি ঈশ্বৰৰ কথা চৰ্চা কৰিবৰ নিমিত্তে কঠ পাৰি দিয়ে আৰু তাৰ পাছত কীৰ্তন ঘৰত বহি গুৰুজনৰ সৈতে নাম-প্ৰসংগ কৰে।"

আনকি গুৰুজনাৰ ভোজনৰ বাবে কাঁহী-পীৰা যতনাই দিয়া, বিশ্ৰামৰ বাবে শয্যা পাৰি দিয়া, বিশ্ৰামৰ সময়ত গুৰুৰ ভৰি পিটিকি দিয়া আদিবোৰ যেন মাধৱদেৱৰ নিত্য-নৈমিত্তিক কৰ্তব্য আছিল। দৈত্যাৰি ঠাকুৰে লিখিছে-

"স্নান কৰি শংকৰক
ভোজন কৰান্ত।।
শয্যাত শংকৰদেৱে শয়ন
কৰন্ত।
তৈল লৈয়া তান দুই চৰণ জান্তন্ত।।
শংকৰদেৱৰ নিদ্ৰা আসিলেক যেবে।
আদা খাব শংকৰৰ পাবে দিয়া তেবে।।
লাস কৰি নমাই থৈয়া দুখানি চৰণ।
তেবেসে আপুনি গৈয়া কৰন্ত ভোজন।।"

খোৱা-বোৱা, ফুৰা-চকা সকলোতে তীক্ষ্ণ নজৰ ৰখা মাধৱদেৱে এদিন গুৰুৰ লগত একেলগে শুব লগা হওঁতে গুৰুৰ বিছনাতকৈ অলপ নামনিতহে বিছনা পাৰি শুইছিল। অথচ শংকৰদেৱে বাৰে-বাৰে কৈছিল- "বৰাৰ পো তোমাৰ আমাৰ ভিন্ন ভাব নাই।"

তদানীন্তন কালৰ সামাজিক আৰু ৰাজনৈতিক বাতাবৰণ যে শংকৰ-মাধৱৰ অনুকূলে নাছিল, ই সৰ্বজন জ্ঞাত। পৰিস্থিতিৰ প্ৰতিকূলতাৰ বাবে শংকৰ-মাধৱ ইঠাইৰপৰা সিঠাইলৈ যাব লগা হৈছিল। 'তীৰ্থযাত্ৰাৰ বাবেও কেতিয়াবা দূৰণিলৈ গমন কৰিছিল। বেছিভাগ যাত্ৰাৰ সময়তে মাধৱদেৱে শংকৰদেৱক সংগ দিছিল। শংকৰদেৱে যাতে কোনো বাধা-বিঘিনিৰ সন্মুখীন হ'ব লগীয়া নহয়, তাৰ প্ৰতি মাধৱদেৱৰ চোকা নজৰ আছিল। নৌকা যাত্ৰাবোৰৰ সময়ত মাধৱদেৱে নিজৰ নাও বেগাই নি সন্ধিয়াৰ আগে আগে এডোখৰ নিৰাপদ ঠাইত ৰাখি শংকৰদেৱৰ বাবে বিশ্ৰামৰ ব্যৱস্থা কৰি ভাত-পানী ৰান্ধি ৰৈ আছিল, যাতে নৌকাৰপৰা নামিয়ে শংকৰদেৱে অনায়াসে খোৱা-বোৱা কৰি বিশ্ৰাম ল'ব পাৰে।

"বাসা সাজি ঠাই আৱতাই
নিত্যাগত।
শংকৰক ভোজন কৰান্ত প্ৰথমত।।
শংকৰদেৱৰ শয্যা পাৰিলন্ত সেবে।
প্ৰতিদিন মাধবে ভোজন কৰা তেবে।।
দিনেক মাধবদেৱে আগে গৈয়া বৈলা।
শংকৰদেৱক লাগি বাসা সাজি থৈলা।।"
(শ্ৰীশংকৰদেৱ আৰু মাধৱদেৱ চৰিত্ৰ, পৃষ্ঠা-৯৪)

এইমতে মাধৱদেৱে শংকৰদেৱৰ প্ৰতি সেৱা-সংকাৰ কৰি গৈছিল।

গুৰুভক্তিয়ে মাধৱদেৱক শংকৰদেৱৰ ইমান ওচৰ চপাই নিছে যে শংকৰদেৱে মাধৱক অভিন্ন ৰূপতহে দেখিছিল। শংকৰদেৱে এবাৰ মাধৱদেৱক এৰি কোচবেহাৰলৈ যাবলগীয়া হোৱাত মাধৱদেৱে গুৰুৰ চৰণত পৰি প্ৰাৰ্থনা কৰিলে যাতে গুৰুৱে মাধৱক নিজ পুত্ৰৰ দৰে মনত ৰাখে। তেতিয়া শংকৰদেৱে কৈছিল যে ভাৰ্যা, পুত্ৰ, ধন, জন সকলো অনিত্য। এইবোৰৰ হৰণ-ভগন হয়। মাধবদেৱ কিয় অনিত্য হ'ব? মাধবদেৱ অনিত্য নহয়, শংকৰদেৱৰ প্ৰাণ-বান্ধবহে। অৰ্থাৎ শংকৰদেৱৰ বাবে মাধৱদেৱ আছিল ভাৰ্যা, পুত্ৰ, কন্যা আদি আত্মীয়-কুটুম্বৰো ওপৰত। নিজপুত্ৰ ৰামানন্দক উদ্দেশি কৈছিল-

"আমি শক্তি ভক্তি বল পৰাক্ৰম বৰা পো হাতে থৈ আহিছোঁ সবে খানি" (কথাগুৰুচৰিত)।

বেজবৰুৱাৰ 'শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধবদেৱ' গ্ৰন্থত কথাখিনি এইদৰে পোৱা যায়-

"বঢ়াৰ পোৱে সৈতে মোৰ কোনো ভেদ নাই। বঢ়াৰ পোক মোৰ স্বৰূপ জানি গুৰু বুলি মানি তেওঁৰপৰা ধৰ্মবস্তু গ্ৰহণ কৰিবি।"

দৈত্যাৰি ঠাকুৰে আকৌ এইদৰে লিখিছে-

"বল-পৰাক্ৰম শক্তি ভক্তি পন্থ।
সবে আছে মাধৱত।।
তান মোৰ কিছু নাহিকে অন্তৰ।
জানিবা নিশ্চয় কৰি।।
মাধৱ আমাৰ পৰম বান্ধৱ।
মোৰ প্ৰাণ এবে সৰি।।"

মুঠ কথাত শংকৰদেৱে তেখেতৰ প্ৰিয় শিষ্য মাধৱদেৱক অভিন্ন বুলি কোৱাৰ অলেখ উদাহৰণ আৰু প্ৰমাণ আছে।



শংকৰ-মাধৱৰ এনে অভিন্নতাৰ বাবেই ড° সত্যেন্দ্ৰ নাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত মাধবদেৱক শংকৰদেৱৰ দ্বিতীয় বুলি কৈছে। ড° বাণীকান্ত কাকতিয়ে মাধৱদেৱৰ 'নামঘোষা'ৰ মাজত শংকৰদেৱক দেখিবলৈ পাইছে। নামঘোষাত কাকতিয়ে যি তিনিটা ভাবৰ ধাৰা দেখিছে, তাৰ প্ৰথমটো ধাৰাই হ'ল 'পুণ্যশ্লোক শংকৰস্মৃতি'। দৰাচলতে ভক্তি ভাবেৰে মাধৱদেৱে আগবাঢ়ি গৈ শংকৰদেৱত একীভূত হোৱাৰ যত্ন কৰিছিল। ইয়াৰ ফলতে মাধৱদেৱৰ গুৰুভটিমাৰ জন্ম হৈছিল।

শংকৰদেৱৰ পৰামৰ্শক্ৰমে এদিন মাধৱদেৱে 'ৰাজসূয়' কাব্যখন ৰচনা কৰিবলৈ সাঁচি গছৰ ছাল, মহী আদি যুগুতাইছিল। তাকে দেখি শংকৰদেৱৰ সম্বন্ধীয় ভায়েক ৰতিকান্তই মাধৱদেৱক ঠাট্টা কৰিলে। মনৰ দুখত মাধৱদেৱ কাব্য ৰচনাৰ পৰা বিৰত থাকিল। পাছত শংকৰদেৱে কথাটো জানিব পাৰি মাধৱদেৱক ক'লে-

"বঢ়াৰ পো, তোমাৰ আমাৰ ভিতৰত ভিন-পৰ নাই। এই কথা মন্দমতিসকলে নাজানি আন প্ৰকাৰে কল্পনা কৰে। আজিৰপৰা যত শাস্ত্ৰ কৰিব লাগিব সকলোকে তুমিহে ৰচনা কৰিবা, এই কথা মই নিশ্চয়কৈ ক'লোঁ।" (বেজবৰুৱাৰ 'শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ')

"দাদায়ো শাস্ত্ৰ কৰে তুমিও শাস্ত্ৰ কৰিবা, লোকে শুনিলে কি ক'ব?" এই বুলি ঠাট্টা কৰা ৰতিকান্তই পাছত নিজৰ ভুল ধৰিব পাৰি মাধৱদেৱৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা কৰিছিল। ৰতিকান্তই ক্ষমা মাগি কৈছিল- "শুনা আতা, শংকৰদাদা পৰ্বত সদৃশ আছিল, তেওঁৰ আঁৰত তুমি আছিলা। যেনেকৈ এটা পৰ্বতৰ আঁৰত আন এটা পৰ্বত থাকিলে আঁৰৰ পৰ্বতটো চকুত নপৰে, সেইদৰে দাদা থাকোঁতে তুমি চকুত নপৰিছিলা।" ৰতিকান্তৰ ভ্ৰম হৈছিল, কিন্তু ভ্ৰম আঁতৰো হৈছিল। আমিও বহুতে ভ্ৰমবশতঃ মাধৱ পৰ্বতক দেখা নাপাওঁ। শংকৰ-মাধৱৰ অভিন্নতা বা অভেদত্ব উপলব্ধি কৰিব নোৱাৰোঁ। পৰিণতিত আমি বহুতে শংকৰাৱেগ প্ৰদৰ্শনৰ সময়ত মাধৱদেৱক পাহৰি থাকোঁ। শংকৰদেৱে যি প্ৰতিকূল অৱস্থাৰ মাজতো ধৰ্মপ্ৰচাৰ কৰি অৱশেষত ৰজা নৰনাৰায়ণক শৰণ দিবলগীয়া পৰিবেশ উদ্ভৱ হোৱাত দেহত্যাগ কৰিবলগীয়া হৈছিল, ঠিক সেইদৰে মাধবদেৱৰো একে অৱস্থা আৰু একে পৰিণতি ঘটিছিল। সেই কথা হয়তো বহুজনে পাহৰি থাকে। শংকৰদেৱৰ মহাপ্ৰয়াণৰ পাছত মাধৱদেৱে গুৰুস্মৃতি সাৰোগত কৰি ভক্তি আন্দোলনৰ নেতৃত্ব বহন কৰিছিল যদিও প্ৰতিকূল অৱস্থাই লগ এৰা দিয়া নাছিল। চৰম প্ৰত্যাহ্বানৰ মাজেৰে শংকৰী চিন্তা-আদৰ্শ আগুৱাই নিব লগীয়া হৈছিল।

ৰজা নৰনাৰায়ণৰ মৃত্যুৰ পাছত পুত্ৰ লক্ষ্মীনাৰায়ণে কোচ ৰাজ্যৰ পশ্চিম অংশত আৰু চিলাৰায়ৰ পুত্ৰ ৰঘুৱে পুব অংশত ৰাজত্ব কৰিছিল। মাধৱদেৱে শেহকালত লক্ষ্মীনাৰায়ণ ৰজাৰ ৰাজ্যত আশ্ৰয় লৈছিল। মাধৱদেৱৰ পাণ্ডিত্য, ব্যক্তিত্ব আৰু ধৰ্মত লক্ষ্মীনাৰায়ণ এনেকৈ মুগ্ধ হ'ল যে, যিকোনো প্ৰকাৰে তেওঁ মাধৱদেৱৰ শিষ্য হ'বলৈ উদগ্ৰীৱ হৈ পৰিল। মাধৱদেৱে ৰজাক বুজালে যে ৰজাই এজন নিৰ্দিষ্ট ধৰ্মগুৰুত শৰণ লোৱাৰ প্ৰয়োজন নাই। ৰজাৰ শৰণে শাসন কাৰ্যত বিঘিনি ঘটাব পাৰে। গতিকে সেই কাৰণতে ৰজা নৰনাৰায়ণক শৰণ নিদিবৰ বাবেই শংকৰদেৱে পৃথিৱী এৰি গুচি গৈছে। বহু বুজোৱাৰ পাছতো লক্ষ্মীনাৰায়ণে নামানে। মাধৱদেৱৰ ওচৰত শৰণ ল'বই। যথাসময়ত শৰণ ল'বৰ বাবে ৰজাই মাধৱদেৱক অনোৱাৰ ব্যৱস্থা কৰিলে। মাধবদেৱৰ হাত-মুখ ধুই নতুন বস্ত্ৰ পৰিধান কৰি সাজু হ'ল। ভকত-শিষ্যসকলে ভাবিলে মাধৱদেৱ ৰজাৰ ঘৰলৈ যাবলৈ ওলাইছে। কিন্তু...? ইয়াৰ পাছৰ কথাখিনি বেজবৰুৱাই এইদৰে লিখিছে-

"তাৰ পিছত মাধৱেদেৱে শয্যাত বহি যোগাসন কৰি ৰৈ মুখেৰে মাত্ৰ হৰি হৰি উচ্চাৰণ কৰিবলৈ ধৰিলে। সেৱকসকলে তেতিয়াহে বুজিলে যে গুৰুজনা চলিব। ৰামচৰণ ঠাকুৰে কান্দি কান্দি, মোমায়েকক সাবট মাৰি ধৰিলেগৈ। সেৱকসকলে হৰিধ্বনি কৰিবলৈ ধৰিলে। মাধৱদেৱে ৰাম ৰাম উচ্চাৰণ কৰি পৰমাত্মাত আত্মাক স্থাপন কৰি ব্ৰহ্মত লীন হৈ মানৱলীলা সম্বৰণ কৰিলে।"

অৰ্থাৎ শংকৰদেৱ যি পৰিস্থিতিত, যি কাৰণত, যি বাটেৰে, যি পদ্ধতিৰে গুচি গ'ল, ঠিক একে পৰিস্থিতিত, একে কাৰণত, একে বাটেৰে, একে পদ্ধতিৰে মাধৱদেৱো গুচি গ'ল। মাধবদেৱ যেন বেলেগ এজন নহয়, স্বয়ং শংকৰদেৱহে।

## প্ৰমোদ দোৱনীয়া

জন্মিলে মৃত্যু অৱধাৰিত। জন্মৰ লগতে মৃত্যু লাগি আছে। যাৰ জন্ম নাই; তাৰ মৃত্যুও নাই। কিন্তু, ব্ৰহ্মাকে আদি কৰি কীট-পতঙ্গলৈকে যি জন্ম হৈছে তেওঁলোকে জন্মৰ লগতে মৃত্যুও লৈ আহিছে। গতিকে, জন্মজাত কোনো জীৱই নমৰো বুলি বা অমৰ হৈ থাকিব নোৱাৰে। অৰ্থাৎ, প্ৰাণী মাত্ৰেই মৰণশীল।

# পবিত্ৰ ভাদমাহটোত মাহজুৰি লোৱা নামৰ অন্তত মোৰ উপলব্ধি

# মৃত্যু জীনাৰ উপায়



'মৃত্যুৰ মুখত পৰি আছে যিটো সিটো নৰে
হৰি গুণ কীৰ্ত্তন নকৰে।
মৃত্যু তৰিবাৰ জানা নাহিকে উপায় আন
হৰিনাম কীৰ্ত্তনত পৰে।।'
।। শংকৰদেৱ।।

গোটেই এই পবিত্ৰ ভাদমাহটোত অসমৰ সত্ৰ নামঘৰ আদিত ভগৱানৰ নাম কীৰ্ত্তনে ভক্তপ্ৰাণ ৰাইজৰ মন-প্ৰাণ উতলা কৰি আছে। দুই এদিনতে ভাদ শেষ হ'ব। ভাদ শেষ মানে সত্ৰই নামঘৰে নিত্য-নৈমিত্তিক নামলোৱা পৰ্বও শেষ। গতিকে, মাহজোৰা নামৰ অন্তত মোৰনো কি উপলব্ধি হ'ল তাকে এই লিখনিৰ যোগেদি প্ৰকাশ কৰিলো।



জন্মিলে মৃত্যু অৱধাৰিত। জন্মৰ লগতে মৃত্যু লাগি আছে। যাৰ জন্ম নাই ;তাৰ মৃত্যুও নাই। কিন্তু, ব্ৰহ্মাকে আদি কৰি কীট-পতঙ্গলৈকে যি জন্ম হৈছে তেওঁলোকে জন্মৰ লগতে মৃত্যুও লৈ আহিছে। গতিকে, জন্মজাত কোনো জীৱই নমৰো বুলি বা অমৰ হৈ থাকিব নোৱাৰে। অৰ্থাৎ, প্ৰাণী মাত্ৰেই মৰণশীল। ওপৰৰ ঘোষা ফাকিত গুৰু জনায়— মৃত্যু মুখত পৰি থকা মানুহৰ মায়াৰ সংসাৰ চক্ৰত ভ্ৰমণ কৰি অনাদি কালৰ পৰা ভোগ-নিকাৰৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি তাৰ সহজ উপায় দিছে। বোলে কাল মৃত্যুৰ বেলা হৰিনাম লোৱাই শ্ৰেষ্ঠ। হৰিনামে সকলো শুদ্ধ কৰে।যাগ-যজ্ঞ, পূজা-সেৱা যিমানেই নকৰিলেও হৰিনামেহে গতি দিয়ে—এয়ে হ'ল ঘোষা ফাকিৰ তাৎপৰ্য।

বিভিন্ন শাস্ত্ৰই কয় বোলে—নিজ কৰ্মফল ভোগ কৰাৰ কাৰণে মানুহে বাৰে বাৰে সংসাৰলৈ আহি জন্ম-মৃত্যুৰ যান্ত্ৰণা ভোগ কৰে। গতিকে, এই সংসাৰ নিকাৰৰ পৰা হাত সৰাৰ একমাত্ৰ উপায় হৈছে— হৰিনাম কীৰ্ত্তন। ভকতৰ সংগত থাকি হৰিৰ নাম গুণ শ্ৰৱন-কীৰ্ত্তন কৰিলে মানুহে কৃষ্ণৰ কৃপাত সংসাৰৰ জ্বালা-যান্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাই পৰম গতি লাভ কৰিব পাৰে। এনে হ'লে মানুহে জন্ম-মৃতুৰ পৰা হাত সাৰি বৈকুণ্ঠত স্থান লাভ কৰি পৰম আনন্দত সুখে-সন্তোষে থকিব পাৰে। এই কথা আমি কোৱা নাই; মৃত্যুৰ ভয়ত জৰ্জৰিত মহাজ্ঞানী ৰজা পৰিক্ষীতক মৃত্যু তাৰণৰ উপায় হিচাপে মহাভাগৱতত স্বয়ং শুকমুণিয়ে ক'ব লগীয়া হৈছিল অন্যথা কি সাধ্য সাধাৰণ নৰ মনিষে দেৱতাসকলৰ বস্তু মহাভাগৱত কথা শুনে(?)

মহাভাৰতৰ এক কাহিনীমতে—এদিন মহাজ্ঞানী পৰিক্ষীত জম্বুদ্বীপত মৃগয়া কৰিবলৈ গৈছিল। এটা হৰিণাৰ পিছে পিছে লৌৰি-ঢাপৰি থাকোঁতে ৰজাৰ পিয়াঁহত অষ্ঠ-কণ্ঠ শুকাই গ'ল। জম্বুদ্বীপৰ কাষতে আছিল মহাজ্ঞানী , মহাধ্যানী সমীক মুনিৰ আশ্ৰম। পানী বিচাৰি ৰজা পৰিক্ষীত সমীক মুনিৰ আশ্ৰমত প্ৰবেশ কৰিলে। আশ্ৰমৰ ভিতৰত গৈ দেখে— মুনি একান্ত মনে ধ্যানত ৰত। তেওঁক ৰজাই বহুতোবাৰ পানী পানী বুলি পানী বিচাৰিলে। কিন্তু, একান্তমনে ধ্যানত থকাৰ কাৰণে মুনিয়ে সেই কথা নুশুনিলে। গতিকে, তৃষ্ণাতুৰ ৰজাৰ অলপ খং উঠিল। সেইয়ে, একো আন কথা চিন্তা নকৰি., মুনিৰ কাষতে পৰি থকা এডাল মৰা সাপ দেখি, সেই সাপডাল আনি মুনিৰ ডিঙিত আঁৰি দি ৰজা হস্তিনাপুৰলৈ গুচি আহিল। ক্ষন্তেক সময়ৰ পিছতে সমীক মুনিৰ পুত্ৰ 'তেজস্বী শৃঙ্গী' সেই ঠাইলৈ আহি দেউতাকৰ ডিঙিত সাপডাল দেখি খঙত জ্বলি-পকি উঠি, কোনে পিতাকৰ ডিঙিত সাপডাল মেৰিয়াই দিলে, সেই গৰাকীলোকৰ সাত দিনৰ ভিতৰত সৰ্প দংশনত মৃত্যু হ'ব বুলি ভয়ংকৰ 'চণ্ড শাপ' দিলে। আৰু পিতৃৰ অৱস্থা দেখি কান্দিবলৈ ধৰিলে। পুত্ৰৰ কান্দোনৰ শব্দত পিতাক সমীক মুনি সাৰ পালে আৰু চকুমেলি চাই ডিঙিৰ পৰা মৃত সাপটো আঁতৰাই পেলালে আৰু পুত্ৰক কন্দাৰ কাৰণ সুধিলে। পুত্ৰ মুখে পানী নেপায় পৰিক্ষীত ৰজাই পিতাকৰ ডিঙিত মৰা সাপটো মেৰিয়াই দিয়া বাবেই খং উঠি ঋষিপুত্ৰই পৰিক্ষীত ৰজাক সাত দিনৰ ভিতৰত তক্ষকে দংশন কৰি মৃত্যু মুখত পেলাব বুলি শাপ দিয়াৰ কথা ক'লে। কথাটো শুনি, সমীক মুনিয়ে মনতে বৰ বেজাৰ পাই বোলে— 'লঘুদোষত গুৰু দণ্ড'। এই বুলি কৈ পুতেকক খং কৰিলে । কাৰণ, সেই শাপৰ খণ্ডন নাই। এই শাপ অমোচন। গতিকে, তক্ষকৰ দংশনত ৰজা পৰিক্ষীতৰ মৃত্যু অনিবাৰ্য। কিন্তু, ৰজা নোহোৱা ৰাজ্য অমূলক। ৰজা নহ'লে দেশত শাসনহীনতা, অশৃংখল, অনাচাৰ, অত্যাচাৰ, চোৰ, ডকাইটি আদি বৃদ্ধি পাব। আচাৰ-বিচাৰ, ধৰ্ম-কৰ্ম আদি লোপ পাব। গতিকে, পুতেকৰ কৰ্মত মুনি সমীকে অন্তৰত মৰ্মান্তিক দুখ পালে আৰু অতি ধাৰ্মিক, নিস্পাপ ৰজা পৰিক্ষীতক ওলোটাই তেওঁলোকক শাপ দি প্ৰায়শ্চিত্ব কৰিবলৈ প্ৰাৰ্থনা কৰিলে। লগতে, অজ্ঞানীৰ দোষ মৰিষণৰ বাবে আৰু তক্ষকৰ দংশনৰ পৰা সাৱধান হ'বলৈ ক'বলৈ বুলি শিষ্যবৰ্গক ৰজাৰ ওচৰলৈ পঠিয়াই মুনি পুনৰ ধ্যানত বহিল। ইতিমধ্যে, ৰজা পৰিক্ষীতেও হস্তিনাপুৰত গৈ, কৃষ্ণৰ ধ্যানস্থ সমীক মুনিৰ ডিঙিত সাপ মেৰিয়াই দিয়া অপকৰ্মৰ বাবে অনুতপ্ত হ'ল। সময়ত সমীক মুনিৰ শিষ্যসকলৰ মুখে , ৰজা পৰিক্ষীতে ঋষি পুত্ৰ তেজস্বী শৃঙ্গীয়ে দিয়া শাপৰ কথা জানিব পাৰি—'যেনে কৰ্ম তেনে ফল' বুলিহে অনুভৱ কৰিলে। অৰ্থাৎ উচিত দণ্ড পাইছে বুলিহে ব্যক্ত কৰিলে। আৰু ঋষিৰ শাপ বিফলে নেযায় বুলি জানি ৰজা পৰিক্ষীতে পুত্ৰ জন্মেঞ্জয়ক ৰাজ্যভাৰ গতাই দি গংগাৰ পাৰত কু-শাসন পাৰি বহি নিৰ্দিষ্ট মৃত্যুৰ কাৰণে হৃদয়ত কৃষ্ণৰ মুৰ্ত্তি স্থাপন কৰি ধ্যানত বহিল। এই কথা জানিব পাৰি স্বৰ্গৰ পৰা দেৱতা সকলৰ লগতে ঋষি-মুনি সকল আহি গংগাৰ পাৰত সমাজ পাতি বহিল। ৰজাই সকলোকে পাদ্য-অৰ্ঘ দি প্ৰণাম জনালে। লগতে, সকলোকে হৈ যোৱা কৰ্মৰ বাবে 'তেজস্বী শৃঙ্গী'ৰ যি অভিশাপ তাক খণ্ডন নকৰিবলৈ অনুৰোধ কৰিলে।বোলে—

'এহিমানে আৰ্শীবাদ দিয়া ঋষিলোক।
নিজ কৰ্মে জন্ম মোৰ মৃত্যু তৈতে হোক।।'

এই বুলি কৈ পৰিক্ষীতে কৃষ্ণৰ চৰণ চিন্তা কৰিবলৈ ধৰিলে। পৰিক্ষীতৰ কৰ্ম দেখি দেৱতা সকলে পুস্প বৃষ্টি কৰিলে আৰু ঋষিসকলে সাধু সাধু বুলি প্ৰশংসা কৰিলে। লগতে , ঋষিসকলে সকলো পাপৰ পৰা উদ্ধাৰ পোৱাৰ উপায় হিচাপে ৰজা পৰিক্ষীতক কোনোৱে তপস্যা কৰিবলৈ , কোনোৱে জপ কৰিবলৈ, কোনোৱে ধ্যান কৰিবলৈ আৰু কোনোৱে তীৰ্থত স্নান কৰিবলৈ উপদেশ দিলে। ৰজা পৰিক্ষীতৰ কিন্তু কোনোটোৱেই মনঃপুত নহ'ল। তেনেতে ৰজা পৰিক্ষীতৰ ওচৰলৈ শুকদেৱ বা শুকমুনি আহিল। ৰজাই শুকমুনিক আদৰি আনি পাদ্য-অৰ্ঘ দি আসনত বহুৱালে আৰু মুনিক স্বয়ং কৃষ্ণ বুলি মানি সুধিলে বোলে—মৃত্যু কালত মানুহে কি কৰ্ম্ম কৰিব লাগে? কি কথা শুনিব লাগে? কাক স্মৰণ কৰিব লাগে? কোন দেৱতাক ভজিব লাগে? আৰু কোন বিলাক কথা শ্ৰৱন-কীৰ্ত্তনৰ কৰিবলাগে ? ৰজাৰ প্ৰেম-ভক্তিত তুষ্ট হৈ শুকমুনিয়ে বোলে—

বহুলাখ জন্মৰ পিছত জীৱই মনুষ্য জনম পায়। সৰ্বসাধাৰণতে মুমুৰ্ষু অৱস্থাত কৰ্ম্ম-কাণ্ডী মানুহে পুৰোহিতৰ দ্বাৰা পুজা-পাৰ্বণ, দান-দক্ষিণা আদি কৰি বৈতৰণী পাৰ হোৱাৰ চেষ্টা কৰে। কিন্তু, এনে কৰ্ম্ম কৰি মানুহে বৈতৰণী পাৰ হ'ব নোৱাৰে বা উদ্ধাৰ পাব নোৱাৰে। মৰণ সংকটৰ বেলা কেৱল 'গোবিন্দ'ৰ নাম চৰ্চনেহে বৈতৰণী পাৰ কৰিব পাৰে বা মুমুৰ্ষুজনক উদ্ধাৰ কৰিব পাৰে। মৰণৰ সময়ত বা কাল বেলা বা দেহ ত্যাগৰ সময়ত মানুহে যি ভাৱলৈ যায় জীৱাত্মাই সেই গতি লাভ কৰে। উদাহৰণ স্বৰূপে অজামিলে মৃত্যু কালত নাৰায়ণৰ নাম লোৱা কাৰণে পৰম গতি লাভ কৰিছিল। গতিকে, অন্তিম কালত হৰি নাম কীৰ্ত্তন তথা হৰিক স্মৰণ কৰিলে মানুহে হৰিৰ আশ্ৰয় পায়। গতিকে, জীৱনৰ অন্তিম কালত হৰিক লগ পালে সংসাৰ চক্ৰত পুনৰ জনম ল'ব নেলাগে। ইয়াকে বিভিন্ন শাস্ত্ৰই মৃত্যু তৰণ বা তাৰণ বুলিছে। অৱশ্যে মৃত্যু তাৰণৰ উপায় বিভিন্ন শাস্ত্ৰই বিভিন্ন প্ৰকাৰে দিছে। কৰ্ম্মমাৰ্গ, জ্ঞানমাৰ্গ, যোগমাৰ্গৰ দ্বাৰায়ো মৃত্যু তাৰণৰ উপায় দিছে। কিন্তু, এইবোৰ কলিকালত বিঘিনি যুক্ত। কৰ্মকাণ্ডৰ জৰিয়তে স্বৰ্গ পালেও এইবোৰ পুণ্য ক্ষয় হয় আৰু পুনৰ নৰকত পৰে। জ্ঞানমাৰ্গ ক্লেশকৰ আৰু কষ্টকৰ। যোগমাৰ্গত কঠোৰ সাধনা, যম, দম, নিয়ম, প্ৰাণায়াম, ধ্যান, ধাৰণা, আসন, সমাধি আদি বহুতো কঠোৰ নিয়ম পালন কৰিব লাগে। এইবোৰ কৰি পৰম গতি পোৱাতো অসম্ভৱ। গতিকে, এই মৃত্যু তৰণৰ বাবে কলিত হৰি নামৰ বাদে অন্য উপায় নাই বুলিছে ।

এই মৃত্যু তৰণৰ উপায় হিচাপে নামঘোষাত মাধৱ গুৰুজনাই কৈছে—

মৃত্যু তৰিবাৰ আন আছয় উপায় যত
বিঘিনি দুষিত নিৰন্তৰে।
বিঘিনি ৰহিত যত মাধৱৰ গুণ কৰ্ম্ম
কীৰ্ত্তন কৰিয়া সুখে তৰে।।

কৃষ্ণ কৃষ্ণ ।।

# ঐশ্বৰিক অভিযন্তা আৰু বিশ্বব্ৰহ্মাণ্ডৰ মুখ্য স্থপতিবিদ

বিশ্বকৰ্মা





বিশ্বস্ৰষ্টা ব্ৰহ্মাৰ পুত্ৰ বিশ্বকৰ্মা এজন স্থাপত্যবিদ্যা আৰু শিল্পৰ হিন্দু দেৱতা। ঋকবেদৰ মতে তেওঁ তেওঁৰ সৃজনশীল শক্তিৰ বলত গোটেই বিশ্বক ধৰি ৰাখিছে। তেওঁক দৈৱিক স্থাপত্যবিদ, অভিযন্তা আৰু বিশ্বৰ সৃষ্টকৰ্তা হিচাপে গণ্য কৰা হয়। তেওঁ দেৱতাৰ শিল্পী তথা তেওঁক দেৱশিল্পী হিচাপে অভিহিত কৰা হয়।

শিল্প নিৰ্মাণৰ লগত জড়িত হৈ থকা বিশ্বকৰ্মা কেৱল নিজেই স্ৰষ্টা বা শিল্পী নহয়, সমগ্ৰ শিল্পীসত্তা বা শিল্পীসমাজৰ কাৰিকৰ বা জন্মদাতা। তেওঁ বিশ্বস্ৰষ্টা ব্ৰহ্মাৰ পুত্ৰ। মানৱ সমাজৰ শিল্পজীৱী—মালাকাৰ, কঁহাৰ, শংখকাৰ, কাঠমিস্ত্ৰী, বয়নশিল্পী, কমাৰ, কুমাৰ, সোণাৰি, চিত্ৰকাৰ এই নটা সম্প্ৰদায় বিশ্বকৰ্মাৰ ঔৰসত শাপভ্ৰষ্টা দেৱ-নৰ্তকী ঘৃতাচীৰ গৰ্ভত জন্মগ্ৰহণ কৰে। তেওঁ নিজৰ এই সন্তানসকলক জীৱিকা অৰ্জনত পাৰদৰ্শী কৰি তুলি জগতত বেলেগ বেলেগ সম্প্ৰদায়ৰূপে প্ৰতিষ্ঠিত কৰে। সেয়ে বিশ্বকৰ্মাক আদি বুলি জানি বিভিন্ন শিল্পীগোষ্ঠীয়ে নিজৰ শিল্প-প্ৰতিষ্ঠানত আৰাধ্য হিচাপে পূজা কৰি আহিছে।

কৰ্ম আৰু যন্ত্ৰৰ দেৱতা বিশ্বকৰ্মা পূজিত হয় প্ৰতিবছৰ ভাদমাহৰ সংক্ৰান্তিত। ভাদৰ সংক্ৰান্তিত তেওঁৰ পূজাৰ কথা বৃহৎ-সংহিতাত পোৱা যায়। "গ্ৰীষ্মান্তৰ যি সূৰ্য মেঘ ৰচনা কৰি বৰ্ষণৰ মাধ্যমেৰে বিশ্বৰ কৰ্ম সংৰক্ষণ কৰে, তেৱেঁই হ'ল বিশ্বকৰ্মা।" অৰ্থাৎ ভাদৰ শেষত বৰ্ষাৰ অন্তত কৃষি-কৰ্মৰ পূৰ্ণতা হ'লে ফচলৰ বাবে প্ৰতীক্ষা আৰম্ভ হয়। সেয়ে সেই কৰ্মবিৰতিত, ভাদমাহৰ সংক্ৰান্তিত বিশ্বকৰ্মাক পূজা কৰি কৃতজ্ঞতা নিবেদন কৰা হয়। গতিকে বিশ্বকৰ্মা এসময়ত অকল শ্ৰমিকৰ নহয়, কৃষকৰো উপাস্য দেৱতা আছিল। বিশ্বৰ সমস্ত কৰ্ম-কাণ্ড বজাই ৰাখিবলৈ প্ৰাথমিক প্ৰয়োজন হ'ল মানুহৰ ক্ষুধা নিবৃত্তি। ক্ষুধা নিবৃত্তিৰ বাবে কৰা কৃষিকৰ্মক যিজনে সংৰক্ষণ কৰে তেৱেঁই বিশ্বকৰ্মা। সেয়ে তেওঁৰ পূজা সম্পন্ন হয় ভাদমাহৰ সংক্ৰান্তিত।



এই দিনটোত উদ্যোগ, কাৰখানা আৰু কৰ্মক্ষেত্ৰত বিশেষ পূজা কৰা হয়। বিশ্বকৰ্মাক ঐশ্বৰিক অভিযন্তা আৰু বিশ্বব্ৰহ্মাণ্ডৰ মুখ্য স্থপতি বিদ হিচাপে জনা যায়। এই দিনটো অভিযান্ত্ৰিক সম্প্ৰদায় আৰু পেছাদাৰীসকলৰ দ্বাৰা পূজা কৰা হয়। কাৰ্যালয় আৰু কৰ্মশালাত, সকলোৰে ভগৱান বিশ্বকৰ্মা দেৱৰ সন্মুখত তেওঁলোকৰ বাদ্যযন্ত্ৰৰ পূজা কৰে। এই পূজা ছেপ্টেম্বৰ মাহত সকলো শিল্পী, শিপিনী, শিল্পী আৰু ঔদ্যোগিক গৃহৰ দ্বাৰা সম্পন্ন কৰা হয়।

পৌৰাণিক কাহিনী অনুসৰি, তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ চহৰ দ্বাৰকা, যুধিষ্ঠিৰৰ চহৰ ইন্দ্ৰপ্ৰস্থ, সোণালী লংকা নিৰ্মাণ কৰিছিল। সমগ্ৰ পৃথিৱীখন সৃষ্টি কৰাৰ লগতে তেওঁ বহুতো সঁজুলিও তৈয়াৰ কৰিছিল। তেওঁ দেৱৰাজ ইন্দ্ৰৰ বজ্ৰকে ধৰি বহুতো ঐশ্বৰিক শাস্ত্ৰও সৃষ্টি কৰিছিল, যিবোৰ তেওঁ মহৰ্ষি দাধিচীৰ হাড়ৰ পৰা সৃষ্টি কৰিছিল। মহান দাধিচিয়ে জীয়াই থাকোঁতে তেওঁৰ হাড় দান কৰিছিল।

বেদত বিশ্বকৰ্মা মুখ্যত বিশ্বস্ৰষ্টা হ'লেও পুৰাণত তেওঁ দেৱতাসকলৰ শিল্পকাৰ্যসাধক। দেৱশিল্পীৰ ভূমিকাত তেওঁ সহস্ৰ শিল্পৰ অধিকৰ্তা। দেৱতাসকলৰ শিল্পকাৰ্যত সহযোগিতাৰ বাবে তেওঁ নিজৰ সন্তান ত্বষ্টাক নিযুক্ত ৰাখে— সেই কাহিনী বিষ্ণুপুৰাণত আছে যদিও ত্বষ্টাৰ নামোল্লেখ ঋগ্বেদতো আছে। বিশ্বকৰ্মা অকল শিল্প সৃষ্টিকৰ্তা মহাশিল্পীয়েই নহয়, তেওঁ একাধাৰে মহাবীৰ, দয়াদি অষ্টগুণযুক্ত, বৰ্মধাৰী মহাযোদ্ধা। তেওঁৰ চাৰিত্ৰিক সৌন্দৰ্য মুগ্ধকৰ। তেওঁ সৰ্ব-অভীষ্ট প্ৰদানকাৰী, কাৰুকাৰ্যসাধক। বেদত বিশ্বকৰ্মাক অজাত বা সনাতন পুৰুষৰূপে বৰ্ণনা কৰা হ'লেও পুৰাণত কোৱা হৈছে তেওঁৰ জন্ম ব্ৰহ্মাৰ নাভিদেশৰ পৰা। কাৰো কাৰো মতে বিশ্বকৰ্মা অষ্টবসুৰ অন্যতম প্ৰভাসৰ ঔৰসত বৃহস্পতিৰ ভগ্নী বৰবৰ্ণিনীৰ গৰ্ভত জন্মগ্ৰহণ কৰে। ব্ৰহ্মা আৰু বিশ্বকৰ্মা হ'ল সৃষ্টিৰ দুটা দিশৰ জাগতিক প্ৰকাশ। যিকোনো সৃষ্টিৰ মূলত দুটা শক্তি ক্ৰিয়াশীল—এটা মননশক্তি, আনটো কৰ্মশক্তি। মননশক্তিৰে পৰিকল্পনা স্থিৰ কৰি সেই পৰিকল্পনাক বাস্তৱ ৰূপায়ণ ঘটোৱা হয় কৰ্মশক্তিৰ দ্বাৰা। একেই বিধাতাৰ মনন বা চিন্তা বা জ্ঞানৰ দ্বাৰা সৃষ্টিৰ বহিৰ্প্ৰকাশ ঘটে ব্ৰহ্মাৰ দ্বাৰা আৰু বিধাতাই সৃষ্টি পৰিকল্পনা সুচিন্তিতৰূপে কৰ্মত ৰূপায়িত কৰে বিশ্বকৰ্মাৰ ৰূপত। এজন যদি কাৰণ হয়, আনজন তাৰ কাৰ্য।

সৃষ্টিৰ আদিযুগৰ পৰা বিভিন্ন যুগত বিশ্বকৰ্মা বিৰচিত শিল্প আৰু ভাস্কৰ্যৰ অনিন্দ্যসুন্দৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। দেৱশিল্পী বিশ্বকৰ্মা ৰচনা কৰে ইন্দ্ৰৰ স্বৰ্গৰাজ্যৰ ৰাজধানী ইন্দ্ৰপুৰী। ত্ৰেতাযুগত দেখা যায় দেৱাদিদেৱ মহাদেৱৰ অনুৰোধত তেওঁৰ ভক্ত ৰাৱণৰ বাবে বিশ্বকৰ্মাই তৈয়াৰ কৰে স্বৰ্ণলঙ্কা। কাৰো কাৰো মতে স্বৰ্ণলঙ্কা তৈয়াৰ কৰিছিল দৈত্যশিল্পী ময়দানৱ। ময়দানৱ আছিল স্বয়ং বিশ্বকৰ্মাৰ পুত্ৰ। হয় তেওঁ পুত্ৰক লগত লৈ স্বৰ্ণলঙ্কা নিৰ্মাণ কৰিছিল অথবা স্বৰ্ণলঙ্কা তৈয়াৰীৰ বাবে সুযোগ্য পুত্ৰৰ হাতত দায়িত্বভাৰ অৰ্পণ কৰিছিল। দ্বাপৰযুগত শ্ৰীকৃষ্ণই নিজৰ ৰাজধানী মথুৰানগৰীক জৰাসন্ধৰ হাতত অৰক্ষিত বুলি বিবেচনা কৰি সাগৰতীৰত নতুন ৰাজধানী দ্বাৰকানগৰী নিৰ্মাণৰ দায়িত্বভাৰ বিশ্বকৰ্মাৰ ওপৰত অৰ্পণ কৰে। নগৰ পৰিকল্পনাত দ্বাৰাৱতী অঞ্চলটো অপ্ৰশস্ত হোৱা বাবে সাগৰৰ পানী আঁতৰাই স্থলত পৰিণত কৰা হৈছিল। দ্বাৰকানগৰী ইমানেই সুদৃশ্য শিল্পসুষমামণ্ডিত হৈছিল যে, সেয়া দেৱৰাজ ইন্দ্ৰৰ ঈৰ্ষাৰ কাৰণ হৈ উঠে। তদুপৰি ধনপতি কুবেৰৰ বাবে নিৰ্মাণ কৰে তুলনাবিহীন অলকাপুৰী। মহামুনি অগস্ত্যৰ বাবে কুঞ্জৰ পৰ্বতত নিৰ্মাণ কৰে অগস্ত্যভৱন। অকল বাস্তুবিদ্যাই নহয়, সেতু নিৰ্মাণতো বিশ্বকৰ্মা আছিল সিদ্ধহস্ত। তৰঙ্গবিক্ষুব্ধ মহাসাগৰো তেওঁৰ ওচৰত হাৰ মানিছিল। সীতা উদ্ধাৰৰ বাসনাত ৰামচন্দ্ৰ যেতিয়া বান্দৰসেনাক লৈ সেতুবন্ধন ৰচনাত প্ৰবৃত্ত হয় তেতিয়া বিশ্বকৰ্মাই তেওঁক সৰ্বতোপ্ৰকাৰে সাহায্য কৰে। আচলতে বান্দৰসেনাৰ অন্যতম সেনাপতি নল আছিল স্বয়ং বিশ্বকৰ্মাৰ পুত্ৰ আৰু সেতু নিৰ্মাণৰ প্ৰধান কাৰিকৰ। বাস্তুবিজ্ঞানৰ উপৰিও বিশ্বকৰ্মা আয়ুধ বিশেষজ্ঞ বা অস্ত্ৰবিশাৰদো আছিল। নানা অস্ত্ৰ নিৰ্মাণ কৰি তেওঁ দেৱতাসকলক শক্তিশালী কৰি তোলে। দৈত্যৰ বিনাশৰ বাবে দেৱতাসকলৰ নতুন নতুন মাৰণাস্ত্ৰ বিজ্ঞ বিশ্বকৰ্মাৰেই উদ্ভাৱন। সৰ্বতো প্ৰযত্নেৰে তেওঁ দুখন ধনু তৈয়াৰ কৰে— যাৰ এখন তেওঁ শিৱক, আনখন বিষ্ণুক প্ৰদান কৰে। শিৱে সেই ধনুৰ সাহায্যতেই ত্ৰিলোকবিজয়ী ত্ৰিপুৰাসুৰক নিধন কৰি দেৱতাসকলক স্বৰ্গৰাজ্য পুনৰ ঘূৰাই দিয়ে। পৰৱৰ্তীকালত সেই হৰধনুকেই ভঙ্গ কৰি ৰামচন্দ্ৰই সীতাক পত্নী হিচাপে লাভ কৰে। যি মহাধনুখন বিশ্বকৰ্মাই বিষ্ণুক দিছিল, সেইখন বিষ্ণুৱে তেওঁৰ শ্ৰেষ্ঠ ভক্ত পৰশুৰামক দিয়ে। অমিত শক্তিশালী পৰশুৰামে সেই মহাধনুৰ সাহায্যতেই এই পৃথিৱীক একৈছবাৰ ক্ষত্ৰিয়শূন্য কৰে। বৃত্ৰাসুৰ বধৰ বাবে নৈমিষাৰণ্যত ধ্যানৰত মহামুনি দধিচী ইচ্ছামৃত্যু বৰণ কৰাত তেওঁৰ বুকুৰ অস্থিৰে বিশ্বকৰ্মাই যি বজ্ৰ তৈয়াৰ কৰে, সেই বজ্ৰৰেই ইন্দ্ৰই বৃত্ৰাসুৰক সংহাৰ কৰে। মহিষাসুৰ বধৰ বাবে বিশ্বকৰ্মাই দেৱী কাত্যায়ণী বা চণ্ডিকাক সৰ্বপ্ৰকাৰ বাধা-বিঘ্ন অতিক্ৰম কৰাৰ বাবে কবচকুণ্ডল দান কৰে। তাৰ লগতে বহু অস্ত্ৰ-শস্ত্ৰও দিয়ে। শ্ৰীবিষ্ণুৰ সুদৰ্শন চক্ৰ বিশ্বকৰ্মাৰ শিল্প অৱদান। নৱ নৱ অস্ত্ৰ-শস্ত্ৰৰ উদ্ভাৱন, নিৰ্মাণ, যথাসময়ত যথোপযুক্ত প্ৰয়োগ মহাবীৰ বিশ্বকৰ্মাৰেই অৱদান।

স্থাপত্যৰ দৰে ভাস্কৰ্যতো বিশ্বকৰ্মা অনন্য সাধাৰণ। আত্ম-কলহত প্ৰবৃত্ত প্ৰবল পৰাক্ৰমী সুন্দৰ-উপসুন্দৰক ৰূপৰ অনলত পুৰি মৰাৰ উদ্দেশ্যে বিশ্বৰ সকলো সৌন্দৰ্যৰ পৰা তিল তিল সৌন্দৰ্য আহৰণ কৰি বিশ্বকৰ্মাই তিলোত্তমা নামেৰে এক অপূৰ্ব লাৱণ্যময়ী নাৰী সৃষ্টি কৰে। বিমানৰ ধাৰণা আৰু বিমানশিল্প বিশ্বকৰ্মাৰেই উদ্ভাৱন। ধনাধিপতি কুবেৰৰ শূন্যগামী পুষ্পকৰথৰ পৰিকল্পনা আৰু নিৰ্মাণ শিল্পস্ৰষ্টা বিশ্বকৰ্মাৰেই উদ্ভাৱনী শক্তিৰ ফচল। পৰৱৰ্তীকালত লঙ্কাধিপতি ৰাৱণে কুবেৰক পৰাস্ত কৰি পুষ্পকৰথ নিজ কৰায়ত্ত কৰে। সৃষ্টিৰ সৌৰভেৰে সুৰভিত বিশ্বকৰ্মাৰ হাতত থাকে মানদণ্ড বা পৰিমাপদণ্ড। কাৰণ স্ৰষ্টাৰ সৃষ্টিৰ প্ৰকাশ সুপৰিকল্পিত পৰিনিৰ্মাণৰ দ্বাৰাইহে সম্ভৱ হয়। তাৰবাবে প্ৰয়োজন সঠিক পৰিমাপ বা সঠিক ওজন। বিশ্বকৰ্মাৰ দাঁড়িপাল্লাত এফালে থাকে জ্ঞান আৰু আনফালে থাকে কৰ্ম, যাৰ কাঁটাটো আত্মিক বিন্দুত স্থিৰ হৈ থাকে। চতুৰ্ভুজ বিশ্বকৰ্মাৰ আন দুখন হাতত থাকে ভাস্কৰ্য আৰু স্থাপত্যাদি কৰ্মত ব্যৱহৃত ছেনি আৰু হাতুৰী। আনখন হাতত থাকে চিলা আৰু লেটাই। বিশ্বকৰ্মাৰ বাহন হ'ল কৰ বা শুণ্ডযুক্ত পশুসমাজৰ বৃহদাকাৰ প্ৰাণী কৰী বা হাতী। শিল্পদেৱতা বিশ্বকৰ্মাই হাতীক বাহন কৰাৰ বাবে গৱেষকসকলে বেচ কিছু কাৰণ উল্লেখ কৰিছে। প্ৰথমতে, বিধাতাই এনেদৰে হাতীৰ শুঁড়টো সুকৌশলেৰে নিৰ্মাণ কৰিছে যে হাতীয়ে ইচ্ছানুসাৰে শুঁড়টোক ওপৰলৈ, তললৈ, সোঁফালে, বাওঁফালে, সমুখলৈ, পিছলৈ সঞ্চালিত, সঙ্কুচিত, প্ৰসাৰিত কৰিব পাৰে। হাতৰ এনেধৰণৰ নিয়ন্ত্ৰণশক্তি সাধাৰণ মানুহৰ নাথাকে, থাকে শিল্পীৰহে। হাতৰ কৌশলৰ দ্বাৰাই শিল্পীৰ শিল্পকৰ্ম আৰু শিল্পকৌশল সম্ভৱ। হাতৰ দ্বাৰাই শিল্পৰ সৌন্দৰ্য ৰমণীয় হয়। সেয়ে কোৱা হয়, হাতী দেৱশিল্পীৰ যোগ্য বাহন। হাতীৰ মৃদুমন্দ গম্ভীৰ গতিৰ 'গজেন্দ্ৰগমন'ৰ মাজত আছে এক ৰমণীয় শিল্প সৌন্দৰ্য। তদুপৰি গজদন্ত, গজঅস্থি চাৰুশিল্প কাৰ্যত সৌন্দৰ্যক অনন্য মাত্ৰা দিয়ে। দ্বিতীয়তে, অতি প্ৰাচীনকালত বিশাল প্ৰাসাদ, মঠ, মন্দিৰ, দুৰ্গ, দেৱালয় ইত্যাদি নিৰ্মাণৰ ক্ষেত্ৰত হাতীকেই বহন কাৰ্যত ব্যৱহাৰ কৰা হৈছিল। শিল্প উপকৰণ পৰিবহণত হাতীৰ উল্লেখযোগ্য ভূমিকা থকা বাবে বিশ্বকৰ্মাৰ সুযোগ্য বাহন হৈ উঠিছে হাতী।

ভাৰতৰ অসম, পশ্চিমবংগ, ঝাৰখাণ্ড, উৰিষ্যা আদি ঠাইত বিশ্বকৰ্মা দেৱতাৰ ডেকা অৱস্থাৰ মূৰ্তি বা ছবি পূজা কৰা হয় আৰু ভাৰতৰ বাকী অঞ্চলত বিশ্বকৰ্মা দেৱতাৰ বৃদ্ধ কালক পূজা কৰা হয়। বিশ্বকৰ্মা পূজা বৃটিছে আৰম্ভ কৰা পূজা নহয়। এই পূজা আদিৰে পৰা ভাৰতবৰ্ষত কন্যা সংক্ৰান্তিত পাতি আহিছে। "অসমৰ কোনো এখন বাগিছাত কলঘৰ বাৰে বাৰে বেয়া হৈ থকাত বৃটিছ মালিক চিন্তাত পৰাত বঙালী বৰ বাবুৱে বিশ্বকৰ্মা পূজা পতাৰ কথা ক'লে। পূজা পাতিলত বাগিছাৰ কল ঘৰৰ যন্ত্ৰ পাতি ভালকৈ চলাত বৃটিছে সেই বাগিছাত প্ৰতি বছৰে বিশ্বকৰ্মা পূজা পাতিবলৈ দিলে।" – এই কথা খিনিৰ সত্যটা কিমান জনা নাযায় যদিও প্ৰায় বিশ বছৰ মানৰ পৰা কেৱল অসমৰ মানুহৰ মাজত প্ৰচাৰ হৈছে। হয়তো অসমৰ বাগিছাত সেইদৰে বিশ্বকৰ্মা পূজা আৰম্ভ হব পাৰে। কিন্তু ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰা বিশ্বকৰ্মা দেৱতাৰ পূজা অৰ্চনা চলি আহিছে সেই কথা বেদকে ধৰি বিভিন্ন শাস্ত্ৰৰ পৰা জনা যায়।

অজয় বৰুৱা

কৰ্ম আৰু যন্ত্ৰৰ দেৱতা বিশ্বকৰ্মা পূজিত হয় প্ৰতিবছৰ ভাদমাহৰ সংক্ৰান্তিত। ভাদৰ সংক্ৰান্তিত তেওঁৰ পূজাৰ কথা বৃহৎ-সংহিতাত পোৱা যায়। "গ্ৰীষ্মান্তৰ যি সূৰ্য মেঘ ৰচনা কৰি বৰ্ষণৰ মাধ্যমেৰে বিশ্বৰ কৰ্ম সংৰক্ষণ কৰে, তেৱেঁই হ'ল বিশ্বকৰ্মা।" অৰ্থাৎ ভাদৰ শেষত বৰ্ষাৰ অন্তত কৃষি-কৰ্মৰ পূৰ্ণতা হ'লে ফচলৰ বাবে প্ৰতীক্ষা আৰম্ভ হয়।

# সাম্প্ৰতিক কালৰ বিশ্বকৰ্মা পূজা ও মিস্ত্ৰী এজনৰ দুৰৱস্থা

বৰ্তমান সময়ৰ মানৱ সমাজত হিন্দু ধৰ্মৰ অন্যতম উৎসৱ হিচাপে পৰিগণিত হৈ পৰিছে বিশ্বকৰ্মা পূজা। পবিত্ৰ ধৰ্ম গ্ৰন্থ ঋকবেদৰ মতে, সৃজনশীল শক্তিৰ বলত গোটেই বিশ্বক ধৰি ৰাখিব পৰা শক্তিৰ দেৱতাই হৈছে বিশ্বকৰ্মা। দৈৱিক স্থাপত্যবিদ, অভিযন্তা, দেৱতাৰ শিল্পী তথা দেৱশিল্পী আৰু বিশ্বৰ সৃষ্টিকৰ্তা হিচাপে গণ্য কৰা হয় দেৱলোকৰ লগতেজন সমাজত।

ভাৰতবৰ্ষৰ কৰ্ণাটক, পশ্চিম বংগ, বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা আৰু ত্ৰিপুৰা আদি কেইবাখনো ৰাজ্যত প্ৰতেক বছৰৰ ভাদ মাহৰ সংক্ৰান্তি বা কণ্যা সংক্ৰান্তিত পালন কৰা হয় বিশ্বখনিকৰ বিশ্বকৰ্মা পূজা। ইয়াৰ ব্যক্তিক্ৰম নহয় অসম ৰাজ্যত। বিশ্বকৰ্মাৰ আৰাধনা জয় ধ্বনিৰে পূজাৰ দিনটোত উখল-মাখল্ পৰিৱেশৰ মাজেৰে অসমৰ আকাশ বতাহ গুঞ্জৰিত হৈ থাকে ঠায়ে-ঠায়ে।

হিন্দু ধৰ্মত বিশ্বকৰ্মাক বিশ্বৰ নিৰ্মাতা আৰু দেৱতাসকলৰ খনিকৰ বুলি লোক বিশ্বাস আছে। নাম-কীৰ্তন কৰি সকলোৰে মংগল কামনাৰে বিশ্বখনিকৰ পূজা উপলক্ষে ভীষণ ব্যস্ততাই বিৰাজ কৰে অসম ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, উদ্যোগ-প্ৰতিষ্ঠান, দোকান পোহাৰ, গেৰেজকে আদি কৰি ভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানসমূহত।

লোকবিশ্বাস অনুসৰি, দেৱশিল্পীয়ে নিৰ্মাণ কৰিছিল ইন্দ্ৰপুৰি, স্বৰ্গলোক, যমপুৰি আদি দৃষ্টিনন্দন বৈম্যপীঠ। সেই অনুপাতেই অতীজৰে পৰা নিৰ্মাণ-সৃজনৰ দেৱতা ৰূপে বিশ্বকৰ্মাৰ পূজা কৰি আহিছেজন সমাজত।

ব্যক্তি বিশেষে নিজ নিজ গৃহত উদযাপন কৰে সকলোৱে। বিশ্বকৰ্মা পূজাত ঘৰত থকা সাধাৰণ চাইকেল খনৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ উদ্যোগৰ যন্ত্ৰসমূহক পূজা অৰ্চনা কৰা হয়। বিশ্বকৰ্মা পূজা বুলিলে প্ৰতিজন ব্যক্তিয়ে নিজৰ নিজৰ যান্ত্ৰিক সা-সৰঞ্জাম ধুই-পখালি চিকুণাই তোলা হয় যেনে যান-বাহন, গাড়ী মটৰ, বৈদুত্যিক যন্ত্ৰ পাতি, কল-কাৰখানাৰ যন্ত্ৰ-পাতি আদি ইত্যাদি। এই উৎসৱ সাধাৰণতে কাৰখানা আৰু ঔদ্যোগিক প্ৰতিষ্ঠানৰ লগতে ব্যক্তি বিশেষে নিজ ঘৰতো পালন কৰে প্ৰতি বছৰে।

হিন্দু ধৰ্ম অনুসৰি নিৰ্মাণ আৰু সৃষ্টিৰ ক্ষেত্ৰখনত দেৱশিল্পীৰ আশিস অবিহনে অভীষ্ট সিদ্ধি নহয় কোনোকালে। এই লোকবিশ্বাসক সৰোগত কৰিয়েই তাহানিৰে পৰা চলি আহিছে বিশ্ব খনিকৰৰ পূজা-অৰ্চনা। পূজাৰ দিনটোত ৰাজ্যৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, কল-কাৰখানা, ছপাশাল বা ছপাখানা আদি সকলো অনুষ্ঠান-প্ৰতিষ্ঠানত সুন্দৰকৈ সজাই-পৰাই তোলাই লোকে লোকাৰণ্য হৈ থাকে পূজাস্থলী সমূহত।

ব্যস্ততাময় পৰিৱেশে বিৰাজ কৰাৰ লগতে বিভিন্ন শিক্ষানুষ্ঠান, কাৰখানা, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ উপৰি যান-বাহনৰ গৰাকী সকলেও জাক-জমকতাৰে বিশ্বকৰ্মা পূজা উদযাপনৰ প্ৰস্তুতি অব্যাহত ৰাখে।

এতিয়া প্ৰশ্ন হ'ল যে - বিশ্বকৰ্মা পূজাৰ দিনটোত এজন মিস্ত্ৰী বা এজন শিল্পী কিমান সুৰক্ষিত? তেওঁৰ দুৰৱস্থা কেনেকুৱা? আদি প্ৰশ্ন উত্থাপন হয়, কেতিয়াবা? মিস্ত্ৰী বুলি কলে বিভিন্ন ধৰণৰ মিস্ত্ৰী থাকে যেনে কাঠ মিস্ত্ৰী, পকা মিস্ত্ৰী, ৰাজ মিস্ত্ৰী, অট্টালিকা নিৰ্মাণ কাৰ্যত জড়িত মিস্ত্ৰী ইত্যাদি ইত্যাদি। মিস্ত্ৰী সকলৰ ত্যাগ আৰু কষ্ট প্ৰায় সমান সকলোৰে।

দুৰ্দশাগ্ৰস্ত অসহনীয় শ্ৰমৰ বোজা শৰীৰত



লৈ সমাজৰ অৰ্থনৈতিকভাৱে সচ্ছল শ্ৰেণীৰ নানা ধৰণৰ মনোমোহা সামগ্ৰী সাজি চকুৰোৱা কৰি দিয়ে মিস্ত্ৰী সকলে। দেহৰ তেজ ঢালি তেওঁলোকে গঢ়ি দিয়ে মানুহৰ মায়াপুৰী সাদৃশ্য প্ৰাসাদ। মিস্ত্ৰী এজনৰ জীৱনৰ অৱস্থা শোচনীয়, অভাৱত জুৰুলা, শিল্পসুলভ কলাকুশলতাৰে তেওঁলোকে গঢ়ি দিয়া আৰামী চকীত বহি বিলাসী শ্ৰেণীটোৱে এক স্বাচ্ছন্দময় জীৱন কটায়। অথচ তেওঁলোকৰ জীৱন অন্ধকাৰত ডুব গৈ থাকে সদায়।

বিপ্লৱী কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তই কাঠমিস্ত্ৰীৰ ঘৰ নামৰ কবিতাটিত

"বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল"

বুলি এগৰাকী কাঠ মিস্ত্ৰীৰ জীৱনৰ ধাৰা কাহিনী ব্যক্ত কৰিছে।

কাঠমিস্ত্ৰীসকলৰ কৰ্মঠ, নিপুণ শিল্পী তেওঁলোকে কঠিন একা-বেকা কাঠত আনি দিয়ে কোমল অনুভৱ। অকণো জিৰণি নোলোৱাকৈ দেহে কেনে খাটি কঠিন কাঠেৰে খাজে নিত্য ব্যৱহাৰ্য সামগ্ৰীবোৰ। কপালৰ ঘাম মাটিত পেলাই, দেহৰ তেজ পানী কৰি তেওঁলোকে সমাজৰ সচ্ছল শ্ৰেণীটোৰ বাবে নানান ধৰণৰ মনোমোহা সামগ্ৰী সাজি দিয়ে। নীৰস আৰু কঠিন বেঁকা-বেঁকি কাঠক ৰাণ্ডা-বটালি মাৰি মাৰি তেওঁলোকে গঢ়ি দিয়ে পৃথিৱীৰ মানুহৰ বাবে মায়াপুৰী সদৃশ্য প্ৰাসাদ। অথচ সেই মিস্ত্ৰীসকলৰ জীৱনৰ অৱস্থা শোচনীয়, অভাৱত অতি জুৰুলা। আনকি মিস্ত্ৰী এজনৰ থাকিবলৈ এটা ভাল ঘৰ নাই কাৰোবাৰ? বহিবলৈ ঘৰত এখন পীড়া নাই, এখন চকী নাই, এখন চেয়াৰ নাই? সেই মৰ্মান্তিক অৱস্থাটো কবিতাঁফাকিৰ মাজেদি ব্যক্ত কৰিছে কবিয়ে। শিল্পী সুলভ কলাকুশলতাৰে আৰু কঠোৰ পৰিশ্ৰমেৰে নীৰস শুকান কাঠক চালে চকুৰোৱা কৰি গঢ়ি তোলে ব্যহাৰ উপযোগী আচবাব, মায়াপুৰীসদৃশ অট্টালিকাৰ সততে লিজৰ কথা চিন্তা নকৰা কাঠমিস্ত্ৰী বা অন্য মিস্ত্ৰীসকলে আনৰ সুবিধাৰ বাবে জীৱন পাত কৰি কষ্ট কৰে। অথচ নিজে দুৰ্দশাগ্ৰস্থ জীৱন কটায়। সেয়েহে কাঠমিস্ত্ৰীসকলক বা যিকোনো ধৰণৰ মিস্ত্ৰীসকলক শিল্পী বুলি কোৱা হয়। কিন্তু তেওঁলোকক উপযুক্ত দিয়া হয়নে কেতিয়াবা সমাজত? মিস্ত্ৰীসকলে নিজৰ আত্মসন্মান ন্যায্য প্ৰাপ্তি আৰু অধিকাৰৰ বাবে নিজ বাহু বলেৰে অধিকাৰ সাব্যস্ত কৰিবলৈ জাগি উঠিব লাগে। তেওঁলোকৰ কষ্টকৰ আৰু দুৰ্দশাময় জীৱনৰ বাবে মানসিক বহু মিস্ত্ৰীয়ে কষ্টেৰে কপালৰ ঘাম মাটিত পেলাই সচ্ছল বিত্তবান শ্ৰেণীটোৰ বাবে টেবুল, চেয়াৰ, আলনা, ড্ৰয়াৰ, আলমাৰি, চাহৰ টিপয়, ঘৰ-ৰাজ প্ৰাসাদ অট্টালিকা, ৰাস্তা ঘাট, দলং আদি নানা ধৰণৰ মনোমোহা সামগ্ৰী নিৰ্মাণ কৰে। অথচ নিজৰ জীৱন শোচনীয়। শিল্পসুলভ কলাকুখলতাৰে গঢ়ি দিয়া আৰামী চকীত বহি বিলাসী শ্ৰেণীটোৱে এক সচ্ছল, ছন্দময়, সুন্দৰ জীৱন কটায় বাৰে বাৰে। সমাজত এই শ্ৰমিক শ্ৰেণীৰ পৰিবৰ্তন বিচাৰি নিজে-নিজে অধিকাৰ সাব্যস্থ কৰিবলৈ জাগি উঠিব লাগে সকলোৱে। বিভিন্ন সময়ত ভাৰত চৰকাৰ হওক বা অসম চৰকাৰ হওক এনে শ্ৰেণীৰ ব্যক্তিক বিশেষ আঁচনিৰ জৰিয়তে আৰ্থিক সকাহ বা প্ৰাপ্য মজুৰি দিয়াৰ পৰা বঞ্চিত হৈছে নিকি ইয়াক চকু দিব লাগে সমাজখনে। বৰ্তমান ভাৰতৰ বিজেপি নেতৃত্বাধিন কেন্দ্ৰীয় চৰকাৰখনে শ্ৰমিক শ্ৰেণীৰ মানুহক বহু আঁচনি দিয়া বুলি বিভিন্ন সময়ত সংবাদ মাধ্যমত প্ৰচাৰ হৈ থাকে। ইফালে দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শ্ৰমিক শ্ৰেণীৰ হিতৰ অৰ্থে ৰূপায়ণ কৰা আঁচনি সমূহ ক্ৰমে - প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা যোজনা, প্ৰধানমন্ত্ৰী শ্ৰম যোগী মানধন যোজনা আৰু ই - শ্ৰম আঁচনি আদি অন্যতম। উল্লেখ যোগ্য কথা যে - চৰকাৰ সমূহে ৰূপায়ন কৰা আঁচনিসমূহ আজি কেইজন শ্ৰমিকে উপযুক্ত ভাৱে পাইছে? ইয়াক কোনে এতিয়া বিচাৰ কৰিব! প্ৰশ্ন উদয় হয় কেতিয়াবা। ভিন্ন সময়ত বহু মিস্ত্ৰীৰ আৰ্থিক হীনতাৰ বাবে বিশেষ ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰা দেখা যায়। গতিকে আগন্তুক দিনত এনে শ্ৰেণীৰ মিস্ত্ৰীসকলক লৈ চৰকাৰৰ লগতে সমাজখনে কেনে ব্যৱস্থা গ্ৰহণ কৰে এয়া হ'ব লক্ষণীয়।

খগেশ্বৰ দাস

মিস্ত্ৰীসকলে নিজৰ আত্মসন্মান ন্যায্য প্ৰাপ্তি আৰু অধিকাৰৰ বাবে নিজ বাহু বলেৰে অধিকাৰ সাব্যস্ত কৰিবলৈ জাগি উঠিব লাগে। তেওঁলোকৰ কষ্টকৰ আৰু দুৰ্দশাময় জীৱনৰ বাবে মানসিক বহু মিস্ত্ৰীয়ে কষ্টেৰে কপালৰ ঘাম মাটিত পেলাই সচ্ছল বিত্তবান শ্ৰেণীটোৰ বাবে টেবুল, চেয়াৰ, আলনা, ড্ৰয়াৰ, আলমাৰি, চাহৰ টিপয়, ঘৰ-ৰাজ প্ৰাসাদ অট্টালিকা, ৰাস্তা ঘাট, দলং আদি নানা ধৰণৰ মনোমোহা সামগ্ৰী নিৰ্মাণ কৰে। অথচ নিজৰ জীৱন শোচনীয়।



# জগত খনিকৰ বাবা বিশ্বকৰ্মা

হিন্দু ধৰ্মৰ পুৰাণত বিশ্বকৰ্মা এজন মহান দেৱতা। তেওঁক "জগত খনিকৰ বাবা" বুলি কোৱা হয় কাৰণ তেওঁ সকলো সৃষ্টিৰ মূল স্থপতি। কাৰিকৰী শিল্পী, লোহাৰ আৰু স্থপতিৰ পিতৃ হিচাপে তেওঁক পূজা কৰা হয়। তেওঁৰ কাহিনী প্ৰাচীন বেদত আছে, য'ত তেওঁক জগতৰ সকলো সুন্দৰ আৰু শক্তিশালী বস্তুৰ সৃষ্টিকৰ্তা বুলি কোৱা হৈছে। তেওঁ দেবতাৰ নগৰী, ৰথ, অস্ত্ৰ আৰু প্ৰাসাদ গঢ়িছিল। তেওঁৰ এই কামবোৰে প্ৰাচীন ভাৰতৰ কাৰীগৰী দক্ষতা দেখুৱায়। আাজৰ যুগতো তেওঁ ইঞ্জিনিয়াৰ আৰু শিল্পীৰ প্ৰেৰণা। পুৰাণ অনুসৰি, বিশ্বকৰ্মা ব্ৰহ্মাৰ পুত্ৰ। ব্ৰহ্মাৰ দৰে তেওঁ সৃষ্টিৰ কাম কৰে।

চন্দন কুমাৰ নাথ

বিশ্বকৰ্মাৰ সৃষ্টিৰ কথা পুৰাণত বহুত আছে। তেওঁ স্বৰ্গৰ নগৰী ইন্দ্ৰৰ বাবে গঢ়িছিল, য'ত দেবতা আৰু অৰ্ধ-দেবতাসকল থাকে। ৰামায়ণৰ লংকা, যিটো ৰাৱণৰ ৰাজধানী আছিল, তেওঁ সোণৰে বনাইছিল। মহাভাৰতৰ দ্বাৰকা নগৰী, য'ত কৃষ্ণ বাস কৰিছিল, তেওঁৰ হাতৰ কাম। এই নগৰীত জলপথ, গোপন প্ৰৱেশদ্বাৰ আৰু সুন্দৰ প্ৰাসাদ আছিল। হস্তিনাপুৰ আৰু ইন্দ্ৰপ্ৰস্থ নগৰীও তেওঁ বনাইছিল, যিবোৰ মহাভাৰতৰ কৌৰৱ আৰু পাণ্ডৱৰ ৰাজধানী আছিল। এই নগৰীসমূহৰ স্থাপত্যই প্ৰাচীন ভাৰতৰ ইঞ্জিনিয়াৰিং দক্ষতা দেখুৱায়। বিষ্ণুৰ সুদৰ্শন চক্ৰ আৰু শিৱৰ ত্ৰিশূল তেওঁৰ হাতৰ কাম। এই সৃষ্টিসমূহে প্ৰমাণ কৰে যে প্ৰাচীন ভাৰতত বিজ্ঞান আৰু প্ৰযুক্তিৰ ধাৰণা আছিল। বিশ্বকৰ্মাক বাস্তু শাস্ত্ৰৰ পিতৃ বুলি কোৱা হয়। বাস্তু শাস্ত্ৰ হ'ল এনে এটা জ্ঞান, য'ত ঘৰ, মন্দিৰ আৰু নগৰী বনোৱাৰ নিয়ম আছে। প্ৰাচীন ভাৰতৰ মন্দিৰ, যেনে খাজুৰাহো, কোনাৰ্কৰ সূৰ্য মন্দিৰ আৰু মাদুৰাইৰ মীনাক্ষী মন্দিৰ, তেওঁৰ ধাৰণাৰ পৰা তৈয়াৰ হৈছিল। এই মন্দিৰবোৰত জটিল শিল্প আৰু সুন্দৰ নক্সা আছে। কোনাৰ্কৰ চক্ৰত সময় আৰু দিনৰ হিচাপ আছে, যি প্ৰাচীন গণিতৰ প্ৰমাণ। এই স্থাপত্যই দেখুৱায় যে প্ৰাচীন ভাৰতত স্থাপত্য আৰু বিজ্ঞানৰ জ্ঞান কিমান উন্নত আছিল। আজিৰ ইঞ্জিনিয়াৰিঙতো বাস্তুৰ নিয়ম ব্যৱহাৰ হয়, য'ত প্ৰকৃতিৰ সৈতে মিলি ঘৰ বা অফিচ বনোৱা হয়। আজিৰ যুগত বিশ্বকৰ্মাৰ গুৰুত্ব কমা নাই কাৰণ তেওঁ হাঞ্জিনিয়াৰ, শিল্পী আৰু শ্ৰমিকৰ প্ৰেৰণা। তেওঁৰ নামত পূজা কৰা হয়, যাতে কামত সফলতা আৰু সুৰক্ষা পোৱা যায়। ইঞ্জিনিয়াৰসকলে তেওঁক সৃজনশীলতাৰ প্ৰতীক হিচাপে দেখে। তেওঁৰ নামত দক্ষতা বিকাশৰ কাৰ্যসূচীও চলোৱা হয়।

প্ৰতি বছৰে ভাদ মাহত বিশ্বকৰ্মা পূজা আয়োজন কৰা হয় আৰু এই দিনটোত শ্ৰমিক, ইঞ্জিনিয়াৰ আৰু কাৰীগৰসকলে তেওঁৰ পূজা কৰে। যন্ত্ৰ, সঁজুলি আৰু কাৰখানা পবিত্ৰ কৰা হয়। অসমৰ লগতে পশ্চিমবংগ, বিহাৰ আৰু ওড়িছাত এই পূজা বহুত জনপ্ৰিয়। কাৰখানা আৰু অফিচত এই দিনটোত ছুটি থাকে আৰু সকলোৱে মিলি পূজা কৰে। এই পূজা ধৰ্মীয় হোৱাৰ লগতে শ্ৰমিকৰ সন্মানৰ প্ৰতীক। বিশ্বকৰ্মা কেৱল এজন দেবতা নহয়, তেওঁ সৃষ্টিৰ প্ৰতীক। তেওঁৰ কাহিনী আৰু সৃষ্টিয়ে প্ৰাচীন ভাৰতৰ বিজ্ঞান আৰু কাৰীগৰীৰ কথা কয়। আজিও তেওঁ ইঞ্জিনিয়াৰ আৰু শিল্পীৰ প্ৰেৰণা। তেওঁৰ পূজাই আমাক শ্ৰমৰ মৰ্যাদা আৰু সৃজনশীলতাৰ গুৰুত্ব মনত পেলায়। জগত খনিকৰ বাবা বিশ্বকৰ্মা আমাৰ সংস্কৃতি আৰু প্ৰযুক্তিৰ মাজত চিৰন্তন সেঁতু।

## অভিযুক্ত বাংলাদেশী ছাত্ৰক

শ্বাহৰিয়াৰ আহমেদ আকাশ, শিমন্তৰ ঘোষ, শৌমোজিত পাল, ছাজ্জাদ হোছেইন ৰফি আৰু মহম্মদ নুৰ হোছেইনক এবছৰৰ বাবে নিলম্বন কৰা হৈছে আৰু তেওঁলোকক হোষ্টেলৰ পৰা বিতাড়নৰ নিৰ্দেশ জাৰি কৰা হৈছে। ঘটনাটো সংঘটিত হৈছিল যোৱা ৮ ছেপ্টেম্বৰৰ মাজনিশা, NITৰ ৯ নম্বৰ হোষ্টেলৰ ২০৬নম্বৰ কোঠাত। অভিযোগ অনুসৰি, তৃতীয় বৰ্ষৰ কেইজনমান বাংলাদেশী ছাত্ৰই চূড়ান্ত বৰ্ষৰ সমনীয়া ছাত্ৰৰ ওপৰত ৰড আৰু কটাৰীৰে আক্ৰমণ কৰে, যাৰ ফলত অন্ততঃ দুজন ছাত্ৰ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰা হয়। তদন্তৰ সময়ত হোষ্টেলৰ কোঠাৰ পৰা নিচাযুক্ত দ্ৰব্য (৫০০ গ্ৰাম ভাং) আৰু অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হয়। তথাপি, এই গুৰুতৰ ঘটনাৰ পিছতো কোনো এফআইআৰ দাখিল কৰা হোৱা নাই, যিয়ে প্ৰশ্নৰ সৃষ্টি কৰিছে। ভাৰত আৰু বাংলাদেশৰ মাজত কূটনৈতিক চুক্তিৰ অধীনত বাংলাদেশী ছাত্ৰ-ছাত্ৰীসকলক NITত বিশেষ কোটাৰ জৰিয়তে নামভৰ্তিৰ সুবিধা প্ৰদান কৰা হয়। এই কোটাৰ অধীনত নামভৰ্তি হোৱা ছাত্ৰসকলে ভাৰতীয় ছাত্ৰৰ দৰে সাধাৰণ প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰৱেশ কৰা নহয়। কিন্তু এই ঘটনাই প্ৰশ্ন উত্থাপন কৰিছে যে বিদেশী ছাত্ৰই এই সুবিধাৰ অপব্যৱহাৰ কৰিছে নেকি। নিলম্বিত ছাত্ৰসকলে দাবী কৰিছে যে তেওঁলোকক জমিয়ত উলেমা-ই-ইছলাম বাংলাদেশ আৰু বাংলাদেশৰ বিতৰ্কিত ছাত্ৰ সংগঠন 'ইছলামী ছাত্ৰ শিবিৰ'ৰ বিৰুদ্ধে সামাজিক মাধ্যমত লিখাৰ বাবে টাৰ্গেট কৰা হৈছে। তেওঁলোকৰ মতে, এই সংঘৰ্ষৰ পিছফালে ৰাজনৈতিক উদ্দেশ্য আছে। NIT শিলচৰৰ সঞ্চালক অধ্যাপক দিলীপ কুমাৰ বৈদ্যই সংবাদ মাধ্যমৰ আগত কয়, "৮ ছেপ্টেম্বৰৰ মাজনিশা ছাত্ৰৰ দুটা গোটৰ মাজত হোৱা সংঘৰ্ষৰ কথা আমি জানিব পাৰিছিলো। আমাৰ ডীন আৰু হোষ্টেল ৱাৰ্ডেনে তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ আঘাতপ্ৰাপ্ত ছাত্ৰসকলক চিকিৎসালয়লৈ স্থানান্তৰিত কৰে। আমি প্ৰথমে এই বিষয়টো নিশ্চিত কৰিব বিচাৰিছিলো যে ঘটনাটো ভাৰত বনাম বাংলাদেশ বা হিন্দু বনাম মুছলমানৰ সাম্প্ৰদায়িক বিষয়ৰ সৈতে জড়িত নেকি। আমাৰ অভ্যন্তৰীণ তদন্ত সমিতিয়ে অশান্তিৰ প্ৰমাণ পাইছে, যি পিছত হিংসাত পৰিণত হৈছিল।" তেওঁ লগতে কয়, "অভিযুক্ত ছাত্ৰসকলক এবছৰৰ বাবে নিলম্বন কৰা হৈছে। বিদেশী ছাত্ৰ হিচাপে তেওঁলোকে দেশ এৰি যাব লাগিব। এবছৰৰ পিছত তেওঁলোকে ইচ্ছা কৰিলে পুনৰ যোগদানৰ সুযোগ পাব।" নিচাযুক্ত দ্ৰব্য আৰু অস্ত্ৰ উদ্ধাৰৰ বিষয়ে সঞ্চালক বৈদ্যই স্বীকাৰ কৰে, "এই চৌহদত ৫ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী একেলগে বাস কৰে। সাৱধানতা অৱলম্বন কৰাৰ পিছতো নিচাযুক্ত দ্ৰব্যৰ যোগান ক'ৰ পৰা আহে, সেয়া নিৰ্ণয় কৰাটো কঠিন। কেতিয়াবা ছাত্ৰ-ছাত্ৰী নিচাৰ প্ৰতি আকৰ্ষিত হয় আৰু তাৰ ফলত হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। আমি এনে ঘটনা নিয়ন্ত্ৰণৰ বাবে সৰ্বোচ্চ চেষ্টা কৰি আছো।" ৰাজনৈতিক প্ৰভাৱৰ অভিযোগক নাকচ কৰি তেওঁ দৃঢ়তাৰে কয়, "এই তদন্তত কোনো ৰাজনৈতিক সংযোগ নাই। আমি সম্পূৰ্ণ নিৰপেক্ষ আৰু ন্যায্যভাৱে তদন্ত কৰিছো।" এই ঘটনাই বহুতো প্ৰশ্নৰ জন্ম দিছে। বিশেষকৈ বাংলাদেশী ছাত্ৰৰ বাবে কূটনৈতিক চুক্তিৰ অধীনত প্ৰদান কৰা বিশেষ কোটাৰ অপব্যৱহাৰৰ বিষয়টোৱে উদ্বেগৰ সৃষ্টি কৰিছে। ইয়াৰ পূৰ্বেও NIT শিলচৰত বাংলাদেশী ছাত্ৰৰ জড়িত হিংসা আৰু অশান্তিৰ ঘটনা সংঘটিত হৈছে। নিচাযুক্ত দ্ৰব্য, অস্ত্ৰ-শস্ত্ৰ আৰু হিংসাৰ গুৰুতৰ অভিযোগৰ পিছতো আৰক্ষীৰ গোচৰ দাখিল নোহোৱাটোৱে এই ঘটনাৰ তদন্তৰ প্ৰতি সন্দেহৰ সৃষ্টি কৰিছে। এনে পৰিস্থিতিত কূটনৈতিক সম্পৰ্কৰ প্ৰেক্ষাপটত গভীৰ তদন্তৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে।

## প্ৰধানমন্ত্ৰী মোডীৰ ৭৫তম্

ট্ৰাম্পে মোডীক তেওঁৰ ৭৫তম জন্মদিনৰ আগতীয়া শুভেচ্ছা জনায়। ১৭ ছেপ্টেম্বৰত নিজৰ জন্মদিন উদযাপনৰ পূৰ্বে মোডীক এই শুভেচ্ছা জনোৱা প্ৰথম ব্যক্তি হিচাপে ট্ৰাম্পৰ নাম উঠি আহে। প্ৰধানমন্ত্ৰী মোডীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ট্ৰাম্পৰ এই শুভেচ্ছাৰ কথা ৰাজহুৱা কৰে। ট্ৰাম্পক ধন্যবাদ জনাই তেওঁ সামাজিক মাধ্যমত লিখে, "মোৰ বন্ধু, ৰাষ্ট্ৰপতি ট্ৰাম্প, মোৰ ৭৫তম জন্মদিনৰ বাবে ফোন কৰি আৰু উষ্ম শুভেচ্ছা জনোৱাৰ বাবে ধন্যবাদ। আপোনাৰ দৰেই ময়ো ভাৰত-আমেৰিকাৰ ব্যাপক আৰু বিশ্বব্যাপী অংশীদাৰিত্বক নতুন উচ্চতালৈ লৈ যোৱাৰ বাবে পূৰ্ণ দায়বদ্ধ। আমি ইউক্ৰেইন সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ বাবে আপোনাৰ উদ্যোগক সমৰ্থন কৰোঁ।" এই ঘটনাই দুই নেতাৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু ভাৰত-আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্কৰ গুৰুত্বক পুনৰ স্পষ্ট কৰিছে। মোডীৰ জন্মদিনৰ পূৰ্বে ট্ৰাম্পৰ এই আগতীয়া শুভেচ্ছাই সামাজিক মাধ্যমতো ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে।

## নূপুৰ বৰাৰ নিলম্বন বা

নিৰ্বাচনী প্ৰচাৰৰ বাবে আয়োজিত এক জনসভাত অংশগ্ৰহণ কৰিছিল ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। সভাৰ পিছত সাংবাদিকৰ সৈতে কথা পাতি তেওঁ নূপুৰ বৰাৰ বিষয়ে গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "নূপুৰ বৰাক কেৱল নিলম্বন বা বৰ্খাস্ত কৰাৰে সৈতে শেষ নহ'ব। তেওঁৰ বিৰুদ্ধে আইনৰ জৰিয়তে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হ'ব।" তেওঁ নূপুৰ বৰাৰ গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰি কয়, "ছমাহ পূৰ্বে তেওঁ বৰপেটাৰ এখন সত্ৰৰ মাটি অসাংবিধানিকভাৱে হস্তান্তৰ কৰিছিল। এই কাৰ্যৰ শাস্তি হিচাপে তেওঁক বৰপেটাৰ পৰা বদলি কৰা হৈছিল। মই নিজে চি.এম. ভিজিলেঞ্চক তেওঁৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিবলৈ নিৰ্দেশ দিছিলোঁ। কিছুদিন ধৰি তেওঁ আমাৰ নিৰীক্ষণৰ তলত আছিল। পৰহি তেওঁ নামচাই ৰিজৰ্ট নামৰ এখন হোটেলত থকাৰ সময়ত আমি তেওঁক ট্ৰেক কৰিছিলোঁ। ঘৰলৈ উভতি অহাৰ পিছত তেওঁক গ্ৰেপ্তাৰ কৰা হয় আৰু তালাচী চলোৱা হয়। এই তালাচীত ৯২ লাখ টকা, সোণৰ গহনা আৰু দুটা বেংক লকাৰ জব্দ কৰা হৈছে। তেওঁৰ সম্পত্তি তেওঁৰ জানিতকৈ চাৰিশ গুণ অধিক বুলি প্ৰমাণিত হৈছে।" মুখ্যমন্ত্ৰী শৰ্মাই ৰাইজৰ প্ৰতি আহ্বান জনাই কয়, "যদি কোনো চৰকাৰী বিষয়াই কামৰ বিনিময়ত টকা-পইচা বিচাৰে, তেন্তে তৎক্ষণাৎ চি.এম. ভিজিলেঞ্চ বা ভিজিলেঞ্চ এণ্ড ইক'নমিক অফেন্সক জনাব।" তেওঁৰ এই মন্তব্যই দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ কঠোৰ অৱস্থানৰ ইংগিত দিয়ে। ইপিনে, মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰৰ সময়ত বিজেপিৰ ৰাজনৈতিক কৌশলৰ বিষয়েও মন্তব্য কৰে। তেওঁ কয়, "যদি আমি কম আসন লাভ কৰোঁ, তেন্তে কাৰোবাৰ সৈতে মিত্ৰতা গঢ়ি তুলিব লাগিব। কিন্তু এতিয়াৰ বাবে সকলো ভালদৰে চলি আছে। বিজেপিয়ে বি.টি.চি.ত চৰকাৰ গঠন কৰিব।" তদুপৰি, বি.টি.আৰ. চুক্তিৰ স্বাৰ্থত ইউ.পি.পি.এল.-ক চৰকাৰ গঠনৰ আহ্বানৰ প্ৰত্যুত্তৰত তেওঁ কয়, "বিজেপিয়ে চৰকাৰ গঠন কৰিলেও আমি এবছুৰ সৈতে মিলি কাম কৰিম।" এই ঘটনা আৰু মুখ্যমন্ত্ৰীৰ মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষেত্ৰত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। নূপুৰ বৰাৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাৰ পৰৱৰ্তী পদক্ষেপৰ প্ৰতি সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## হাজিৰহাটত পথ নিৰ্মাণৰ কামক কেন্দ্ৰ কৰি ৰাইজৰ প্ৰতিবাদ

**অসম বাৰ্তা, হাটশিঙিমাৰী, ১৩ ছেপ্টেম্বৰ ঃ** টেংনামাৰীৰ পৰা খোপাতী বজাৰ হৈ হাজিৰহাট লৈ যোৱা মুখ্য মন্ত্ৰীৰ উন্নয়ন পকী পথ নিৰ্মাণ আচঁনিৰ কামত ব্যাপক অনিয়মৰ অভিযোগ: দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অন্তৰ্গত হাজিৰহাটত নাবাৰ্ড আচঁনিৰ ৪ কোটি ৭৪ লাখ ৪৭ হেজাৰ ১০০ টকাৰে পথ নিৰ্মাণৰ কাম চলি আছে আৰু এই পথ নিৰ্মাণক কেন্দ্ৰ কৰি অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত উক্ত অঞ্চলৰ ৰাইজে ইতিমধ্যে জিলা আয়ুক্ত, গড়কাপ্তানী বিভাগৰ মুখ্য অভিযন্তা; মুখ্য সচিব আৰু অসমৰ মাননিয় মুখ্যমন্ত্ৰীলৈ অভিযোগ দাখিল কৰিছে। ফয়জাল হক নামৰ এজন ঠিকাদাৰে এই পথটো নিৰ্মাণ কৰি আছে কিন্তু পথটোৰ কাম চৰকাৰী নিয়ম নীতি অবিহনে চলি আছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই পথটোৰ উচ্চতা বহুত কম, ছাইট বামত হোৱা নাই, নিম্ন মানৰ সা-সামগ্ৰী ব্যৱহাৰ কৰিছে, নিম্নমানৰ জিও বেগ ব্যৱহাৰ কৰিছে, সঠিকভাৱে wbmৰ কাম কৰা নাই আৰু পুৰণি ৰোলাৰ ব্যৱহাৰ কৰি আছে ইত্যাদি অভিযোগ উঠিছে। এই পথটো সঠিকভাৱে নিৰ্মাণ কৰিবলৈ জিলা প্ৰশাসনৰ পৰা আৰম্ভ কৰি অসমৰ মাননিয় মুখ্যমন্ত্ৰীলৈ অভিযোগ দিয়া সত্ত্বেও ঠিকাদাৰে কেৰেপ নকৰি নিজৰ মন-মৰ্জি মতে কাম কৰি থকাৰ বাবে আজি উক্ত অঞ্চলৰ ৰাইজে ক্ষোভিত হৈ পথৰ মাজত বিক্ষোভ প্ৰদৰ্শন কৰে আৰু সঠিকভাৱে পথ নিৰ্মাণৰ দাবী জনায় অন্যথায় পৰৱৰ্তী সময়ত গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে।

## দুদিন আগতে শপত

প্ৰথম মহিলা প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কীৰ বিৰুদ্ধে যেন-জি আন্দোলনৰ সময়ত নিহত পৰিয়ালৰ সদস্যসহ প্ৰতিবাদকাৰীসকলে "মৃতকৰ নামত ৰাজনীতি নকৰিব" আৰু "প্ৰধানমন্ত্ৰীয়ে পদত্যাগ কৰক"ৰ দৰে শ্লোগানৰে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছে। মাত্ৰ দুদিন আগতে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা কাৰ্কীৰ বিৰুদ্ধে এই প্ৰতিবাদে দেশজুৰি চৰ্চাৰ সৃষ্টি কৰিছে। শেহতীয়া যেন-জি প্ৰতিবাদৰ নেতৃত্ব দিয়া হামি নেপালৰ সৈতে পৰামৰ্শ নকৰাকৈ কাৰ্কীয়ে তিনিজন গুৰুত্বপূৰ্ণ মন্ত্ৰী নিযুক্তি দিয়াৰ পিছত জনসাধাৰণৰ মাজত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে। নতুন মন্ত্ৰীসকলৰ ভিতৰত আছে গৃহমন্ত্ৰী হিচাপে কাঠমাণ্ডুৰ মেয়ৰ বেলেন শ্বাহৰ আইনী উপদেষ্টা ওম প্ৰকাশ আৰিয়াল, বিত্তমন্ত্ৰী হিচাপে প্ৰাক্তন বিত্ত সচিব ৰমেশ্বৰ খানাল, আৰু শক্তিমন্ত্ৰী হিচাপে বিদ্যুৎ কৰ্তৃপক্ষৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী বিষয়া কুলমান ঘিছিং। ৮ ছেপ্টেম্বৰৰ পৰা কাঠমাণ্ডুত আৰম্ভ হোৱা এই প্ৰতিবাদ পৰৱৰ্তী সপ্তাহত দেশৰ বিভিন্ন প্ৰান্তত বিয়পি পৰিছিল, যাৰ ফলত ক্ষমতাৰ শূন্যতাৰ মাজত জনসাধাৰণৰ মাজত অনিশ্চয়তাৰ সৃষ্টি হৈছিল। হামি নেপালৰ নেতৃত্বত এই আন্দোলনে ব্যাপক ৰাজনৈতিক সংস্কাৰৰ দাবীত জাতীয় স্তৰত জাগৰণৰ সৃষ্টি কৰিছিল। চুডান গুৰুং আৰু তেওঁৰ সমৰ্থকসকলে বৰ্তমানৰ চৰকাৰ ভংগ কৰি যেন-জি জনগাঁথনিৰ প্ৰতিনিধিত্ব কৰা এখন অন্তৰ্বৰ্তীকালীন প্ৰশাসন গঠনৰ দাবী জনাই আহিছে। মন্ত্ৰী নিযুক্তিৰ সিদ্ধান্তৰ পিছত গুৰুং বিশেষভাৱে ওম প্ৰকাশ আৰিয়ালক লক্ষ্য কৰি কয়, "আৰিয়ালে যুৱ মিত্ৰজোঁটক উপেক্ষা কৰি নিজকে গৃহমন্ত্ৰী হিচাপে প্ৰতিষ্ঠা কৰিছে।" তেওঁ কাৰ্কীৰ এই সিদ্ধান্তৰ তীব্ৰ সমালোচনা কৰি তেওঁৰ পদত্যাগৰ দাবী জনায়। প্ৰধানমন্ত্ৰীৰ বাসগৃহৰ বাহিৰত ভাষণ দি গুৰুং ঘোষণা কৰে, "নেপালৰ জনসাধাৰণেই দেশৰ সৰ্বোচ্চ শক্তি। আমাক কোনেও ৰোধ কৰিব নোৱাৰে। আমি তেওঁলোকক ক্ষমতাৰ পৰা নমাই আনিম।" তেওঁৰ মুখ্য দাবীসমূহৰ ভিতৰত আছে বৰ্তমানৰ সংসদৰ পদত্যাগ, যেন-জিৰ আকাংক্ষা প্ৰতিফলিত কৰা অন্তৰ্বৰ্তীকালীন চৰকাৰৰ গঠন, আৰু নতুন ও সক্ষম নেতৃত্বৰ উত্থান। গুৰুং স্পষ্ট কৰে যে, যেন-জি আন্দোলনৰ লক্ষ্য নেপালৰ সংবিধান বাতিল কৰা নহয়, বৰং ইয়াক সংশোধনৰ জৰিয়তে উন্নত কৰা। পূৰ্বে কাৰ্কীক সমৰ্থন জনোৱাৰ পিছতো, ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেলৰ উপস্থিতিত শপত গ্ৰহণৰ পিছত গুৰুংৰ সমালোচনাত্মক অৱস্থানে দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তেওঁ কয়, "আমি প্ৰধানমন্ত্ৰী বা চৰকাৰ বিচৰা নাই। মই নিজেই এই পদ গ্ৰহণ কৰিলোহেঁতেন কিন্তু আমি বিচাৰো পৰিৱৰ্তন। ক্ষমতাত উপনীত হৈ অহংকাৰী হোৱাৰ কোনো প্ৰয়োজন নাই। এতিয়া প্ৰতিজন নেপালীৰ মাত শুনাৰ সময়।" উল্লেখযোগ্য যে, দেওবাৰে কাঠমাণ্ডুৰ ৰিপ'ৰ্টাৰছ ক্লাবত গুৰুংৰ আয়োজিত সংবাদমেলত পৰিস্থিতি উত্তপ্ত হৈ পৰিছিল। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ ভাবুকিমূলক ভাষা ব্যৱহাৰ কৰিছিল, যাৰ ফলত তেওঁৰ সমৰ্থক আৰু সংবাদ মাধ্যমৰ সদস্যৰ মাজত কথাৰ কটা-কটিৰ পৰা ঠেলাঠেলিলৈকে পৰিস্থিতি গঢ়ি তুলিছিল। গুৰুংৰ সতৰ্কবাণীত তেওঁ কয়, "আমাৰ দাবী পূৰণ নহ'লে এই চৰকাৰকো উৎখাত কৰা হ'ব।" ইফালে, অন্তৰ্বৰ্তীকালীন প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ পিছত সুশীলা কাৰ্কীয়ে ঘোষণা কৰিছিল যে, দুৰ্নীতি বিৰোধী প্ৰতিবাদৰ সময়ত প্ৰাণ হেৰুওৱাসকলক 'শ্বহীদ' হিচাপে স্বীকৃতি দিয়া হ'ব। তেওঁ মৃতকৰ পৰিয়ালৰ বাবে ১০ লাখ নেপালী টকাৰ ক্ষতিপূৰণ আৰু আহতসকলৰ চিকিৎসাৰ খৰচ চৰকাৰে বহন কৰাৰ কথাও ঘোষণা কৰিছিল। কিন্তু, দুদিন আগলৈকে গুৰুংৰ সমৰ্থন লাভ কৰা কাৰ্কীৰ বিৰুদ্ধে তেওঁৰ এই প্ৰতিবাদে নেপালৰ ৰাজনৈতিক পৰিস্থিতিক নতুন মোৰলৈ লৈ গৈছে। এই আন্দোলনৰ পৰৱৰ্তী ৰূপ কি হ'ব, তাৰ ওপৰত দেশজুৰি তীক্ষ্ণ দৃষ্টি ৰখা হৈছে।

## অসমত দৈনিক গড়ে ২০টা

২০টা দুৰ্ঘটনা সংঘটিত হৈছে, য'ত প্ৰতিদিন ৯ জনৰ প্ৰাণহানি আৰু ১৬জন আহত হৈছে। এই তথ্যই ৰাজ্যৰ বাবে গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰণালয়ৰ "ৰোড এক্সিডেণ্ট ইন ইণ্ডিয়া ২০২৩" শীৰ্ষক প্ৰতিবেদনত পথ দুৰ্ঘটনাৰ ভয়ংকৰ চিত্ৰ প্ৰকাশ পাইছে। প্ৰতিবেদন অনুসৰি, ৰাজ্যখনত বছৰি গড়ে ৭, ০০০ৰো অধিক পথ দুৰ্ঘটনা সংঘটিত হয়, য'ত ৩, ০০০ লোকৰ মৃত্যু আৰু ৫, ০০০ৰো অধিক লোক আহত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য বৃদ্ধি, পথৰ সম্প্ৰসাৰণ আৰু যাতায়াত ব্যৱস্থাৰ উন্নতিৰ সত্ত্বেও পথ দুৰ্ঘটনাৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। বছৰ অনুসৰি তথ্য পৰ্যালোচনা কৰিলে দেখা যায়, ২০২০ চনত ৬, ৫৯৫টা দুৰ্ঘটনাত ২, ৬২৯ জনৰ মৃত্যু আৰু ৫, ২৬৯জন আহত হৈছিল। ২০২১ চনত ৭, ৪১১টা দুৰ্ঘটনাত ৩, ০৩৬ জনৰ মৃত্যু আৰু ৫, ৭৬৩জন আহত হৈছিল। ২০২২ চনত ৭, ০২৩টা দুৰ্ঘটনাত ২, ৯৯৪ জনৰ মৃত্যু আৰু ৫, ৬৩৭জন আহত হৈছিল। ২০২৩ চনত ৭, ৪২১টা দুৰ্ঘটনাত ৩, ২৯৬ জনৰ মৃত্যু হৈছিল, আৰু ৫, ৯১৭জন আহত হৈছিল। এই ৭, ৪২১টা দুৰ্ঘটনাৰ ভিতৰত ৩, ১০১টাৰ ফলত মৃত্যু ঘটিছিল, আৰু ইয়াৰ ভিতৰত ১, ৫৬৪ জনৰ মৃত্যু হৈছিল ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত দুৰ্ঘটনাত। প্ৰতিবেদনত উল্লেখ আছে যে, ২০২৩ চনত ২, ৯৭৯টা দুৰ্ঘটনা অত্যাধিক গতিৰ বাবে, ১০৬টা সুৰাপান কৰি বাহন চলোৱাৰ বাবে, আৰু ১০৫টা মোবাইল ফোন ব্যৱহাৰৰ বাবে সংঘটিত হৈছিল। ইয়াৰ উপৰি, পথৰ গাঁতৰ বাবে ২৭১টা দুৰ্ঘটনা ঘটিছিল। ২০২২ চনৰ তথ্য অনুসৰি, নিহতসকলৰ ভিতৰত ১৮ বছৰৰ তলৰ ১৭৩ জন, ১৮-২৫ বছৰৰ ৭৯৫ জন, ৩৫-৪৫ বছৰৰ ৬০৯ জন, আৰু ৬০ বছৰৰ উৰ্ধ্বৰ ৩১জন আছিল। অত্যাধিক গতিৰ বাহন চলোৱাটো পথ দুৰ্ঘটনাৰ প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে। পৰিবহণ বিভাগৰ পথ সুৰক্ষাৰ অৱসৰপ্ৰাপ্ত কাৰিকৰী বিষয়া জয়ন্ত দাসে কয়, "পথ দুৰ্ঘটনাৰ পিছত একাধিক কাৰণ জড়িত। ৰাষ্ট্ৰীয় ঘাইপথ, ফ'ৰলেন, আৰু ৰাজ্যিক পথৰ আধৰুৱা অৱস্থা তথা কাৰিকৰী বিসংগতি এটা গুৰুত্বপূৰ্ণ দিশ। পথ নিৰ্মাণৰ সময়ত বিজ্ঞানসন্মত অধ্যয়নৰ অভাৱৰ বাবে কাৰিকৰী ত্ৰুটিৰ ফলতো বহু দুৰ্ঘটনা ঘটে। ইয়াৰ উপৰি, ভুল দিশত বাহন চলোৱা, মোবাইল ফোনৰ ব্যৱহাৰ, সুৰাপান, আৰু জৰাজীৰ্ণ পথৰ বাবেও দুৰ্ঘটনা বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসমতেই পথ দুৰ্ঘটনাৰ হাৰ সৰ্বাধিক।" ৰাজ্য চৰকাৰে পথ দুৰ্ঘটনা ৰোধৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিলেও এই ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা নাই। পথ দুৰ্ঘটনাৰ ক্ৰমবৰ্ধমান হাৰে ৰাজ্যৰ বাবে এক গুৰুতৰ চিন্তাৰ বিষয় হৈ পৰিছে। এই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কঠোৰ আইন প্ৰয়োগ, পথৰ উন্নতি, আৰু জনসচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তা প্ৰতিবেদনত উঠি আহিছে।

## মোদী আৰু ৰাহুল গান্ধীয়ে

কৰিছে। তেওঁৰ মতে, এই দুই নেতাই বিহাৰত উপস্থিত হৈ কেৱল পৰস্পৰৰ বিৰুদ্ধে গালি-গালাজত লিপ্ত হয়, কিন্তু ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বিষয়ে কোনো কথা নকয়। প্ৰশান্ত কিশোৰে কয়, "প্ৰধানমন্ত্ৰী মোদী বিহাৰলৈ আহি ৰাহুল গান্ধী আৰু লালু যাদৱৰ ওপৰত আক্ৰমণ কৰে। একেদৰে, ৰাহুল গান্ধীয়ে বিহাৰত উপস্থিত হৈ মোদীক লক্ষ্য কৰি সমালোচনা কৰে।" তেওঁ আৰু কয়, "কিন্তু এই নেতাৰ কোনোৱেই বিহাৰৰ প্ৰকৃত সমস্যাৰ সমাধানৰ কথা উল্লেখ নকৰে। বিহাৰৰ পৰা প্ৰব্ৰজন কেতিয়া বন্ধ হ'ব? বানপানীৰ সমস্যা কেতিয়া নিৰ্মূল হ'ব? ৰাজ্যখনত কাৰখানা স্থাপনৰ বাবে কি পদক্ষেপ লোৱা হৈছে? এই প্ৰশ্নৰ উত্তৰ প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰথমে দিব লাগে।" কিশোৰৰ এই মন্তব্যই বিহাৰৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত নতুন বিতৰ্কৰ সূচনা কৰিছে। তেওঁৰ দাবী, ৰাজনৈতিক নেতাসকলে পৰস্পৰৰ বিৰুদ্ধে অভিযোগ-প্ৰত্যাভিযোগৰ পৰিৱৰ্তে ৰাজ্যৰ উন্নয়ন আৰু জনসাধাৰণৰ সমস্যা সমাধানৰ দিশত মনোযোগ দিয়া উচিত।

## ট্ৰেডিং কেলেংকাৰীৰ ধন

কৰে। মঙলবাৰে সংঘটিত এই ঘটনাই ৰাজ্যত তীব্ৰ চৰ্চাৰ জন্ম দিছে। বিগত বছৰত অসমত অনলাইন ট্ৰেডিং কেলেংকাৰীৰ ঘটনাই ব্যাপকভাৱে চৰ্চিত হৈছিল। ডিব্ৰুগড়সহ ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই প্ৰৱঞ্চনাৰ সৈতে জড়িত বহু ব্যক্তি আৰক্ষীৰ হাতত আটক হৈছে। এনে পৰিপ্ৰেক্ষিতত, প্ৰশান্ত পালৰ এই ঘটনাই নতুন মাত্ৰা যোগ কৰিছে। জানিব পৰা মতে, প্ৰশান্ত পালে ট্ৰেডিংৰ নামত কোটি কোটি টকা আত্মসাৎ কৰি পলাতক হৈ আছিল। ওৰিশ্যাৰ কটকত চলিত বছৰৰ জানুৱাৰীত তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু হোৱাৰ পিছত তেওঁ ওৰিশ্যা এৰি পলায়ন কৰে। কলকাতা আৰু গুৱাহাটীত আত্মগোপন কৰাৰ পিছত তেওঁ ডিব্ৰুগড়ৰ পল্টন বজাৰৰ পাকিজা লজত বিগত তিনিমাহ ধৰি লুকাই আছিল। আৰক্ষীয়ে তেওঁৰ অৱস্থানৰ তথ্য লাভ কৰি মঙলবাৰে ওৰিশ্যা আৰক্ষীৰ সহযোগত ডিব্ৰুগড়ৰ বৰবৰুৱা আৰক্ষীয়ে তেওঁক পাকিজা লজৰ পৰা আটক কৰে। আটকৰ পিছত বৰবাৰী আৰক্ষী চকীলৈ আইনী প্ৰক্ৰিয়াৰ বাবে লৈ যোৱাৰ সময়ত প্ৰশান্ত পালে আৰক্ষীৰ বেষ্টনীৰ মাজতে কাঁচ ভাঙি নিজৰ ডিঙি কাটি আত্মহত্যাৰ চেষ্টা কৰে। ঘটনাৰ পিছত ততাতৈয়াকৈ তেওঁক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয়। বৰ্তমান তেওঁ চিকিৎসাধীন হৈ আছে, যদিও তেওঁৰ অৱস্থা সংকটমুক্ত বুলি জানিব পৰা গৈছে। এই ঘটনা সম্পৰ্কে আৰক্ষীয়ে আনুষ্ঠানিকভাৱে কোনো মন্তব্য প্ৰকাশ কৰা নাই।

## জনজাতিকৰণৰ ক্ষেত্ৰত

জিলাৰ কেইবাটাও পৰিষদীয় সমষ্টিত এতিয়া নিৰ্বাচনী গৰম বতাহ বলিছে। বড়োভূমিৰ ক্ষমতা দখলৰ বাবে বিজেপি সম্পূৰ্ণ সমুখ সমৰত নামি পৰা দেখা গৈছে। আজি ওদালগুৰিৰ জিলাৰ ৩৪ নম্বৰ খালিংদুৱাৰ সমষ্টিৰ পলাহগড় খেল পথাৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি বিটিআৰত শান্তি, উন্নয়ন আৰু প্ৰগতিৰ সৃষ্টি কৰাৰ লগতে যিকোনো সমস্যা সমাধান কৰিব পাৰিব এক মাত্ৰ বিজেপি চৰকাৰে। ৰাইজে এইবাৰ আমাক বিচাৰিছে। গতিকে বিটিআৰত বিজেপি চৰকাৰ হোৱাটো এশ শতাংশ নিশ্চিত বুলি আজি ৩৪ নম্বৰ খালিংদুৱাৰ সমষ্টিত বিজেপি প্ৰাৰ্থী অৰ্জুন দৈমাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব আহি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইদৰে নিৰ্বাচনী ভাষণ দিয়ে। ভাষণত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আৰু কয় যে আমি কাৰো বিৰোধী নহয়। কিন্তু উন্নয়ন শান্তি আৰু প্ৰগতি আনিব লাগিলে বিজেপিৰ চৰকাৰ লাগিবই। আনহাতে বিটিআৰ চৰকাৰখনক কটাক্ষ কৰি মুখ্যমন্ত্ৰী শৰ্মাই আৰু কয় আমি বছৰত বিটিআৰ চৰকাৰক এক হাজাৰ কোটি টকা দিওঁ কিন্তু তাৰ হিচাপ আজিলৈকে নাই। বিটিআৰ চৰকাৰে ইমান বোৰ টকা কি কামত ব্যৱহাৰ কৰে সেইটো এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। সকলো বোৰ আঁচনি ৰাজ্য চৰকাৰেহে প্ৰদান কৰি আহিছে। বিটিচি চৰকাৰে কি কাম কৰি আছে এতিয়া সকলো ৰাইজে বুজি পাইছে। এইবাৰ বিটিআৰত ট্ৰিপল ইঞ্জিনৰ চৰকাৰ হ'লে বিজেপি আগবাঢ়ি যাব। দিল্লী, দিছপুৰ আৰু কোকৰাঝাৰ একে লগে বান্ধিলে ফুলৰ মালাধাৰি ভাল লাগিব। যিহেতু এজনে আন জনক বাদদি আগবাঢ়ি যাব নোৱাৰে। মুখ্যমন্ত্ৰী গৰাকীয়ে নিৰ্বাচনী ভাষণত আৰু কয় যে এইবাৰ বিটিআৰত পাঁচ লাখ মহিলাক অৰুনোদয় দিয়া হব। ওদালগুৰিত মেডিকেল কলেজ স্থাপন কৰা হ'ব। খালিং দুৱাৰ সমষ্টিৰ মনোনীত প্ৰাৰ্থী অৰ্জুন দৈমাৰীয়ে মুখ্যমন্ত্ৰীক দৃষ্টি আকৰ্ষণ কৰা খালিংদুৱাৰ সমষ্টিৰ ৰাজহুৱা অনুষ্ঠান টংলাত ৰেলৰে অভাৰ ব্ৰীজ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতি ভৱন পুনৰ নিৰ্মাণ, বেডমিণ্টন ষ্টেডিয়াম নিৰ্মাণ, পানেৰী মহাবিদ্যালয় প্ৰাদেশীকিকৰণ, পানেৰী চিকিৎসালডয় পুনৰ নিৰ্মাণ, পুৰন্দিয়া আঞ্চলিক খেল পথাৰ নিৰ্মাণ, পলাহগড়ত মিনি ষ্টেডিয়াম নিৰ্মাণ আৰু পলাহগড়ত অসম আন্দোলনৰ ষষ্ঠ জাতীয় শ্বহীদৰ পবিত্ৰ সোঁৱৰণত শ্বহীদ বেদী নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে হাজাৰ হাজাৰ ৰাইজক জানিবলৈ দিয়ে। তেওঁ আৰু কয় বিটিআৰত বাস কৰা সকলো ৰাইজে ভূমিৰ অধিকাৰ পাব লাগিব আনহাতে বিটিআৰ চৰকাৰে জনজাতিকৰণৰ ক্ষেত্ৰত ২৬টা জনগোষ্ঠীক সমৰ্থন দিব লাগিব, টকা নিদিয়াকৈ সকলোৰে সমান সুবিধা পাব লাগিব বুলি কয়। বিটিআৰত থকা ভিচিডিচিবোৰৰ দুৰ্নীতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে আৰু কয় যে এইবাৰ আমাৰ চৰকাৰ আহিলে ভিচিডিচিবোৰ এন্দুৰ গাতৰ ভিতৰৰ সোমাব, এন্দুৰ নিগনি বোৰক মাৰি পেলাব লাগিব আৰু এই এন্দুৰ নিগনি বোৰক চিৰদিনৰ কাৰণে বিদায় দিব লাগিব বুলি কয়। তেখেতে আৰু কয় যে বিটিআৰত থকা বঙালী মানুহসকল ডি ভোটাৰ নহয়। বিজেপি চৰকাৰে বাথৌ থানচালিৰ পৰা মন্দিৰ নামঘৰ লৈকে আমি সকলোৰে লগত আছোঁ আৰু একে লগে থাকিম বুলি আজি ওদালগুৰিৰ জিলাৰ ৩৪ নম্বৰ খালিংদুৱাৰ সমষ্টিৰ অন্তৰ্গত পলাহগড় খেল পথাৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্বশৰ্মাই উদ্দাত্ত ভাষণেৰে কয়। জিলা বিজেপিৰ উপ সভাপতি জয় কান্ত শৰ্মাই আঁতধৰা নিৰ্বাচনী সভাত জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰীয়ে আদৰণী ভাষণত কয় ৰাইজে এইবাৰ বি টি চিত বিজেপি চৰকাৰ বিচাৰিছে গতিকে উন্নয়ন হোৱাটো খাটাং। সভাত কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই। নিৰ্বাচনী ভাষণত কয় বড়োসকলে ভালদৰে নেতৃত্ব ল'ব এইবাৰ, আমি বড়ো -অবড়ো বুলি ৰাজনীতি নকৰোঁ, যত শান্তি প্ৰগতি থাকিব তাত সকলোৰে একে লগে সুবিধা পাব লাগিব, ঘৰে ঘৰে উন্নতি হব লাগিব বুলি কোৱাৰ লগতে তেওঁ আৰু কয় এইবাৰ আমি বৰ্তমান লৈকে অসমত ১৮খন মেডিকেল কলেজ স্থাপন কৰিলো। মামাই অসমৰ প্ৰতীক জিলাত এইবাৰ মেডিকেল কলেজ স্থাপন কৰিব। বি টি আৰত শান্তি প্ৰতিষ্ঠা, উন্নতি হলেহে অসম আগুৱাই যাব বুলি ব্যক্ত কৰে মন্ত্ৰী গৰাকীয়ে। মন্ত্ৰী পীযুষ হাজৰিকাই আৰু কয় আয়ুষ্মন কাৰ্ড ব্যৱহাৰ মানে বেমাৰ হোৱা বুজাই গতীকে সকলোয়ে সাৱধান হৈ থাকিব লাগিব যদিহে দুৰ্ভগ্যক্ৰমে বেমাৰ হয় চৰকাৰৰ ৫ লাখ টকা দিব চিকিৎসাৰ বাবেহে বুলি কয় খালিংদুৱাৰ পৰিষদীয় সমষ্টিত বিজেপিৰ শক্তি প্ৰদৰ্শন কৰে। আনহাতে সভাত ৰাজ্য সভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা আৰু ৩৪ নম্বৰ খালিং দুৱাৰ সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী অৰ্জুন দৈমাৰীয়েও ভাষণ দিয়ে। নিৰ্বাচনী সভাত বিধায়ক দিগন্ত কলিতা, বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক সভাপতি শান্তিউচ্ কুজুৰ, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেৱ, বিজেপি নেতা প্ৰণৱ লহকৰ, বিজেপিৰ খলিং দুৱাৰ মণ্ডল বিজেপিৰ সভাপতি অৰ্পণা মেধি উপস্থিত থাকে।

## হিমন্ত বিশ্ব শৰ্মাই সৰ্বানন্দ

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে। এক সাক্ষাৎকাৰত তেওঁ দাবী কৰে যে, ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ পিছত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আঁতৰাই মুখ্যমন্ত্ৰী পদৰ পৰা বঞ্চিত কৰিবলৈ শৰ্মাই ব্যাপক ষড়যন্ত্ৰ ৰচনা কৰিছিল। এই অভিযোগে অসমৰ ৰাজনৈতিক মহলত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। সত্যব্ৰত কলিতাই অগপৰ পৰা কংগ্ৰেছলৈ যোগদান কৰাৰ পিছত এই বিস্ফোৰক অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "যদি হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰীৰ পদত অধিকাৰ নিদিলেহেঁতেন, তেন্তে তেওঁ বিজেপিৰ একক চৰকাৰ গঠনত বাধা দিলেহেঁতেন। তাৰ পৰিৱৰ্তে, অগপ, এ.আই.ই.ইউ.ডি.এফ.-ৰ দৰে আঞ্চলিক দলসমূহৰ সৈতে মিলি বিকল্প মিত্ৰজোঁট গঠন কৰিলেহেঁতেন।" কলিতাই দৃঢ়ভাৱে দাবী কৰে যে, ২০২১ চনৰ জনাদেশ সৰ্বানন্দ সোণোৱালৰ পক্ষত আছিল, শৰ্মাৰ পক্ষত নহয়। তেওঁ কয়, "মানুহে সোণোৱালৰ মুখ চাইহে ভোট দিছিল।" কলিতাই আৰু অভিযোগ কৰে যে, শৰ্মাই সোণোৱালক ৰোধ কৰিবলৈ অধিক বিধায়কৰ সন্ধানত কৰিছিল আৰু ইয়াৰ ফলত তেওঁ নিজে এই ষড়যন্ত্ৰৰ বলি হৈছিল। তেওঁ কয়, ""দাদা বিগ্ৰেড'ৰ কিছুমান সদস্যক টিকট দিয়া হৈছিল, যাৰ ফলত অগপৰ ভিতৰত বিভাজনৰ সৃষ্টি হৈছিল।" ইয়াৰ উপৰি, ২০২১ চনৰ নিৰ্বাচনত নাগৰিকত্ব সংশোধনী আইন (সিএ)ৰ বিৰোধিতা কৰাৰ বাবে তেওঁক প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত কৰা হৈছিল বুলি অভিযোগ কৰে কলিতাই। তেওঁ অগপক ডাবল চাৰ্ডাৰ্ড (ডাবল ষ্টেণ্ডাৰ্ড) বুলি কটাক্ষ কৰি কয়, "এফালে অগপ সিএৰ বিৰোধত উচ্চতম ন্যায়ালয়লৈ গৈছিল, আনফালে তেওঁলোকৰ ৰাজ্যসভা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই সিএৰ সপক্ষে ভোট দিছিল। মই এই ভণ্ডামীৰ ভুক্তভোগী আছিলোঁ।" কংগ্ৰেছত যোগদানৰ বিষয়ত কলিতাই ব্যাখ্যা কৰে যে, অসম গণ পৰিষদ আৰু ৰাইজৰ দলৰ দৰে আঞ্চলিক দলসমূহ তৃণমূল পৰ্যায়ত দুৰ্বল হৈ পৰিছে। আনহাতে, কংগ্ৰেছৰ শক্তিশালী সাংগঠনিক ভিত্তি আগবঢ়াই তেওঁ কয় যে, এই যোগদানে কংগ্ৰেছক বিজেপিৰ বিৰুদ্ধে যুঁজি উঠিবলৈ এক শক্তিশালী অস্ত্ৰ দিছে। তেওঁৰ যোগদানৰ পিছত কংগ্ৰেছ কৰ্মীসকলৰ মাজত উত্থাপিত প্ৰতিবাদক তেওঁ 'আবেগিক প্ৰতিক্ৰিয়া' বুলি উল্লেখ কৰে। এই অভিযোগই অসমৰ ৰাজনীতিত নতুন ঢৌ তুলিছে। ২০২১ চনৰ নিৰ্বাচনৰ পিছত সৰ্বানন্দ সোণোৱালক পদত্যাগ কৰি হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হোৱাৰ পটভূমিত এই দাবীয়ে বিতৰ্কক জনম দিছে। কলিতাৰ এই বিস্ফোৰণে আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ মিত্ৰজোঁটৰ ভিত্তি দুৰ্বল কৰিব পাৰে বুলি ৰাজনৈতিক বিশে-যকসকলে মন্তব্য কৰিছে। মুখ্যমন্ত্ৰীৰ পৰা এই অভিযোগৰ প্ৰত্যুত্তৰ এতিয়াও আহিছে নাই।

## উমৰাংছ'ৰ অবৈধ ৰেট হল

প্ৰকাশ কৰিছে। মঙলবাৰে এখন ৰাজহুৱা স্বাৰ্থজড়িত ঘটনাৰ শুনানিৰ সময়ত মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে প্ৰশ্ন উত্থাপন কৰে যে, পূৰ্বৰ শ্ৰমিকৰ মৃত্যুৰ ঘটনাৰ পিছতো আৰু বাৰে বাৰে সতৰ্ক কৰাৰ পিছতো কেনেকৈ এনে অবৈধ খনন কাৰ্য এতিয়াও চলি আছে। শুনানিৰ সময়ত আদালতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ পৰা এই গোচৰ সম্পৰ্কে শপতনামা দাখিল নকৰাৰ বাবে তীব্ৰ সমালোচনা কৰে। ইয়াৰ বিপৰীতে, অসম চৰকাৰ আৰু ডিমা হাছাও জিলাৰ কৰ্তৃপক্ষই আদালতত নিজৰ প্ৰতিক্ৰিয়া জনাইছে। মহাধিবক্তা দেৱজিৎ লন শইকীয়াই জানিবলৈ দিছে যে, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত গঠিত তদন্ত কমিটিক এই ঘটনাৰ তদন্তৰ দায়িত্ব দিয়া হৈছে, আৰু দায়ী ব্যক্তিসকলক চিনাক্ত কৰাৰ কাম চলি আছে। উল্লেখ্য যে, ২০২৫ চনৰ এপ্ৰিল মাহত উমৰাংছ'ৰ কয়লাখনিত শ্ৰমিকৰ মৃত্যুৰ ঘটনাৰ পিছত এই ঘটনাটোৰ সূত্ৰপাত হৈছিল। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে মহাধিবক্তাক স্পষ্টভাৱে কয়, "এনে অবৈধ খনি পৰিচালনা কৰাসকলৰ বিৰুদ্ধে হত্যাৰ অভিযোগত গোচৰ ৰুজু কৰা উচিত। তেওঁলোকক জবাবদিহিতাৰ পৰা ৰেহাই দিয়াৰ কোনো সুযোগ নাই।" আদালতে কয় যে, শ্ৰমিকসকলক নিয়ন্ত্ৰণহীন আৰু বিপজ্জনক গাঁতলৈ পঠিওৱাটো এক গুৰুতৰ অপৰাধ। ইয়াৰ পূৰ্বে, এপ্ৰিল মাহত ডিমা হাছাওৰ মুখ্য ন্যায়িক দণ্ডাধীশে ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাৰ পত্নী কণিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছিল। তাৰ পিছৰে পৰা এই মামলাৰ তদন্তৰ দায়িত্ব বিশেষ তদন্তকাৰী দলৰ ওপৰত ন্যস্ত কৰা হৈছে। আদালতে এই গোচৰৰ পৰৱৰ্তী শুনানিৰ বাবে নবেম্বৰ মাহৰ তাৰিখ নিৰ্ধাৰণ কৰিছে।

## খোল খাইছে নূপুৰ

আদালতত হাজিৰ কৰোৱাৰ পিছত আদালতে এই নিৰ্দেশ জাৰি কৰে। নূপুৰ বৰাৰ সম্পত্তিৰ বিষয়ে প্ৰকাশ পোৱা তথ্যই সকলোকে বিস্মিত কৰিছে। ২০১৯ চনত এ.পি.এছ.চি.ৰ জৰিয়তে নিযুক্তি লাভ কৰা নূপুৰ বৰাই মাত্ৰ ছয় বছৰৰ কেৰিয়াৰত অসাধু উপায়েৰে কোটি কোটি টকাৰ সম্পত্তিৰ মালিক হৈছে বুলি অভিযোগ উঠিছে। মুখ্যমন্ত্ৰী তদাৰকী কোষৰ অভিযানত তেওঁৰ গুৱাহাটীৰ গোটানগৰৰ ফ্লেট আৰু বৰপেটাৰ ভাৰাঘৰত তালাচী চলোৱাৰ সময়ত ৯০ লাখ ৫০ হাজাৰ ৪০০ টকা নগদ আৰু প্ৰায় ডেৰ কোটি টকাৰ হীৰাৰ গহনা জব্দ কৰা হৈছে। এই অভিযানত নগদ ধনৰ পৰিমাণে চি.এম. ভিজিলেঞ্চৰ সৰ্বাধিক জব্দৰ ৰেকৰ্ড স্থাপন কৰিছে। নূপুৰ বৰাৰ দুৰ্নীতিৰ মূল উৎস আছিল মাটিৰ নামজাৰি আৰু অবৈধ হস্তান্তৰ। চৰকাৰী নিৰ্দেশনা অনুসৰি, সত্ৰৰ ভূমিৰ পৰা ৫ কিলোমিটাৰৰ ভিতৰৰ মাটি আন সম্প্ৰদায়ৰ লোকৰ হাতলৈ হস্তান্তৰ কৰা নিষিদ্ধ। কিন্তু বৰপেটাত ৰাজহ চক্ৰ বিষয়া হিচাপে কাৰ্যনিৰ্বাহৰ সময়ত নূপুৰে এই নিয়ম উলংঘা কৰি মাটি হস্তান্তৰৰ নামত বিপুল পৰিমাণৰ ধন সংগ্ৰহ কৰিছিল। ইয়াৰ উপৰি গৰৈমাৰীতো তেওঁ একে ধৰণৰ দুৰ্নীতিমূলক কামৰ জৰিয়তে টকা উপাৰ্জন কৰিছিল বুলি তথ্য প্ৰকাশ পাইছে। এই তথ্য মুখ্যমন্ত্ৰীৰ কাষ চাপিবলৈ চি.এম. ভিজিলেঞ্চে তদন্ত আৰম্ভ কৰে আৰু গোচৰ ৰুজু কৰে (গোচৰ নম্বৰ ২৫/২০২৫)। চি.এম. ভিজিলেঞ্চৰ অধীক্ষক ৰ'জী কলিতাই সংবাদ মাধ্যমৰ সৈতে কথা পাতি কয়, "মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি আমি কেইজনমান ৰাজহ চক্ৰ বিষয়াৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিছিলোঁ। নূপুৰ বৰাৰ দুৰ্নীতিৰ তথ্য পোৱাৰ পিছত গোচৰ ৰুজু কৰি সোমবাৰে তেওঁৰ গোটানগৰৰ ফ্লেট আৰু বৰপেটাৰ ভাৰাঘৰত অভিযান চলোৱা হৈছিল। এই অভিযানত ৯০ লাখ ৫০ হাজাৰ ৪০০ টকা নগদ আৰু প্ৰায় ডেৰ কোটি টকাৰ হীৰাৰ গহনা জব্দ কৰা হৈছে। তেওঁৰ গুগল পে' একাউণ্টত ৯ লাখ ৫০ হাজাৰ টকাৰ লেনদেনৰ তথ্যও উদ্ধাৰ হৈছে।" কলিতাই আৰু জানিবলৈ দিয়ে যে প্ৰাথমিক তদন্তত নূপুৰৰ নামত মহানগৰীৰ বেলতলা আৰু জালুকবাৰীত মাটি আৰু তিনিটা ফ্লেটৰ তথ্য পোৱা গৈছে। তেওঁৰ বিৰুদ্ধে একাধিক দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। বৰপেটাত ৰাজহ চক্ৰ বিষয়া হিচাপে কাৰ্যনিৰ্বাহৰ সময়ত তেওঁ সত্ৰৰ মাটিৰ সীমাৰ পৰা ৫ কিলোমিটাৰৰ ভিতৰৰ মাটি অবৈধভাৱে হস্তান্তৰ কৰিছিল। তেওঁৰ সহযোগী লাটমণ্ডল সুৰজিত ডেকাই তেওঁৰ কালে'ৰ হিচাপে কাম কৰিছিল। ২০২৩ চনৰ ১৮ জুনৰ পৰা বৰপেটাৰ ৰাজহ চক্ৰ বিষয়া হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি নূপুৰে সুৰজিতৰ সৈতে মিলি মাটিৰ নামজাৰি, সীমা চমজোৱা, বাটোৱাৰা, আৰু একচনিয়া মাটি ম্যাদীকৰণৰ নামত লাখ লাখ টকা সংগ্ৰহ কৰিছিল। তেওঁৰ দুৰ্নীতিৰ পৰিধি এনে আছিল যে টকাৰ বিনিময়ত যিকোনো অবৈধ মাটি-বাৰী সম্পৰ্কীয় কামক তেওঁ বৈধ কৰি দিছিল। ৰ'জী কলিতাই কয়, "নূপুৰ বৰা আৰু সুৰজিত ডেকাক সোমবাৰে নিশা গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁলোকক তিনিদিনৰ জিম্মাত লোৱাৰ বাবে আদালতত হাজিৰ কৰোৱা হৈছে। এই দুৰ্নীতিৰ সৈতে জড়িত অন্যান্য ব্যক্তিৰ বিৰুদ্ধেও তদন্ত চলি আছে আৰু তেওঁলোকো জালত পৰাৰ সম্ভাৱনা আছে।" এই ঘটনাই ৰাজ্যৰ প্ৰশাসনিক ক্ষেত্ৰত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। নূপুৰ বৰাৰ দুৰ্নীতিৰ এই পৰিমাণে সাধাৰণ জনতাকো স্তম্ভিত কৰিছে, আৰু তদন্তৰ পৰৱৰ্তী পদক্ষেপৰ প্ৰতি সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## বিধায়কৰ অশ্লীল ভিডিঅ'

বিদ্যাছিং ইংলেঙৰ জড়িত থকাৰ অভিযোগ উঠিছে। সামাজিক মাধ্যমত ব্যাপকভাৱে ভাইৰেল হৈ পৰা এই ভিডিঅ'টোত বিধায়কগৰাকীক এগৰাকী মহিলাৰ সৈতে অসংযত অৱস্থাত দেখা গৈছে বুলি দাবী কৰা হৈছে। এই ঘটনাই জিলাখনৰ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যাছিং ইংলেঙ এগৰাকী অভিজ্ঞ ৰাজনীতিবিদ। তেওঁ অসম বিধানসভালৈ চাৰিবাৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছে আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে পাঁচবাৰ দায়িত্ব পালন কৰিছে। কিন্তু এই ভাইৰেল ভিডিঅ'ৰ পৰিপ্ৰেক্ষিতত তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগে জনসাধাৰণৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। কাৰ্বি আংলং মহিলা কংগ্ৰেছে এই ঘটনাৰ তীব্ৰ নিন্দা জনাই বিধায়কৰ পদ খাৰিজৰ দাবী উত্থাপন কৰিছে। তেওঁলোকে এটা অৱস্থান ধৰ্মঘটৰ জৰিয়তে প্ৰতিবাদ জনোৱাৰ লগতে বিজেপিৰ এই নেতাৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ দাবী কৰিছে। জিলাখনৰ প্ৰধান বিৰোধী দল এ.পি.এইচ.এল.চি.ৰ সভাপতি জে.আই. কাথাৰেও এই ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ অসমৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু বিধানসভাৰ অধ্যক্ষৰ প্ৰতি এই বিষয়ত হস্তক্ষেপৰ আহ্বান জনাই বিধায়কৰ পদ খাৰিজৰ দাবী উত্থাপন কৰিছে। কাথাৰে অভিযোগ কৰিছে যে কাৰ্বি আংলং আৰক্ষী প্ৰশাসনে পূৰ্বেও ৰাজনৈতিক নেতাৰ বিৰুদ্ধে এনে অভিযোগৰ ক্ষেত্ৰত নীৰৱতা পালন কৰিছে। তেওঁ ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৬৮ আৰু ৬৯ৰ অধীনত বিধায়কৰ বিৰুদ্ধে বিচাৰৰ দাবীও জনাইছে। কংগ্ৰেছৰ মিডিয়া কোষৰ অধ্যক্ষ চেৰিশ্মা ৰংপিপীয়ে সাংবাদিকৰ সৈতে কথা পাতি কয়, "এগৰাকী বিধায়কৰ পৰা জনসাধাৰণে এনে আচৰণ আশা নকৰে। এই ধৰণৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাটো নৱপ্ৰজন্মৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব। সেয়েহে এই ভিডিঅ' অতি শীঘ্ৰে সামাজিক মাধ্যমৰ পৰা আঁতৰোৱাৰ ব্যৱস্থা কৰা উচিত। বিধায়কগৰাকীয়ে নিজৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰিব লাগে। বিজেপি দলে নিজকে সংস্কাৰমুখী বুলি দাবী কৰে, তেওঁলোকে নিজৰ বিধায়কৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।" এ.পি.এইচ.এল.চি.ৰ সভাপতি জে.আই. কাথাৰে এই বিষয়ত ক্ষোভ প্ৰকাশ কৰি কয়, "এনে পৰ্ণগ্ৰাফী ভিডিঅ'ৰ জৰিয়তে কাৰ্বি সম্প্ৰদায়ৰ সুনাম অসম তথা ভাৰতৰ সন্মুখত কলংকিত হ'ব। আমি এনে কাৰ্যক তীব্ৰ নিন্দা জনাইছো। এই ভিডিঅ'ৰ বিৰুদ্ধে আপত্তি জনোৱা কেইজনমান যুৱকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে, যিটো অত্যন্ত দুৰ্ভাগ্যজনক।" তেওঁ লগতে কয়, "বিধায়ক বিদ্যাছিং ইংলেঙৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৬৮ আৰু ৬৯ৰ অধীনত বিচাৰ কৰা উচিত। অসমৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু বিধানসভাৰ অধ্যক্ষই এই বিষয়ত গুৰুত্ব সহকাৰে হস্তক্ষেপ কৰি বিধায়কক তেওঁৰ পদৰ পৰা বৰ্খাস্ত কৰিব লাগে।" এই ঘটনাই কাৰ্বি আংলং জিলাৰ ৰাজনৈতিক পৰিৱেশক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। জনসাধাৰণৰ মাজত এই বিষয়ে তীব্ৰ প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছে, আৰু সামাজিক মাধ্যমতো এই বিষয়ে ব্যাপক আলোচনা চলি আছে। আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা এই বিষয়ত কি পদক্ষেপ গ্ৰহণ কৰা হ'ব, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক মহলত উত্তেজনা বাঢ়িবলৈ ধৰিছে, আৰু সকলোৰে দৃষ্টি এতিয়া বিজেপি দলৰ পৰৱৰ্তী পদক্ষেপৰ ওপৰত নিবদ্ধ হৈ আছে।

## অপাৰেচন সেন্দূৰে মাছুদ

পৰিয়ালৰ সদস্যসকল ভাৰতৰ অপাৰেচন সেন্দূৰৰ অংশ হিচাপে পাকিস্তানৰ বাহাৱালপুৰত সংঘটিত আক্ৰমণত নিহত হৈছিল বুলি সংগঠনটোৱে প্ৰথমবাৰৰ বাবে স্বীকাৰ কৰিছে। এক ভাইৰেল ভিডিঅ'ত জৈছৰ শীৰ্ষ সেনাধ্যক্ষ মাছুদ ইলিয়াছ কাশ্মীৰীক সংগঠনটোৰ এই ক্ষতিৰ কথা স্বীকাৰ কৰা দেখা গৈছে। তেওঁ কয়, "৭ মে'ত বাহাৱালপুৰৰ জৈছৰ মুখ্য কাৰ্যালয় জামিয়া মছজিদ চুভান আল্লাহৰ ওপৰত ভাৰতীয় বাহিনীৰ আক্ৰমণত মৌলানা মাছুদ আজহাৰৰ পৰিয়াল ছিন্নভিন্ন হৈ পৰিছিল।" কাশ্মীৰীৰ মতে, এই আক্ৰমণে সংগঠনটোৰ ওপৰত গভীৰ আঘাত হানিছিল। এই অভিযান আৰম্ভ হৈছিল ২২ এপ্ৰিলত পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধ হিচাপে, য'ত ২৫জন পৰ্যটকৰ মৃত্যু হৈছিল। ভাৰতীয় বাহিনীয়ে পাকিস্তানৰ গভীৰ অঞ্চলত সাহসী বিমান আক্ৰমণ চলাই বাহাৱালপুৰৰ জৈছৰ কাৰ্যালয়ৰ উপৰিও আন আঠটা সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰিছিল। লাহোৰৰ পৰা ৪০০ কিলোমিটাৰ দূৰৈত অৱস্থিত বাহাৱালপুৰত সংঘটিত এই আক্ৰমণত আজহাৰৰ পৰিয়ালৰ ১০জন সদস্য নিহত হৈছিল, য'ত তেওঁৰ ভনীয়েক, ভনীয়েকৰ স্বামী, ভাগিন আৰু অন্যান্য সন্তানসহ আজহাৰৰ চাৰিজন সহায়কো আছিল। উপগ্ৰহৰ ছবিত দেখা গৈছে যে, আক্ৰমণৰ ফলত জামিয়া মছজিদৰ এটা গম্বুজৰ ব্যাপক ক্ষতি হৈছিল আৰু ভিতৰৰ অংশ সম্পূৰ্ণৰূপে ধ্বংস হৈ পৰিছিল। যদিও পাকিস্তান চৰকাৰে এই ঘটনাৰ কথা কেতিয়াও ৰাজহুৱাভাৱে স্বীকাৰ কৰা নাই, প্ৰত্যক্ষদৰ্শী আৰু বিদেশী সংবাদ মাধ্যমৰ তথ্য অনুসৰি, মে' মাহত আজহাৰৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ৰাষ্ট্ৰীয় অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠিত হৈছিল। সাধাৰণতে ৰাজহুৱা স্থানত কম দেখা পোৱা আজহাৰ এই অনুষ্ঠানত চমু সময়ৰ বাবে উপস্থিত হৈ কেইমিনিটৰ ভিতৰতে স্থান ত্যাগ কৰিছিল। ৰাষ্ট্ৰসংঘৰ দ্বাৰা নিষিদ্ধ সন্ত্ৰাসবাদী হিচাপে তালিকাভুক্ত মাছুদ আজহাৰ ২০১৬ চনৰ পাঠানকোট আক্ৰমণ আৰু ২০১৯ চনৰ পুলৱামা আক্ৰমণৰ দৰে ভাৰতত সংঘটিত বৃহৎ সন্ত্ৰাসবাদী ঘটনাৰ মাষ্টাৰমাইণ্ড হিচাপে পৰিচিত, য'ত ৪৪জন জোৱানৰ মৃত্যু হৈছিল। শেহতীয়া গোপন তথ্য অনুসৰি, আজহাৰক শেষবাৰৰ বাবে পাকিস্তান অধিকৃত কাশ্মীৰৰ গিলগিট-বাল্টিস্তান অঞ্চলৰ জনপ্ৰিয় পৰ্যটন কেন্দ্ৰ স্কাৰডুত দেখা গৈছিল, যিটো তেওঁৰ বাহাৱালপুৰৰ দুৰ্গৰ পৰা ১, ০০০ কিলোমিটাৰৰো অধিক দূৰত্বত অৱস্থিত। এই তথ্যই পাকিস্তানৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী বিলৱাল ভুট্টো জাৰ্দাৰীৰ এই দাবীক খণ্ডন কৰে যে আজহাৰ আফগানিস্তানত আত্মগোপন কৰি আছে। এই ঘটনাই ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ অৱস্থান আৰু সাহসী সামৰিক কাৰ্যকলাপৰ সফলতাক পুনৰ স্পষ্ট কৰিছে। অপাৰেচন সেন্দূৰৰ প্ৰভাৱে জৈছ-ই-মহম্মদৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰ মেৰুদণ্ড ভাঙি পেলোৱাৰ ক্ষেত্ৰত ভাৰতৰ দৃঢ়তাক প্ৰমাণ কৰিছে।

আপকুৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগ

# ওৰাং কেবিআৰ মহাবিদ্যালয়ত সাংবাদিক-নাগৰিকৰ মুকলি মত-বিনিময়, বিশেষ সম্বৰ্ধনা

## নেতিবাচক খবৰ সমাজৰ কাৰণে বিষাক্ত ঃ মণ্টু শইকীয়া



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৬ ছেপ্টেম্বৰ** ঃ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হৈছে সাংবাদিক সকল, কিন্তু এই চতুৰ্থ স্তমভ সাংবিধানিক বা চৰকাৰী হিচাপে স্বীকৃতি পোৱা নহয়, ইয়াক সাংবাদিক সকলে নিজস্ব কৰ্ম দক্ষতা আৰু নিজৰ দায়িত্বৰ ভিত্তিত পোৱা এটা স্বীকৃতি মাথোঁ। বৰ্তমান সময়ত গণতন্ত্ৰৰ চতুৰ্থ স্তমভ যষ্ঠ স্তম্ভলৈ উন্নীত হৈছে। তাৰে ভিতৰৰ পঞ্চম স্তমভটো হৈছে আমাৰ সমাজৰ সচেতন নাগৰিকসকল আৰু ষষ্ঠ স্তমভটো হৈছে দেশৰ পূঁজিপতি সকল যিয়ে দেশ এখনক আৰ্থিকভাৱে সহায় কৰিব পাৰে। বৰ্তমান সময়ত সঁচা খবৰবোৰৰ টিআৰপি নোহোৱা হৈছে যাৰ ফলত মিডিয়াবোৰ নেতিবাচক খবৰলৈ ঢাল খাইছে, আৰু এই নেতিবাচক খবৰ সমাজৰ কাৰণে বিষাক্ত হৈ পৰিছে বুলি আমাৰ অসম কাকতৰ সহকাৰী সম্পাদক মণ্টু শইকীয়াই কয়। আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্ট ইউনিয়ন চমুকৈ আপকুৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত ওৰাংস্থিত কলাগুৰু বিষুও ৰাভা কনিষ্ঠ মহাবিদ্যালয়ত আজি অনুষ্ঠিত হোৱা সাংবাদিক- নাগৰিকৰ মুকলি মত-বিনিময় আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে আসন অলংকৃত কৰি আমাৰ অসমৰ সহ: সম্পাদক মণ্টু শইকীয়াই পুনৰ কয় যে সাংবাদিক সকলে সাংবাদিকতাৰ অস্ত্ৰপাত ব্যৱহাৰ কৰোঁতে বহু সাৱধান হ'ব লাগে কাৰণ এইপাত অস্ত্ৰৰ দুয়োফালে চোকা ধাৰ থাকে। বৰ্তমান সময়ত মিডিয়া ফণ্টলাইন হৈ থকা নাই। সকলো চচিয়েল মিডিয়ালৈ পৰিবৰ্তন হৈছে। এই চচিয়েল মিডিয়াও এতিয়া লাহে লাহে নিউ মিডিয়ালৈ ঢাপলি মেলিছে যিয়ে নেকি বহুজনৰ পৰা হাজাৰ জনলৈ বিয়পি পৰিছে। আমাৰ অসম কাকতৰ সহকাৰী সম্পাদক মণ্টু শইকীয়াই যুৱ প্ৰজন্মক উদ্দেশ্যি আৰু কয় যে বৰ্তমান কৃত্ৰিম বুদ্ধিমত্তাৰ যুগ গতিকে আমাৰ প্ৰজন্মক সময়ৰ লগত খোজ মিলাই আগবাঢ়ি আহিবলৈ আহ্বান জনায়। আনহাতে সমাজ সেৱক বিনোদ কুমাৰ বৈশ্যই সঞ্চালন কৰা মত বিনিময় অনুষ্ঠানত ওৰাং বড়ো ছাত্ৰ সন্থাৰ উপদেষ্টা ৰমিঅ বসুমতাৰীয়ে সাংবাদিক সকলক জনমত শক্তিশালী কৰিবলৈ আহ্বন জনোৱাৰ লগতে দৈনন্দিন বাৰ্তাৰ কাৰ্যবাহী সম্পাদক ডিম্পুল চুতীয়া, জ্যেষ্ঠ সাংবাদিক অঞ্জন গোস্বামী, কলাগুৰু বিষুৱাভা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিনন নাৰ্জাৰী, ২ নং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীনেশ্বৰ বৰুৱা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুকুমাৰ দাস, শিক্ষক বিদ্যুৎ প্ৰাণ চহৰীয়া, ওৰাং থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৰৎ চন্দ্ৰ কলিতাই সাংবাদিকৰ নীতি আদৰ্শৰ বিষয়ে মন্তব্য ডাঙি ধৰে। জ্যেষ্ঠ সাংবাদিক গৌৰী শংকৰ দাস, গৌতম জ্যোতি তালুকদাৰ, ওদালগুৰি জিলা আপকুৰ প্ৰাক্তন সভাপতি বাপন শৰ্মা, উপদেষ্টা নাৰায়ণ ডেকা, কেন্দ্ৰীয় সমিতি আপকুৰ কাৰ্যনিৰ্বাহক সদস্য ধীৰেন মহলীয়া, কেবিআৰ কলেজৰ অধ্যাপক ইংকু নাথ প্ৰমুখ্যে বিশিষ্ট অতিথি উপস্থিত থাকে। আনহাতে দৈনন্দিন বাৰ্তা কাকতৰ হৰিশিঙাৰ সংবাদসেৱী নিবাৰণ ৰাভা, প্ৰাগ নিউজৰ বড়ো বিভাগৰ সংবাদসেৱী জোনাছ বাগলাৰীক নগদ ধনসহ সাংবাদিকতাৰ বঁটা প্ৰদান কৰা অনুষ্ঠানত জিলাখনৰ জ্যেষ্ঠ কনিষ্ঠ, সাংবাদিক, নাগৰিক, কৃতী শিক্ষক, সাংস্কৃতিক কৰ্মী, ব্যৱসায়িক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানৰ আগমুহুৰ্তত পুৱা ১০ বজাত বিশিষ্ট শিল্পী লোহিত হাজৰিকাই সহযোগী শিল্পী প্ৰফুল্ল ডেকা আৰু দায়াল ডেকাৰ সহযোগত পেঁপা, বাঁহী, গগনা, ঢোল, বিহুগীত আদিৰে অনুষ্ঠানখনি জীপাল কৰি তোলে।

ভাওনা, অংকীয়া নাটৰ লগতে দুয়োটা দিনত পুৱা ভাগৰ পৰা সন্ধ্যালৈ ভোৰতাল, খোল-বাদন, বৰগীত, সত্ৰীয়া নৃত্যৰ অনুষ্ঠানে মুগ্ধ কৰিলে দৰ্শকক

# আছুৰ উদ্যোগত গেৰুৱাত ভাওনা সমাৰোহৰ সফল সামৰণ

**অসম বাৰ্তা, ভূৰাগাঁও, ১৬ ছেপ্টেম্বৰ** ঃ সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ অন্যতম আঞ্চলিক, গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ভাওনা সমাৰোহৰ যোৱা নিশা সফল সমাপ্তি ঘটে। ছাত্ৰ সন্থাৰ গেৰুৱা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু গেৰুৱাবাসী ৰাইজৰ সহযোগত অহা ১২ ছেপ্টেম্বৰৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল এই ভাওনা সমাৰোহ। কাৰ্যসূচী অনুসৰি ১২ ছেপ্টেম্বৰত নিৰ্ধাৰিত সময় মতে পুৱা ৯-৩০ বজাত ভাওনা সমাৰোহৰ মুল দ্বাৰ উন্মোচন কৰে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। পৰৱৰ্তী সময়ত ক্ৰম অনুসৰি সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভানেত্ৰী ৰীতিযা খাটনিয়াৰ আৰু ভাওনা সমাৰোহ অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি গন্ধৰ্ব কোঁৱৰে। একেদৰে ছহিদ তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰে যুটীয়া ভাৱে অভ্যৰ্থনা সমিতিৰ সম্পাদক অংকুৰ ডেকা আৰু গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নেকিবুৰ ৰহমানে। ইয়াৰ সমান্তৰালকৈ ভাওনা সমাৰোহ উপলক্ষে নিৰ্মাণ কৰা অস্থায়ী মণিকূট স্থাপন, ভোজনালয়ৰ দ্বাৰ উন্মোচন, নাম প্ৰসঙ্গ আদি কাৰ্যসূচী সমূহ সম্পন্ন হয়। আবেলি ৩ মান বজাৰ পৰা স্থানীয় শিল্পী আৰু ছাত্ৰ - ছাত্ৰী সকলে পৰিবেশন কৰে বৰগীত, জিকিৰ, সত্ৰিয়া নৃত্যকে প্ৰমোখ্য কৰি বিভিন্ন ধৰণৰ শংকৰী কলা কৃষ্টি। সন্ধিয়া গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সম্পাদক, বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা বন্তি প্ৰজ্বলন কাৰ্যসূচীত ভাগ লয় প্ৰাক্তন আছু কৰ্মী আৰু জ্যেষ্ঠ নাগৰিক সকলে। নিশা ভাওনা সমাৰোহৰ ৰংগ মঞ্চত মঞ্চস্থ কৰা হয় "মৎস্য অৱতাৰ" নামৰ ভাওনা। জিলাখনৰ বাঘজাপ জগতগুৰু নাট্য সমাজে পৰিবেশন কৰা ভাওনাখন উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। ইফালে ভাওনা সমাৰোহ উপলক্ষে প্ৰণৱ গোস্বামীৰ সম্পাদনাত প্ৰকাশিত মুখপত্ৰ খনো উদ্বোধনী অনুষ্ঠানতে আনুষ্ঠানিকভাৱে উন্মোচন কৰে মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত কংকন জ্যোতি শৰ্মাই। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিছাবে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধী, জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী আৰু সাধাৰণ সম্পাদক শিৱ দাসকে ধৰি ছাত্ৰ সংগঠনটোৰ বহু কেইগৰাকী বিষয়ববীয়া। আনহাতে অন্তিম দিনা ১৩ ছেপ্টেম্বৰৰ পুৱা ১০ বজাত নাম প্ৰসঙ্গৰ পাছতে দুপৰীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু আমন্ত্ৰিত শিল্পী সকলৰ দ্বাৰা এটি সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰা হয়। গেৰুৱা গজালি সংগীত বিদ্যালয় ছাত্ৰ ছাত্ৰী, গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, গেৰুৱা বালিকা এম ই স্কুলৰ ছাত্ৰ - ছাত্ৰী সকলে পৰিবেশন কৰা ভোৰতাল নৃত্য, সত্ৰিয়া নৃত্য, দিহা নাম, বৰগীত আদি অনুষ্ঠানে মুগ্ধ কৰে দৰ্শক সকলক। সাংস্কৃতিক অনুষ্ঠান সমূহ আঁট ধৰে স্থানীয় নাট্য শিল্পী বংকুৰ ডেকা আৰু মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সহ সম্পাদক পংকজ ডেকাই। ইফালে সন্ধিয়া বন্তি প্ৰজ্বলন আৰু খোল প্ৰসঙ্গৰ পাছতে মঞ্চস্থ হয় দুখনকৈ নাট। সন্ধিয়া ৬-৩০ বজাত শ্ৰীমন্ত শংকৰদেৱ সংঘ, গেৰুৱা আঞ্চলিকৰ শিল্পী সকলে মঞ্চস্থ কৰে 'শ্ৰীৰাম বিজয়' নামৰ অংকীয়া নাট। পৰৱৰ্তী সময়ত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা আৰু আহ্বায়ক অৱন্তি বৰাকে প্ৰমোখ্য কৰি ছাত্ৰ সন্থাৰ জিলা আৰু কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া সকল। নিশা ১১ বজাত অন্তিমখন ভাওনা 'কুমৰ হৰণ' মঞ্চস্থ কৰে লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ 'চক্ৰপাণি মহিলা নাট্য গোষ্ঠীৰ' শিল্পী সকলে। বেয়া বতৰকো আওকান কৰি কেবা সহস্ৰাধিক দৰ্শকে উপভোগ কৰে অন্তিম দিনৰ প্ৰতিটো কাৰ্যসূচী। উল্লেখ্য যে মৰিগাঁও জিলাৰ ভিতৰতে এইবেলি পোন প্ৰথমবাৰৰ বাবে আছুৰ উদ্যোগত গেৰুৱাত অনুষ্ঠিত হোৱা এই ভাওনা সমাৰোহখনি ৰাইজৰ অভূতপূৰ্ব সহযোগে সাফল্যমণ্ডিত কৰে।

# অনাতাঁৰ শিল্পী হিৰণ্য পেগু অসুস্থ

**অসম বাৰ্তা, দেৰগাঁও, ১৬ ছেপ্টেম্বৰ** ঃ দেৰগাঁৱৰ মিলন নগৰ নিৱাসী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ শিল্পী হিৰণ্য পেগু হঠাৎ অসুস্থ হৈ যোৰহাট মিছন হস্পিটেলত ভৰ্তি হোৱাৰ খবৰ পোৱা গৈছে। শিক্ষকতাৰ লগতে সাংস্কৃতিক জগতখনৰ লগত সৰুৰে পৰা জড়িত হৈ থকা হিৰণ্য পেগুৱে অনাতাঁৰ কেন্দ্ৰ দূৰদৰ্শন কেন্দ্ৰত মিচিং ভাষাত অনেক গীত পৰিৱেশন কৰি আহিছে। উল্লেখযোগ্য যে শিল্পীগৰাকীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতটি মিচিং ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰি আহিছে। শেহতীয়াকৈ হিৰণ্য পেগুৱে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতটি তিনি হাজাৰ ছাত্ৰীক লৈ লাখেৰাজ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ২৮ ছেপ্টেম্বৰত মিচিং ভাষাত পৰিৱেশনৰ বাবে প্ৰস্তুতি চলাই আছিল। যোৱা ১১ ছেপ্টেম্বৰত শিল্পী হিৰণ্য পেগুৰ আৰোগ্য কামনা কৰি লাখেৰাজ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে প্ৰাৰ্থনা জনায়। শিল্পীগৰাকী চিকিৎসালয়তে আছে যদিও বিপদমুক্ত বুলি জানিব পৰা গৈছে।

# শিৱসাগৰত বিভিন্ন বিষয় সামৰি সজাগতা সভা

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৬ ছেপ্টেম্বৰ** ঃ শিৱসাগৰ জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰূপায়িত সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত আৰু তৃষ্ণা প্ৰেৰণা বৰ্ষা ফাউণ্ডেশ্যনৰ সহযোগত আজি দিকচু গাঁও পঞ্চায়তৰ আটাইকেইখন ৰাজহ গাঁৱক সাঙুৰি এখনি এনিমিয়া প্ৰতিৰোধ, অংকুৰিত পৰ্য্যায়তে মুখৰ কেঞ্চাৰ, স্তন কেন্সাৰ আৰু চাৰ্ভাইকেল কেঞ্চাৰ চিনাক্তকৰণ আৰু ইয়াৰ ভেকচিনসমূহ, স্বাস্থ্য পৰীক্ষা শিবিৰ, মহিলা সৱলীকৰণ সমন্ধীয় আঁচনিসমূহ, বেংক মেলাৰ জৰিয়তে সামাজিক সুৰক্ষামূলক আঁচনিৰ ওপৰত সজাগতা সভা দিকচু উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা হয়। সভাৰ আৰম্ভণিতে দিকচু অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, কিশোৰীসকলৰ বাবে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। উক্ত শিবিৰত মুঠ ১১৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। তদুপৰি, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত পঞ্জীয়ন বুথ সুকন্যা সমৃদ্ধি যোজনাৰ শিবিৰো অনুষ্ঠিত কৰা হয়। উক্ত সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডাঃ শিখৰ এইক (মুখৰ কেন্সাৰ ৰোগৰ পৰামৰ্শদাতা আৰু মেঁলোফেচিয়েল চাৰ্জন), শিৱসাগৰ অসামৰিক চিকিৎসালয়, জয়সাগৰৰ স্ত্ৰীৰোগ বিশেষজ্ঞ ড০ মধুস্মিতা শ্যাম উপস্থিত থাকি মুখৰ কেঞ্চাৰ, স্তন কেন্সাৰ আৰু চাৰ্ভাইকেল কেঞ্চাৰৰ কাৰণসমূহ, ল'বলগীয়া সতৰ্কতাসমূহ আৰু ইয়াৰ চিকিৎসা, এইচ. পি. ভি. (HPV) ভেকচিন ইত্যাদি সম্পৰ্কে গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে। তদুপৰি, সমল ব্যক্তি হিচাপে গেলেকী মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া কাৰ্যালয়ৰ পৰা অহা হেলথ এডুকেটৰ স্মিতা বৰুৱাই উপস্থিত ছাত্ৰীসকলক উদ্দেশ্যি এনিমিয়া প্ৰতিৰোধ আৰু সুস্বাস্থ্য বৰ্তাই ৰাখিবলৈ নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰি থাকিবলৈ আহ্বান জনায়।



পঞ্জাব নেচনেল বেংক, নামতি শাখাৰ প্ৰবন্ধকে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ হিতাধিকাৰী আৰু অংগনবাড়ী কৰ্মী, মুখ্যসেৱিকামণ্ডলীক উদ্দেশ্যি চৰকাৰে হাতত লোৱা সামাজিক সুৰক্ষাৰ আঁচনি সম্পৰ্কে বিতংভাৱে বক্তৃতা প্ৰদান কৰে। তাৰ লগতে তেখেতে উল্লেখ কৰে যে সমাজ কল্যাণ বিভাগৰ অধীনৰ যিসকল হিতাধিকাৰীৰ এতিয়াওঁ আধাৰ চিডিং একাউণ্ট, ডিবিটি এনাবুল সক্ৰিয়কৰণ, এনপিচিআই মেপদ একাউণ্ট খোলা হোৱা নাই, তেওঁলোকে বেংকলৈ গলে অগ্ৰাধিকাৰ ভিত্তিত সহায় কৰা হ'ব। শিৱসাগৰ জিলাৰ জনপ্ৰতিনিধি আৰু চাৰিং অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী প্ৰাঞ্জল কটকীয়ে মহিলা সৱলীকৰণৰ বাবে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ অধীনত ৰূপায়িত আঁচনিসমূহ যেনে- প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, পোষণ অভিযান, অৰুণোদয়, মুখ্যমন্ত্ৰী সুলভ ইন্ধন আঁচনি, বেটী বচাওঁ বেটী পঢ়াওঁ, কনকলতা মহিলা সৱলীকৰণ আঁচনিৰ সুফল গ্ৰহণ কৰিবলৈ ৰাইজক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। চামগুৰিস্থিত নীলাক্ষি মেম'ৰিয়েল চিনিয়ৰ ছেকণ্ডেৰি বিদ্যালয়ৰ অধ্যক্ষই এজন সমল ব্যক্তি হিচাপে ছাত্ৰীসকলৰ মাহেকীয়াৰ সময়ত ল'বলগা সাৱধানতা, সজাগতা আদিৰ ওপৰত বক্তৃতা প্ৰদান কৰে। গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰণীতা বৰঠাকুৰে মহিলা সৱলীকৰণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। আজিৰ সভাৰ সভাপতিত্ব কৰে দিকচু উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অপূৰ্ব কলিতাই আৰু সমগ্ৰ কাৰ্যসূচীটো পৰিচালনা কৰে সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰৰ জিলা কাৰ্যক্ৰম সমন্বয়ক পাৰ্থ প্ৰতিম বৰাই। সভাখনত দিকচু, নামতি অঞ্চলৰ অংগনবাড়ী কৰ্মী, সমাজ কল্যাণ বিভাগৰ মুখ্যসেৱিকামণ্ডলী, স্থানীয় মহিলা, সমাজকৰ্মী ৰূপম তামোলীৰ লগতে শিৱসাগৰ জিলাৰ নামতি কুকুৰাচোৱা গাঁৱৰ মেৰা যুৱা ভাৰত, শিৱসাগৰৰ দ্বাৰা সংযুক্ত স্বেচ্ছাসেৱী সংগঠন "তৃষ্ণা প্ৰেৰণা বৰ্ষা ফাউণ্ডেশ্যন"ৰ অধ্যক্ষ তথা বিত্ত সচিব বকুল সন্দিকৈয়ে সহযোগিতা আগবঢ়ায়।

# লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ ২০২৫ বৰ্ষৰ চুপাৰ ডিভিজন ফুটবল লীগৰ সফল সমাপ্তি

**অসম বাৰ্তা, বান্দৰদেৱা, ১৬ ছেপ্টেম্বৰ** ঃ যোৱা ৪ চেপ্তেম্বৰ পৰা অনুষ্ঠিত লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত ২০২৫ বৰ্ষৰ লখিমপুৰ জিলা চুপাৰ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাখনি পোন প্ৰথমবাৰৰ বাবে নৈশ লোকত আয়োজন কৰা হয়। জিলাখনৰ মুঠ ৮টা দলে যোগ্যতাৰ ভিত্তিত অংশ লোৱা প্ৰতিযোগিতাখনৰ চূড়ান্ত খেল খনি ১৪ ছেপ্তেম্বৰ তাৰিখে টিউলিপ স্পৰ্টচ একাডেমী আৰু নকাৰী ক্লাবৰ মাজত অনুষ্ঠিত হয়। নিৰ্ধাৰিত সময়ত খেলখন গল শূন্যভাৱে অমীমাংসিত হোৱাত পেনালটিৰ জৰিয়তে নকাৰী ক্লাৱ ৩-১ গলৰ ব্যৱধানত বিজয়ী হয়। বিজয়ী দল নকাৰী ক্লাবে শিক্ষাবিদ প্ৰয়াত গোবিন মোহন ডেকা সোঁৱৰণীট্ৰফী আৰু নগদ ৪০ হাজাৰ টকা লাভ কৰে। বিজিত দল টিউলিপ স্পৰ্টচ একাডেমীয়ে প্ৰয়াত ফটিক চন্দ্ৰ দত্ত সোঁৱৰণী ট্ৰফী আৰু নগদ ২০ হাজাৰ টকা লাভ কৰাৰ উপৰিও প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ টিউলিপ স্পৰ্টচ একাডেমীৰ বিকি চাহনীয়ে প্ৰয়াত বনমালী দাসৰ সোঁৱৰণত গ'ল্ডেন বল সহ নগদ ৫ হাজাৰ টকা, সৰ্বাধিক গল দাতা নকাৰী ক্লাবৰ অপূৰ্বজ্যোতি হাজৰিকাই প্ৰয়াত মাণিক হাজৰিকা সোঁৱৰণী গোল্ডেন বুট সহ নগদ ৫ হাজাৰ টকা আৰু শ্ৰেষ্ঠ গল ৰক্ষক নকাৰী ক্লাবৰ ৰাহুল সিঙে মহেন্দ্ৰ বণিয়া সোঁৱৰণী গোল্ডেন গ্ল'বচ সহ নগদ ৫ হাজাৰ টকা লাভ কৰে। খেলখনৰ আৰম্ভণিতে প্ৰয়াত গোবিন মোহন ডেকাৰ সহধৰ্মিনী তথা বিধায়ক মানৱ ডেকাৰ মাতৃ উপমা ডেকা, প্ৰয়াত ফটিক চন্দ্ৰ দত্তৰ পুত্ৰ চিকিৎসক ড° ৰাজীৱ দত্তৰ লগতে ট্ৰফী দাতা সকলক সম্বৰ্ধনা জনোৱা হয়।

সাংবাদিকৰ সুৰক্ষাৰ দাবীত বঙাইগাঁও জিলা সাংবাদিক সন্থাই মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিলে স্মাৰকপত্ৰ

# অভয়াপুৰীত সাংবাদিকক নিগ্ৰহৰ ঘটনাক 'আজু'ৰ নিন্দ



**অসম বাৰ্তা, অভয়াপুৰী, ১৬ ছেপ্টেম্বৰ** ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰীত সাংবাদিকৰ ওপৰত হোৱা আক্ৰমণৰ প্ৰচেষ্টা আৰু প্ৰাণে মাৰিবলৈ দিয়া ভাবুকিৰ ঘটনাক লৈ বঙাইগাঁও জিলা সাংবাদিক সন্থাই তীব্ৰ প্ৰতিবাদ জনাই আজি অসমৰ মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। উক্ত স্মাৰকপত্ৰখন অভয়াপুৰী সমজিলাৰ আয়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰা স্মাৰকপত্ৰত উল্লেখ কৰা হৈছে যে, যোৱা ১৪ ছেপ্টেম্বৰৰ সন্ধিয়া চাৰে ছয় বজাত লাচিত সেনা নামৰ সংগঠনৰ কৰ্মী বুলি পৰিচয় দিয়া কেইজনমান উদণ্ড যুৱকে অভয়াপুৰীৰ ভোমাপাৰাস্থিত সাংবাদিক বিক্ৰমৰঞ্জন ৰয়ৰ বাসগৃহৰ পদূলিমুখত উপস্থিত হয়। উক্ত যুৱকৰ দলটোৱে প্ৰথমে সাংবাদিক বিক্ৰমৰঞ্জন ৰয়ক অশালীনভাৱে গালি-গালাজ কৰি মানসিকভাৱে হানিকাৰক পৰিৱেশ সৃষ্টি কৰে। ইয়াৰ পাছতেই তেওঁলোকৰ দ্বাৰা সাংবাদিকজনক শাৰীৰিকভাৱে আক্ৰমণৰ চেষ্টা কৰা হয় বুলি স্মাৰকত প্ৰকাশ পায়। সৌভাগ্যবশতঃ, সাংবাদিক গৰাকীৰ কনিষ্ঠ ভাতৃৰ তৎপৰতাত সাংবাদিক ৰয় কোনোমতে শাৰীৰিক হানিৰ পৰা ৰক্ষা পায়। তথাপি যুৱকৰ দলটোৱে সাংবাদিকজনক প্ৰাণে মাৰিবলৈ ভাবুকি প্ৰদান কৰে, যাৰ ফলত সাংবাদিক গৰাকীৰ লগতে পৰিয়ালৰ সকলোৰ মাজত ভয়-আতংকৰ পৰিৱেশৰ সৃষ্টি হয়। ইতিমধ্যে সাংবাদিক বিক্ৰমৰঞ্জন ৰয়ে ন্যায় বিচাৰি অভয়াপুৰী থানাত লিখিত এজাহাৰ দাখিল কৰিছে। সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ স্বীকৃতিপ্ৰাপ্ত বঙাইগাঁও জিলা সাংবাদিক সন্থাই এই ঘটনাক নিন্দা কৰি দোষী যুৱকৰ বিৰুদ্ধে তৎকালীনভাৱে আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। স্মাৰকপত্ৰত লগতে উল্লেখ কৰা হৈছে যে, সাংবাদিক গৰাকীৰ পদূলিমুখলৈ গৈ অশ্লীল ভাষা ব্যৱহাৰ কৰি গালি-গালাজ কৰা আৰু প্ৰাণে মাৰিবলৈ ভাবুকি দিয়া এক গৰিহণাযোগ্য কাণ্ড। স্মাৰক পত্ৰখনত প্ৰতিগৰাকী সাংবাদিকৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰী গৰাকীৰ হস্তক্ষেপ কামনা কৰা হৈছে। স্মাৰক পত্ৰত সদৌ অসম সাংবাদিক সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দিলীপ কুমাৰ নাথ, বঙাইগাঁও জিলা সাংবাদিক সন্থাৰ সভাপতি বিষুৱাম দাস আৰু সম্পাদক মনোৱাৰ হুছেইনে স্বাক্ষৰ কৰে।

# ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়াৰ ৰেফাৰী পৰীক্ষাত অসমৰ সাফল্য

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ ছেপ্টেম্বৰ** ঃ যোগ ফেডাৰেচন অফ ইণ্ডিয়াৰ সৌজন্যত আয়োজিত যোগ ৰেফাৰী (গ্ৰেড-চি) পৰীক্ষাত অসমৰ বিভিন্ন জিলাৰ ৯ গৰাকী ৰেফাৰীয়ে সফলতাৰে উত্তীৰ্ণ হৈ ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৱা ১৪ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা উক্ত পৰীক্ষাত যোগ ফেডাৰেচন অফ ইণ্ডিয়াৰ উপ-সভাপতি তথা অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক, যোগগুৰু প্ৰভাত চন্দ্ৰ বৰাই জনোৱা মতে, ৰাজ্যখনৰ পৰা এই বাৰ সফলতা লাভ কৰা খেলুৱৈ কেইগৰাকী হ'ল নগাঁৱৰ সম্প্ৰীতি ডেকা, দৰঙৰ স্বৰূপ জ্যোতি ডেকা, কামৰূপ মহানগৰৰ ৰাজীৱ কুমাৰ মণ্ডল, পাপৰি দেৱী, সুপ্ৰীতি পল, পম্পী শইকীয়া, কবিতা বৰা, ডাঃ ভাৰতী বসুমতাৰী আৰু কাঞ্চন মণি গোস্বামী। অসমৰ এই ৰেফাৰী সকলৰ সফলতাক অসম যোগ সংস্থাৰ বিষয়ববীয়াসকলে শুভেচ্ছা জনাইছে।

# দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, মেৰাপানী, ১৬ ছেপ্টেম্বৰ** ঃ গোলাঘাট জিলাৰ অন্তৰ্গত দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ আজি কাৰ্যনিৰ্বাহক সভাখনি অনুষ্ঠিত হয়। দক্ষিণ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি চন্দ্ৰদ্বীপ গগৈয়ে সভাপতিত্ব কৰা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক প্ৰাৰ্থপ্ৰতীম শইকীয়াই। সভাত বিশেষকৈ গোলাঘাট জিলা মইনা পাৰিজাতৰ শিশু সমাৰোহৰ বিষয়ে আলোচনা কৰা হয়। কাৰ্যনিৰ্বাহক সভাখনিত আগন্তুক গোলাঘাট জিলা মইনা পাৰিজাতৰ সমাৰোহৰ বাবে আঞ্চলিকৰ ফালৰপৰা কেনেদৰে প্ৰস্তুতি চলাব তাৰ বিষয়ে দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ কাৰ্যকৰী সভাপতি পুতুল দত্ত, উপদেষ্টা দিব্যজ্যোতি হাজৰিকা, মইনাৰ শিৰোমণি ৰামকৃষ্ণ যায়, সহস্পাদক ভদ্ৰেশ্বৰ বৰা আদিয়ে বক্তব্য ৰাখে। অৱশেষত সভাৰ সৰ্বসন্মতিক্ৰমে অহা ৫ অক্টোবৰত লক্ষ্মীবাৰী ৰংগমঞ্চত জিলা সমাৰোহৰ বাবে আঞ্চলিক মইনা পাৰিজাতৰ শাখাসমূহৰ মইনাসমুক লৈ সমূহীয়াকৈ বিভিন্ন প্ৰতিযোগিতাৰ অনুশীলন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

জিলা উপায়ুক্তক অভিযোগ দাখিল বিভিন্ন দল-সংগঠনৰ

# বাসুগাঁৱত জনবসতিপূৰ্ণ এলেকাত মদৰ দোকানৰ অনুজ্ঞাপত্ৰ নিদিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান

**অসম বাৰ্তা, বাসুগাঁও, ১৬ ছেপ্টেম্বৰ** ঃ চৰকাৰে অধিক ৰাজহ পোৱাৰ আশাত য'তে-ত'তে মদৰ দোকানৰ অনুজ্ঞাপত্ৰ দি বিশেষকৈ উঠি অহা প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া পৰিলক্ষিত হৈছে। সম্প্ৰতি চহৰে-নগৰে, গাঁৱে-ভূঞে মদৰ দোকানৰ অনুজ্ঞাপত্ৰ দি আহিছে চৰকাৰে। ইয়াৰে অংশ স্বৰূপে চিৰাং জিলাৰ অতি গুৰুত্বপূৰ্ণ সীমামূৰীয়া বাসুগাঁও চহৰখনত ইতিমধ্যে পাঁচটা মদৰ দোকান চলি আছে। চহৰখনৰ দুই নং ওৱাৰ্ড মেধিপাৰা জনবসতিপূৰ্ণ তথা শ্ৰীশ্ৰীহৰগৌৰী মন্দিৰৰ নিকটবৰ্তী শ্মশানৰোডটো অলক সাহা ওৰফে বিত্তু নামৰ এজন যুৱ ব্যৱসায়ীয়ে মদৰ দোকান আৰু বাৰ দিয়াৰ প্ৰস্তুতি চলোৱাৰ কথা জানিব পাৰে নিকটবৰ্তী লোকে। লগে লগে চিৰাং জিলা উপায়ুক্ত, জিলা আৱকাৰী বিভাগ আৰু বাসুগাঁও নগৰ সমিতিৰ সৈতে যোগাযোগ কৰে স্থানীয় লোক সকলে। উৰ্ধতম বিভাগীয় কৰ্তৃপক্ষৰ পৰা মদৰ দোকান স্থাপন কৰাৰ কথা স্পষ্টভাৱে জানিব পাৰি তীব্ৰ আপত্তি দৰ্শায় স্থানীয় সচেতন লোকসকলে। ইতিমধ্যে ৰাইজৰ চহী সম্বলিত স্মাৰক পত্ৰৰ উপৰি চিৰাং জিলা সমিতি আক্ৰাছু, কোকৰাঝাৰ-চিৰাং জিলা সমিতি শ্ৰীমন্ত শংকৰদেৱ সংঘ ইত্যাদি দল-সংগঠনে জিলা উপায়ুক্ত, জিলা আৱকাৰী বিভাগৰ ওচৰত কোনোপধ্যেই অনুজ্ঞাপত্ৰ নিদিবলৈ আহ্বান জনায়। ইয়াৰ পিছতো চল-চক্ৰান্তৰে মদৰ দোকান আৰু বাৰ দিয়াৰ ব্যৱস্থা কৰিলে গণতান্ত্ৰিক পদ্ধতিত গণ আন্দোলন গঢ়ি তোলা হ'ব বুলি সকলো পক্ষকে সঁকিয়াই দিয়ে।

# শিৱসাগৰ জিলাৰ চামগুৰি ৰাজহুৱা ভৱনত তিনিদিনীয়া জিকিৰ কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, নামতি, ১৬ ছেপ্টেম্বৰ** ঃ হজৰত আজানপীৰ চাহেবৰ সৃষ্টিৰাজি জিকিৰ আৰু জাৰীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মহৎ উদ্দেশ্য আগত ৰাখি হজৰত আজান পীৰ দৰগাহ পৰিচালনা সমিতিৰ উদ্যোগত আৰু চামগুৰিবাসী ৰাইজৰ সহযোগত পোন প্ৰথমবাৰৰ বাবে চামগুৰি ৰাজহুৱা ভৱনত ১২, ১৩ আৰু ১৪ চেপ্তেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জিকিৰ কৰ্মশালাৰ সফল সামৰণি পৰে। ছাত্ৰ ছাত্ৰী সকলক জিকিৰৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে এই কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। প্ৰায় এশৰো অধিক প্ৰশিক্ষাৰ্থীয়ে এই জিকিৰ কৰ্মশালাত অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকন, জ্যেষ্ঠ সাংবাদিক এনামউদ্দিন আহমেদ, সদৌ অসম মহিলা সমিতিৰ সম্পাদিকা ইন্দ্ৰানী ৰাজকুমাৰী, সমাজকৰ্মী মুজিদ আলীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তিনিদিনীয়া জিকিৰ কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে ঈদুল আলী আহমদ, ৰাজিদুৰ ৰহমান, ইব্ৰাহীম আলি আৰু আফচানা ৰহমানৰ লগতে দোতাৰা বাদক মুকিবুৰ ৰহমানে। আগন্তুক দিনত অসমৰ বিভিন্ন জিলাত এই জিকিৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে উদ্যোক্তাসকলে।

# যোৰহাটৰ ঢাপকটা শিৱ মন্দিৰত 'নাম বিচিত্ৰা' উন্মোচন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৬ ছেপ্টেম্বৰ** ঃ যোৰহাটৰ ঢাপকটা সত্ৰৰ নিৱাসী অনু গোস্বামীয়ে নামঘৰ, মন্দিৰত আইসকলৰ সৈতে গোৱা গোপিনী নাম, গণেশৰ নাম, সৰস্বতী বন্দনা আদি নামবোৰ যুগুতাই 'নাম বিচিত্ৰা' নামেৰে প্ৰকাশ কৰি উলিয়াইছে। তেখেতৰ স্বামী মহেন্দ্ৰ নাথ গোস্বামীৰ স্মৰণত উৎসৰ্গা কৰা ৯৪ পৃষ্ঠাৰ নাম বিচিত্ৰাখন ১৫ ছেপ্টেম্বৰৰ সন্ধিয়া ঢাপকটা শিৱ মন্দিৰত বিশ্ব গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উন্মোচন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অনিল চন্দ্ৰ গোস্বামীয়ে। অৱন গোস্বামীয়ে আঁতধৰা, ৰমেন শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা গ্ৰন্থ উন্মোচনৰ সভাত লেখিকাগৰাকীৰ সম্পৰ্কত কয় গ্ৰন্থ সংস্কৃতিৰ মনোজ গোস্বামীয়ে। নামখিনি লেখাৰ আঁৰৰ কাহিনী ৮৫ বছৰীয়া লেখিকা অনু গোস্বামীয়ে কোৱাৰ লগতে জ্যেষ্ঠ পুত্ৰ অৰবিন্দ গোস্বামীয়ে মাতৃৰ নামৰ প্ৰতি থকা আগ্ৰহ আৰু গ্ৰন্থখন লেখাৰ বিষয়ে কয়। তদুপৰি, তেওঁ আই নামৰ এখন কিতাপ যুগুতাই থৈছে বুলিও লেখিকাগৰাকীয়ে বক্তব্যত উল্লেখ কৰে। ৰমেন ফুকন, হৰেশ শৰ্মাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা সভাখনত স্থানীয় আইসকলৰ লগতে পৰিয়ালৰ লোক আৰু অনু গোস্বামীৰ শুভাকাংক্ষীসকল উপস্থিত থাকে।

# পূব মাজুলী মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ প্ৰাচীৰ প্ৰত্ৰিকা 'প্ৰভাতি সূৰুয' উন্মোচন

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ ছেপ্টেম্বৰ** ঃ আজি মাজুলীৰ উচ্চ শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত এক গাম্ভিৰ্যপূৰ্ণ আয়োজনত বিভাগৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় উদ্যোগত "প্ৰভাতি সূৰুয" নামৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰা হয়। এই বৰ্ষৰ বাবে প্ৰকাশিত প্ৰাচীৰ পত্ৰিকাৰ সম্পাদকীয় দায়িত্ব পালন কৰে বিভাগৰ ছাত্ৰী জয়শ্ৰী দাসে। অনুষ্ঠানটোত বিভাগীয় মুৰব্বী সহকাৰী অধ্যাপক যজ্ঞোৰাম বৈৰাগীয়ে সমগ্ৰ অনুষ্ঠানটো আঁতধৰা লগতে আদৰণী ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰা দেৱে এগছি বন্তি প্ৰজ্বলন কৰা পিছতে অনুপ্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰি প্ৰাচীৰ প্ৰত্ৰিকাখন উন্মোচন কৰে। অনুষ্ঠানত গ্ৰন্থাগাৰিক ৰুবি গয়ান, সহকাৰী অধ্যাপক অধ্যাপিকা ক্ৰমে অঞ্জলি বৰা, সান্ত্বনা তামোলী, বুদ্ধীন বৰা, মালা গায়ন, দিলীপ বৰুৱা, অমূল্য ভূঞা, মানস জ্যোতি বৰা আৰু উত্তম শইকীয়া উপস্থিত থাকি নিজ নিজ মতামত প্ৰকাশ কৰে। বুৰঞ্জী বিভাগ আৰু বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰী উপৰিও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী খগেন, দৰ্শনা, উপাসনা, কৰিশ্মা আদি সকলোৱে অংশগ্ৰহণ কৰি অনুষ্ঠানটো সফল কৰি তোলে। শেষত সহকাৰী অধ্যাপিকা বিজু তামোলীয়ে শলাগৰ শৰাই জ্ঞাপন কৰি অনুষ্ঠানটো সমাপ্ত কৰে।

# প্ৰয়াত বিপুল মহন্ত সোঁৱৰণী ষষ্টবিংশতিতম সদৌ অসম একাংকিকা নাট প্ৰতিযোগিতাৰ সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ এগৰাকী নিৰ্ভীক, আপোচবিহীন সংগ্ৰামী বলিষ্ঠ নেতা, উগ্ৰপন্থীৰ আক্ৰমণত নিহত হোৱা প্ৰয়াত বিপুল মহন্ত সোঁৱৰণী ষষ্টবিংশতিতম সদৌ অসম একাংকিকা নাট প্ৰতিযোগিতাখনি এই বাৰ মাজুলীত সফলভাৱে অনুষ্ঠিত হৈ যায়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কেন্দ্ৰীয় সমিতিৰ সৌজন্যত পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত তথা মাজুলীবাসীৰ সহযোগত মাজুলী মিলন সংঘ, কমলাবাৰীত তিনিদিনীয়াকৈ অৰ্থাৎ ১১, ১২ আৰু ১৩ চেপ্তেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা নাট প্ৰতিযোগিতাখনিত অসমৰ বিভিন্ন প্ৰান্তৰ ২৮টাকৈ নাট্যদলে অংশগ্ৰহণ কৰে। ১১ চেপ্তেম্বৰৰ প্ৰথম দিনৰ কাৰ্যসুচীত পুৱা ৯: ০০ বজাত পৰিষদৰ পতাকা উত্তোলন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইয়ে। তেখেতে কয়, প্ৰয়াত বিপুল মহন্তদেৱে প্ৰথম বিচৰা দৰে নব্বৈ দশকতে যদি আলফা-চৰকাৰৰ আলোচনাৰ দিশটো আগবাঢ়িলহেতেন আজি অসমীয়া জাতিৰ বহুখিনি সমস্যা সমাধান হ'লহেতেন। পতাকা উত্তোলনৰ মুহুৰ্তত পৰিষদৰ মাজুলী জিলা জাতীয় মহিলা পৰিষদৰ মহিলাসকলে যুৱ-ছাত্ৰ পৰিষদ শীৰ্ষক গীতেৰে অনুষ্ঠানভাগী সৰ্বাংগ সুন্দৰ কৰি তোলে। পুৱা ৯: ৩০ বজাত স্বহীদ তৰ্পণ কৰে পৰিষদৰ সাধাৰণ সম্পাদক বিজন বায়েনে। ৯: ৪৫ বজাত সতীৰ্থ স্মৰণ কৰে পৰিষদৰ মুখ্য উপদেষ্টা ৰাণাপ্ৰতাপ বৰুৱাই। আনহাতে ১০: ০০ বজাত প্ৰয়াত বিপুল মহন্তৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে পুলক মহন্তৰ জীয়ৰি দেৱাশ্ৰী মহন্ত, পৰিয়ালবৰ্গ আৰু পৰিষদৰ উপদেষ্টা ক্ৰমে কমল ভৰালী, পুলক বৰাকে প্ৰমুখ্যে উপদেষ্টামণ্ডলীয়ে। ১০: ৩০ গছপুলি ৰোপণ কৰে উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা তথা মাজুলীৰ প্ৰতিষ্ঠিত ব্যৱসায়ী বাচাৰাম বৰুৱাই। লগতে উদ্‌যাপন সমিতিৰ সভাপতি কৃষ্ণকমল শইকীয়াই ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি তেখেতলৈ শ্ৰদ্ধা নিবেদন কৰে। ১১: ০০ বজাত মাজুলীৰ বিভিন্ন জাতি জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সমন্বয় সাংস্কৃতিক কাৰ্যসুচীৰ শুভ উদ্বোধন কৰে শ্ৰীশ্ৰী গড়মুৰ সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে। বিয়লি ৪: ৩০ বজাত প্ৰথম দিনৰ নাট প্ৰতিযোগিতাৰ উদ্বোধন কৰে শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে। উদ্বোধনী অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীয়ে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতে কুশলৰ নামৰ এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য প্ৰাধ্যাপক নিৰোদ বৰুৱাই। মাজুলী সমষ্টিৰ বিধায়ক ভুবন গামে অনুষ্ঠানটোত উপস্থিত থাকি সংগঠনটোৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। প্ৰথম দিনৰ কাৰ্যসুচীত ৯খন নাটক পৰিবেশন কৰা হয়। দ্বিতীয় দিনৰ কাৰ্যসুচীত অৰ্থাৎ ১২ চেপ্তেম্বৰত বিয়লী ৩: ০০ বজাত নামকাটনী আৰু গড়মুৰৰ দুটা মহিলা দিহানামৰ দলে প্ৰদৰ্শনীমুলকভাৱে দিহানাম পৰিবেশন কৰে। বিয়লী ৪: ৩০ বজাত দ্বিতীয় নাট্য সন্ধাৰ শুভ উদ্বোধন কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক তাৰানাথ মহন্তই। অনুষ্ঠানটোত উপস্থিত থাকি মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, অতিৰিক্ত উপায়ুক্ত ভৰত কোঁৱৰ নৰহ, জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে অনুষ্ঠানৰ সৌষ্ঠভ বৃদ্ধি কৰে। দ্বিতীয় দিনা ১০খন নাটকে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। তৃতীয় তথা অন্তিম নাট্য সন্ধিয়াৰ শুভ উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। অন্তিম দিনৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট ৰাজনৈতিক বিশে-যক চাইডুৰ ইছলামে। অন্তিম দিনা ৮টি নাট্যদলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ অন্তত নিশা প্ৰায় ৩ বজাত বটা বাতৰণি সভা অনুষ্ঠিত কৰা হয়। পৰিষদৰ কেন্দ্ৰীয় উপ সভাপতি দেৱজিৎ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বটা বিতৰণি সভাখনত পৰিষদৰ কেন্দ্ৰীয় নেতৃত্বৰ লগতে উদ্‌যাপন সমিতিৰ বিষয়-ববীয়াসকলো উপস্থিত থাকে। অনুষ্ঠানটোত মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডং আনন্দ হাজৰিকা, মাজুলী মিলন সংঘৰ সভাপতি অৰুণ পাঠক আদিয়ে ভাষণ প্ৰদান কৰে। প্ৰতিযোগিতাখনিত প্ৰথম শ্ৰেষ্ঠ নাট্যদল হিচাপে গুলাহাটী নটতীৰ্থ ৰ দ্বাৰা পৰিবেশন কৰা A Beautiful Melody নাটকখন বিবেচিত হয়। গোলাঘাটৰ শিপাভূমি নাট্যগোষ্ঠীৰ দ্বাৰা পৰিবেশন কৰা ইচেঙৰ সাধু নাটকখনে দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল আৰু নলবাৰীৰ প্ৰজন্ম নাট্যগোষ্ঠীৰদ্বাৰা পৰিবেশন কৰা বাঘ নাটকখনে তৃতীয় শ্ৰেষ্ঠ নাট্যদল হিচাপে বিবেচিত হ'বলৈ সক্ষম হয়। অন্যহাতেদি প্ৰথম শ্ৰেষ্ঠ পৰিচালক নয়ন য়েইন, দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক ৰনাল্ড হুছেইন ক নিৰ্বাচন কৰা হয়। প্ৰথম শ্ৰেষ্ঠ অভিনেতা হিচাপে ৰণ্টু কুমাৰ দাস, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ৰজনী সন্দিকৈ, প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰী শিল্পীকা গোস্বামী আৰু দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী মমী সোণোৱাল দাস নিৰ্বাচিত হয়। ইয়াৰ উপৰিও শ্ৰেষ্ঠ শিশুশিল্পী হিচাপে ধৃতি নয়না দেৱী আৰু শৃংখলাবদ্ধ দল হিচাপে যোৰহাটৰ ঈক্ষা নাট্যদল নিৰ্বাচিত হ'বলৈ সক্ষম হয়। অনুষ্ঠানটিৰ তিনিওটা দিনৰ সফল ৰূপায়ণত সহযোগিতা আগবঢ়োৱা সমগ্ৰ মাজুলীবাসীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে উদ্‌যাপন সমিতিৰ সভাপতি কৃষ্ণকমল শইকীয়া, কাৰ্যকৰী সভাপতি জৰ্গনাথ দুৱৰীয়া, সম্পাদক মুনীন্দ্ৰ ভূঞা আৰু সহঃ সম্পাদক পবিত্ৰ বৰাই। অন্যহাতেদি অনুষ্ঠানটিত সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়োৱা কেন্দ্ৰীয় নেতৃত্ব, বিভিন্ন জিলা সমিতিৰ নেতৃত্ব আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সমূহ নাট্যদলক পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি মুনীন্দ্ৰ ভূঞা আৰু সাধাৰণ সম্পাদক সীমান্ত বৰাই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডবকাৰ চিকিৎসক ৰেজিনা আৰু ভুৱা চিকিৎসক ওৱাহিদৰ বিৰুদ্ধে ৰাজহুৱা অভিযোগ

**অসম বাৰ্তা, মোৰাঝাৰ, ১৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰা বহু বিতৰ্কিত হোজাই জিলাৰ ডবকা সামূহিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ ৰেজিনা ইয়াছমিন আৰু ভূৱা ডিগ্ৰীধাৰী মুন্নাভাই এম বি বি এছ আব্দুল ওৱাহিদৰ বিৰুদ্ধে ডবকা সামূহিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াৰ জৰিয়তে হোজাই জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ ওচৰত স্থানীয় অভিযোগ দাখিল কৰে। ৰাইজৰ অভিযোগ অনুসৰি বিগত বহু দিনৰে পৰা ডাঃ ৰেজিনাই নিজকে স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিশেষজ্ঞ বুলি পৰিচয় দি বহু সাধাৰণ লোকক ভুল চিকিৎসা প্ৰদান কৰি হাৰাশাস্তি কৰি আহিছে। শেহতীয়া বাবে ডবকাৰ হাফিজ নগৰৰ এগৰাকী মহিলা তেনে ভুল চিকিৎসাৰ বলি হৈ বৰ্তমান পংগুত্বৰ জীৱন অতিবাহিত কৰি আছে। পৰৱৰ্তী সময়ত ভুক্তভোগী মহিলা গৰাকীয়ে ন্যায় বিচাৰি বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিছিল, যদিও কোনো সুফল লাভ কৰা নাছিল মহিলা গৰাকীয়ে। তাৰ পিছতে ভূক্তভোগী মহিলা গৰাকীয়ে ড"ৰ ৰেজিনাৰ বিৰুদ্ধে ডবকা থানাত দাখিল কৰিছিল এজাহাৰ। মহিলা গৰাকীৰ এজাহাৰৰ ভিত্তিত ৰেজিনাৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন হয়, যদিও আদালতৰ পৰা জামিন লাভ কৰি পুনৰ এনেধৰণৰ কু-কাণ্ডৰ লগত জড়িত হৈ পৰিছে ডাঃ ৰেজিনা। ইফালে ভূৱা ডিগ্ৰীধাৰী মুন্নাভাই এম বি বি এছ ডাঃ ৰেজিনাৰ স্বামী আব্দুল ওৱাহিদে ডবকা সামূহিক চিকিৎসালয়ৰ সন্তান জন্ম দিয়া কোঠালীত অনাধিকাৰ প্ৰৱেশ কৰি মহিলা ৰোগীৰ ভিডিঅ', ফটো প্ৰস্তুত কৰি নিজকে ডক্তৰ বুলি পৰিচয় দি ডবকা অঞ্চলৰ ৰাইজক হাৰাশাস্তি কৰি আছে। ডাঃ ৰেজিনাৰ স্বামী প্ৰৱঞ্চক ওৱাহিদৰ বিৰুদ্ধে অসম চৰকাৰৰ স্বাস্থ্য বিভাগেও দাখিল কৰিছিল এজাহাৰ। স্বাস্থ্য বিভাগৰ এজাহাৰৰ পিছতে হোজাই জিলা যুটীয়া স্বাস্থ্য বিভাগে তদন্ত কৰাৰ পিছতে ডাঃ ৰেজিনা আৰু প্ৰৱঞ্চক ওৱাহিদে ভূৱা নথি-পত্ৰৰ জৰিয়তে ডবকাৰ গাছতলা নামৰ ঠাইত প্ৰস্তুত কৰা এ টি এছ পলিক্লিনিক নামৰ প্ৰতিষ্টানখন যোৱা ৪ জুলাই তাৰিখে হোজাই জিলা প্ৰশাসনে বন্ধ কৰি দিয়ে। ইফালে বিভাগীয় তদন্তৰ প্ৰতিবেদনৰ পিছতে ড"ৰ ৰেজিনা ইয়াছমিনক জিলা যুটীয়া স্বাস্থ্য বিভাগে ডবকা চিকিৎসালয়ৰ পৰা বদলি কৰিছিল, যদিও বৰ্তমানেও ৰেজিনাই তেওঁৰ স্বামী প্ৰৱঞ্চক আব্দুল ওৱাহিদক চিকিৎসালয়ৰ আশে-পাশে ঘূৰি ফুৰা দেখিবলৈ পাই ৰাইজ আতংকিত হৈ পৰিছে। উল্লেখ্য যে ডাঃ ৰেজিনাই পূৰ্বেও প্ৰৱঞ্চক ওৱাহিদক লগত লৈ চিকিৎসালয়ৰ বহিঃ বিভাগত ডাঃ ধৰে বহুৱাই সহজ-সৰল লোকক প্ৰৱঞ্চনা কৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। বৰ্তমান ডাঃ ৰেজিনা আৰু ওৱাহিদক ডবকা সামূহিক চিকিৎসালয়ৰ কোৱাৰ্টাৰ ৰোমৰ পৰা উলিয়াই কৰ্তব্যৰত চিকিৎসক সকলক থকা মেলাৰ সু-ব্যৱস্থা কৰি দিয়াৰ বাবে হোজাই যুটীয়া স্বাস্থ্য সঞ্চালকৰ ওচৰত স্থানীয় ৰাইজে দাবী জনায়।

## বাসুগাঁৱত ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশাল নিৰ্বাচনী সভা

# বিটিচি নিৰ্বাচনৰ পিছত ভিচিডিচিক গাঁতত সুমুৱাই দিয়া হ'ব ঃ মুখ্যমন্ত্ৰী



**অসম বাৰ্তা, বাসুগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** বি টি চি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰতিটো অঞ্চলতে নিৰ্বাচনী বতাহ উত্তপ্ত হৈ পৰিছে। প্ৰতিটো দলে নিজৰ নিজৰ শক্তি প্ৰদৰ্শন কৰাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে অঞ্চলটিত। তাৰে অংশ স্বৰূপে আজি বি টি চিৰ ১৩ নং চিৰাং সমষ্টিৰ বি জে পি দলৰ প্ৰাৰ্থী সৌমখৌৰ ব্ৰহ্মৰ সমৰ্থনত এক বৃহৎ নিৰ্বাচনী সভা অনুষ্ঠিত হয়। বাসুগাঁৱৰ ৰাজাচাৰাং ধৰ্মীয় খেলপথাৰত বৃহৎ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ বি টি চি নিৰ্বাচনৰ পিছত ভি চি ডি চিক গাঁতত সুমুৱাই দিয়া হ'ব বুলি কয়। বি টি চিত বিজেপি'য়ে ক্ষমতা লাভ কৰিলে বেকাকৈ নহয় পোনপোটীয়াকৈ সুবিধাসমূহ লাভ কৰিব পাৰিব জনসাধাৰণে। বি টি চিত পাঁচ লাখ মহিলাক অৰুণোদয়ৰ সুবিধা প্ৰদান কৰা হ'ব। এক নভেম্বৰৰ পৰা অৰুণোদয় লাভ কৰা সকলে পুনৰ অতিৰিক্ত আঢ়ৈশ টকাকৈ মুঠ পোন্ধৰশ টকা লাভ কৰিব। ৰেচন কাৰ্ড থকা সকলে চাউলৰ লগতে ডালি, নিমখ, চেনি লাভ কৰিব। ছাত্ৰ-ছাত্ৰী সকলে মহাবিদ্যালয়ত বিনামূলীয়াকৈ নামভৰ্তি কৰিব পাৰিব। মেট্ৰিক পৰীক্ষাৰ্থী সকলে পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত মাহত তিনিশ টকাকৈ লাভ কৰি বহী, কলম কিনাৰ লগতে দৈনিক এগিলাচকৈ গাখীৰ খাব পাৰিব। কেন্দ্ৰ আৰু ৰাজ্যৰ বি জে পি চৰকাৰে বি টি চিৰ বাঁহনত তেল ভৰাই দি আছে। এইবাৰ বাঁহন নিজে চলাব। বি টি চিৰ ৰাইজক পোনপোতীয়াকৈ সুবিধা দিয়াৰ বাবে বি জে পি দলৰ প্ৰাৰ্থীক জয়যুক্ত কৰিব লাগিব। আছুতীয়া সাক্ষাৎকাৰত অখিল গগৈৰ উদ্ধৃতি দি অসমৰ ৰাইজে এদিন নেপালৰ দৰে পৰিবেশ সৃষ্টি কৰিব বুলি কোৱাৰ লগে লগে তেওঁ কয় যে অসমৰ ৰাইজে প্ৰথমে অখিল গগৈকে আক্ৰমণ কৰিব। এই বুলি তীৰ্যক মন্তব্য প্ৰকাশ কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। প্ৰতিকূল বতৰকো নেওচি দহ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত ১৩ নং চিৰাং সমষ্টিৰ প্ৰাৰ্থী সৌমখৌৰ ব্ৰহ্ম, মন্ত্ৰী কৌশিক ৰায়, গুৱাহাটী সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, বি জে পি দলৰ সম্পাদক তথা প্ৰাক্তন সাংসদ পল্লবলোচন দাস, চিৰাং জিলা বি জে পি দলৰ সভাপতি ৰতন চন্দ্ৰ ৰায় ইত্যাদি নেতা সকলেও বি, টি, চি'ত বিজেপি দলৰ প্ৰাৰ্থীক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনাই বক্তব্য দাঙি ধৰে।

# নাহৰকটীয়াত ৰাজ্যিক কৃতি শিক্ষক ড° নিয়ত ৰেংকেনক ৰাইজৰ উষ্ম আদৰণি

**অসম বাৰ্তা, নাহৰকটীয়া, ১৬ ছেপ্টেম্বৰ ঃ** নাহৰকটীয়া বিধান সভা সমষ্টিৰ নামফাকে গাঁৱত অৱস্থিত টাইফাকে উচ্চ বহুমুখী বিদ্যালয়ৰ প্ৰধান শিক্ষক ড° নিয়ত ৰেংকেনে ২০২৫ বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষকৰ বঁটা লাভ কৰি অঞ্চলতোলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেখেতে শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক সমান্তৰালভাৱে সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰি আহিছে। তেখেতে ছাত্ৰ-ছাত্ৰী সকলক আত্মনিৰ্ভৰশীল আৰু আত্মবিশ্বাস গঢ়ি তুলিবলৈ যোগ আৰু আধ্যাত্মিক শিক্ষাও প্ৰদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰী সকলক প্ৰকৃতিৰ গুৰুত্ব অৱদান সমূহ উপলব্ধি আৰু ব্যৱহাৰিক জ্ঞান প্ৰদান কৰিবলৈ তেখেতে ২০২২-২৩ বৰ্ষত বিদ্যালয়ৰ চৌহদত ফল মুলৰ বাগিচা গঢ়ি তুলিছে। বৰ্তমানে ৩৮ বিধ বিভিন্ন ফল মুলৰ গছ ৰোপণ কৰিছে, যত থাইলেন্‌ভৰ মিঠা তেতেলী, বগৰি আৰু ম্যানমাৰৰ লিছু ৰোপণ কৰিছে। বিদ্যালয়খন যদিও পিছপৰা অঞ্চলত অৱস্থিত তথাপিতো বিগত বছৰ বোৰত মেট্ৰিক পৰীক্ষাৰ ফলাফল ২০২৪ বৰ্ষত ৯২ শতাংশ আৰু ২০২৫ বৰ্ষত ৭৪ শতাংশ বুলি জানিবলৈ দিয়ে। বৰ্তমানে বিদ্যালয়খনত মাত্ৰ ৭ গৰাকী শিক্ষক শিক্ষয়িত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ পাঠদান কৰে। শিক্ষকৰ অভাৱ পুৰন কৰিবলৈ প্ৰধান শিক্ষকে নিজেও কোনো ত্ৰুটি নোহোৱাকৈ শ্ৰেণীসমূহত দৈনিক পাঠদান কৰি বিদ্যালয়ৰ শৈক্ষিক পৰিবেশ গঢ়ি ছাত্ৰছাত্ৰীৰ লগতে অভিভাৱকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ফলত দূৰ দূৰণিৰ পৰা যেনে জয়পুৰ বাগান, নাহৰকটীয়া চাহবাগিছা, নদী পাৰহৈ দিহিং কিনাৰ বঙালী গাঁও, টিয়কী কোৱৰ গাঁও আৰু নাহৰকটীয়া অঞ্চলৰ কপহুৱা, বাঘমৰা, চেৰেপাজান আদি ছাত্ৰ-ছাত্ৰী সকলে টাইফাকে বিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহে, ফলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধিহোৱাৰ পৰিলক্ষিত হৈছে। প্ৰধান শিক্ষকৰ একান্তপ্ৰচেষ্টাত ২০০৯ চনত লংজং বৌদ্ধ বিহাৰ স্থাপন কৰিছিল উল্লেখ কৰে। বৰ্তমান ই Indo Thai relationship ৰ কেন্দ্ৰহিচাপে পৰিগণিত হৈছে বুলি জানিব পৰা গৈছে। বছৰি থাই দুতাৱাসৰ ৰাষ্ট্ৰদুত অথবা বৈদেশিক মন্ত্ৰীসহ উচ্চ পৰ্যায়ৰ বিষয়া সকলে পৰিদৰ্শন কৰে। তেখেতৰ কৰ্মৰাজিক সন্মান জনাই যোৱা ইং ১১/৯/২৫ তাৰিখে হেল্পিং হেন্সৰ উদ্যোগত এক সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰে। উক্ত অনুষ্ঠানত নাহৰকটীয়া সমজিলাৰ উপায়ুক্ত তথা অতিৰিক্ত আয়ুক্ত (শিক্ষা) সজীৱ নাথ (ACS) আৰু নাহৰকটীয়া কৰ বিভাগৰ সহকাৰী আয়ুক্ত মাধুৰ্য্য শইকীয়া বিশিষ্ট অতিথি হিচাপে আৰু স্থানীয় গণ্য মান্য বিয়ক্তি সকল উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি নক্তে গাৱঁৰ মহিলা সকলেও ড° নিয়ত ৰেংকেনক সম্বৰ্ধনা জনায়। উক্ত দিনাই নামফাকে অংগনবাদী কেন্দ্ৰৰ লগতে কেন্দুগুৰি পঞ্চায়তৰ সভানেত্ৰী বিনু গগৈ, ২ নং ৱাৰ্ড সদস্যা লগতে ৮ নং ৱাৰ্ডৰ সদস্য খুনচিক নক্তেও ড° ৰেংকেনক সম্বৰ্ধনা জনায়। উল্লেখ যোগ্যযে নাহৰকটীয়া সমষ্টিৰ অন্তৰগত নামচাং চাহবাগিছা মডেল স্কুলৰ অধ্যক্ষ দেৱজিত ঘোষে ৰাষ্ট্ৰীয় পৰ্যায়ত কৃতি শিক্ষকৰ বটা লাভ কৰি সমগ্ৰ অসমক গৌৰৱান্বিত কৰি তুলিছে। হেল্পিং হেন্সৰ উদ্যোত আয়োজন কৰা এই অনুষ্ঠানত ৰাজ্যিক কৃতি শিক্ষক বটা প্ৰাপ্ত ড° নিয়ত ৰেংকেন আৰু ৰাষ্ট্ৰীয় কৃতি শিক্ষকৰ বটাপ্ৰাপ্তি দেৱজিত ঘোষক স্থানীয় ৰাইজেও উষ্ণ আদৰনি জনায়।

## পিতৃৰ হাতত প্ৰাণ গ'ল পুত্ৰৰ

# গোলাঘাট জামুগুৰিত নৃশংস হত্যাকাণ্ড

**অসম বাৰ্তা, মেৰাপানী, ১৬ ছেপ্টেম্বৰ ঃ** গোলাঘাট জামুগুৰিত আজি সংঘটিত হয় এক নৃশংস হত্যাকাণ্ড। আজি বিয়লি প্ৰায় ২.১৫ বজাত গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত লক্ষ্মীবাৰী ৰাজহুৱা খেলপথাৰৰ ৰিকিউচন গ্ৰাণ্টত পিতৃয়ে নিজ পুত্ৰ চোকা অস্ত্ৰৰে ঘপিয়াই নৃশংসভাৱে হত্যা কৰে। উল্লেখ্য যে ৰিকিউচন গ্ৰাণ্টৰ নিবাসী বিনোদ গোৱালাই নিজৰ মাজু পুত্ৰ বিৰচা গোৱালা(২২) ক চোকা কপিদাৰে শৰীৰৰ কেইবাঠাইৰ লগতে ডিঙিত ঘপিয়াই হত্যা কৰে। ঘটনা বিৱৰণী মতে বিনোদ গোৱালাই নিজ গৃহত কাজিয়াৰ সূত্ৰপাতৰ সৃষ্টি কৰি এই ঘটনা সংঘটিত কৰে। পাছত স্থানীয় ৰাইজে হত্যাকাৰীৰ কৰায়ত্ত কৰি জামুগুৰি আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত জামুগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিতু বৰাৰ নেতৃত্বত অহা আৰক্ষী দলে হত্যাকাৰী পিতৃ বিনোদ গোৱাল গ্ৰেপ্তাৰ কৰিছে। আনহাতে হত্যাকাৰী পত্নীয়ে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰাৰ লগতে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। অন্যহাতে এই নৃশংস হত্যাকাণ্ডই জামুগুৰিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# মৰাণ জনগোষ্ঠীৰ ন্যাৰ্য প্ৰাপ্তিৰ দাবীত মাকুমত পুনৰ অনিৰ্দিষ্টকালীন অৰ্থনৈতিক আন্দোলন

**অসম বাৰ্তা, মাকুম, ১৬ ছেপ্টেম্বৰ ঃ** মৰাণ সকলক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ দাবীত অব্যাহত আছে মৰাণ জনগোষ্ঠীৰ ধাৰাবাহিক আন্দোলন। সদৌ মৰাণ ছাত্ৰ সন্থা আৰু মৰাণ জনগোষ্ঠীৰ ছয়টাকৈ জাতীয় সংগঠনৰ উদ্যোগত লগতে মৰাণ জনগণৰ সহযোগত মৰাণ সকলক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীতভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ দাবীত যোৱা ইংৰাজী ২ ছেপ্টেম্বৰ তাৰিখৰ পৰা ১০ ছেপ্টেম্বৰ তাৰিখলৈকে এলানি জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰি তালাপ-কাক পথাৰ-মাৰ্ঘেৰিটা আৰু তিনিচুকীয়া চহৰৰ আকাশ বতাহ



কঁপাই তুলিছিল। এই আন্দোলনৰ ধাৰা অব্যাহত ৰাখি পুনৰ আজি পুৱা ৫ বজাৰ পৰা অনিৰ্দিষ্টকালীন অৰ্থনৈতিক আন্দোলন গঢ়ি তোলে জনগোষ্ঠীটোৱে। যাৰ ফলত তিনিচুকীয়া জিলাৰ পৰা ৰপ্তানি হোৱা তেল, কয়লা, চাহ, কাঠ ইত্যাদি সম্পদৰ ৰপ্তানি কৰা শ শ বাহন সমূহ মাকুম বাইপাছৰ কাষত আবদ্ধ হৈ পৰা লগতে তিনিচুকীয়া জিলাখনত অৱস্থিত অইল ইণ্ডিয়া লিমিটেডৰ তৈল খাদ, অ চি এচ আৰু জি চি এচ সমূহ বন্ধ কৰি দিয়া হয়। আন্দোলনৰ নেতৃত্বই প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা এগৰাকী মুখ্যমন্ত্ৰীক ধিক্কাৰ জনোৱাৰ লগতে '২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভূমিপুত্ৰ মৰাণ সকলক জনজাতিকৰণৰ সাংবিধানিক মৰ্যাদা প্ৰদান নকৰিলে বিজেপিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰে।

## সহস্ৰাধিক লোক আদৰিবলৈ সাজু আদৰণি সমিতি

# ১৬-১৯ ছেপ্টেম্বৰত দৰঙৰ ঐতিহাসিক খটৰা সত্ৰৰ পাচেতি মহোৎসৱ

**অসম বাৰ্তা, দেওমৰনৈ, ১৬ ছেপ্টেম্বৰ ঃ** দৰঙৰ ঐতিহাসিক খটৰা সত্ৰত আজিৰে পৰা আৰম্ভ হৈছে পাচেতি মহোৎসৱ। আজিৰে পৰা মুঠ চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'ব এই পাচেতি মহোৎসৱ। মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য লেচাকোণীয়া গোবিন্দ আতাই ৪৫৭ বছৰ পূৰ্বে স্থাপন কৰা খটৰা সত্ৰ প্ৰতিষ্ঠা কালৰে পৰা অনুষ্ঠিত হৈ আহিছে এই পাচেতি মহোৎসৱ। ইতিমধ্যে সত্ৰখন সজাই পৰাই তোলা হৈছে লগতে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। মঙ্গলবাৰে গধূলি ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিক ভাৱে পাচেতি মহোৎসৱ শুভাৰম্ভ কৰিব লগতে স্মৃতি পত্ৰিকা বৰকাকত উন্মোচন কৰিব পঞ্চায়ত, গ্ৰামোন্নয়ন আৰু পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। সন্ধিয়া ৬ বজাত জননেতা প্ৰয়াত হেমন্ত কুমাৰ ডেকা স্মৃতি বহুমুখী ভৱনৰ নামফলক' উন্মোচন কৰিব ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে। এই লৈ জিলা প্ৰশাসনে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ অগণন ভক্ত-দৰ্শনাৰ্থীৰ সমাৱেশ হ'বলগীয়া পাচেতি মহোৎসৱৰ সমূহ বৰ্ণিল কাৰ্যসূচীত ভকত, বৈষ্ণৱ আৰু ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা কামনা কৰিছে খটৰা সত্ৰ পৰিচালনা সমিতি আৰু পাচেতি মহোৎসৱৰ উদ্‌যাপন সমিতিয়ে।

# সদৌ অসম ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, ধনশিৰি, ১৬ ছেপ্টেম্বৰ ঃ** শ্ৰীশ্ৰী বাৰেখেলিয়া শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত ৫৭৭সংখ্যক শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱৰ লগত সঙ্গতি ৰাখি সদৌ অসম ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাখন আগন্তুক ৪ অক্টোবৰ ১৭ আহিন তাৰিখে দিনযোৱাকৈ সৰুপথাৰ সমজিলাৰ গন্ধকবৈ ৰেংমাইত স্থিত শ্ৰীশ্ৰী বাৰেখেলিয়া বৰনামঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হ'ব। সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগীয়া মহিলা দিহানাম প্ৰতিযোগিতাখনত যোগদানৰ অন্তিম তাৰিখ হৈছে ৩০চেপ্তেম্বৰ (১৩আহিন) ২০২৫। প্ৰতিযোগিতাখনৰ যোগদানৰ মাচুল হৈছে ১০০০টকা। দিহানাম প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ১৫০০০টকা, দ্বিতীয় পুৰস্কাৰ নগদ ১২০০০টকা, তৃতীয় পুৰস্কাৰ নগদ ১০০০০টকা, চতুৰ্থ পুৰস্কাৰ নগদ ৭০০০টকা আৰু পঞ্চম পুৰস্কাৰ নগদ ৫০০০টকা। আনহাতে উক্ত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ নামতি আৰু শ্ৰেষ্ঠ বাদ্যযন্ত্ৰী দলক নগদ ধন আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰতিযোগী দলসমূহে প্ৰতিযোগিতাখনিৰ সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে ৬০০০০৭০৮১৮, ৯৯৫৭০৭৩৬৯৫, ৬০০৩৬৬৩০২২ মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

## খুমটাইত ক্ৰমাৎ শোচনীয় বান পৰিস্থিতি

# উদ্ধাৰ কাৰ্যত তৎপৰ বিধায়ক মৃণাল শইকীয়া

**অসম বাৰ্তা, খুমটাই, ১৬ ছেপ্টেম্বৰ ঃ** খুমটাইত ভয়াৱহ ৰূপ ধাৰণ কৰিছে ভদীয়া বানে। কেইবাদিনো হোৱা নেৰানেপেৰা বৰষুণ আৰু নেপক' ই কেইবাখনো চুইচ গেট খুলি দিয়াৰ ফলত ফেনেফুটুকাৰে ওফন্দি পৰিছে ধনিশিৰি নদীৰ বুকু। বন্যাৰ্তৰ এতিয়া নাজল নাথল অৱস্থা। তেনে সময়তে বান বিধ্বস্ত ৰাইজৰ মাজত ত্ৰাণকৰ্তাৰূপে থিয় দিছে সমষ্টিটোৰ বিধায়ক মৃণাল শইকীয়া। বিধায়ক গৰাকীয়ে এনে ভয়াবহ পৰিস্থিতিৰ মাজেৰেই গৈ বানপানীৰ মাজৰ পৰা এগৰাকী বয়োজ্যেষ্ঠ ৰূগীয়া আইমাতৃক উদ্ধাৰ কৰি আনি শিবিৰত ৰখাৰ ওপৰিও বিধায়ক গৰাকীয়ে নিজা প্ৰচেষ্টাৰে বান পীড়িত ৰাইজক খাদ্য যোগান ধৰাৰ লগতে উদ্ধাৰ অভিযানো অব্যাহত ৰাখিছে।

# বকো খলিহাকোঠৰ যুৱ সমাজকৰ্মী ধ্ৰুৱজ্যোতি চৌধুৰীৰ সোঁৱৰণত স্মৃতিচাৰণ সভা আৰু স্মৰণিকা উন্মোচন

**অসম বাৰ্তা, বকো, ১৬ ছেপ্টেম্বৰ ঃ** "মৃত্যুও এটা শিল্প; জীৱনৰ কঠিন শিলত কটা নিল্যোভ ভাস্কৰ্য্য" কথাষাৰক সৰোগত কৰি বকোৰ খলিহাকোঠ গাঁৱৰ যুৱ সমাজকৰ্মী ধ্ৰুৱজ্যোতি চৌধুৰী ইহলীলা সম্বৰণ কৰে যোৱা ৩ চেপ্তেম্বৰত। সেয়ে আজি মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰি পৰিয়ালৰ বাসগৃহত আজি আয়োজন কৰে আদ্য শ্ৰাদ্ধ। ইফালে যুৱ সমাজ কৰ্মী গৰাকীৰ মৃত্যুত শোক সন্তপ্ত পৰিয়াল বৰ্গ আৰু বন্ধু বান্ধৱ সহ শুভাকাংক্ষীয়ে মিলি প্ৰকাশ কৰে "ধ্ৰুৱ সৌৰভ, অবৰ্তমানত দুটিকলিৰ মনৰ আলাপ" নামৰ এখন স্মৰণিকা। ইফালে আজি আদ্য শ্ৰাদ্ধৰ লগত সংগতি ৰাখি আয়োজন কৰে স্মৃতিচাৰণ সভা আৰু স্মৰণিকা উন্মোচনী অনুষ্ঠান। স্মৃতিচাৰণ সভাৰ সঞ্চালক হিচাপে আমন্ত্ৰণ জনোৱা হয় লুকী - বেকেলী সাহিত্য সভাৰ সম্পাদক তথা কৃতি শিক্ষক অমিয় কুমাৰ ৰয়ক। সভাৰ সঞ্চালক কোচ ৰাজবংশী জাতীয় আঞ্চাৰে সম্বৰ্ধনা জনোৱা হয়, সম্বৰ্ধনা জনায় স্বৰ্গীয় ধ্ৰুৱজ্যোতি চৌধুৰীৰ সহধৰ্মিণী পত্নী অনিতা দাসে। ইয়াৰ পিছতে অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে গঞাৰ সভাপতি উপেন দাসে আৰু মৃতকৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে অনিতা দাসৰ ধৰ্মীয় পিতৃ নাৰায়ণ দাসে। পৰিয়ালৰ লগতে অগণন শুভাকাংক্ষীৰ উপস্থিতিত ধ্ৰুৱ সৌৰভ, অবৰ্তমানত দুটিকলিৰ মনৰ আলাপ নামৰ, স্মৰণিকাখন আনুস্থানিক ভাৱে উন্মোচন কৰে ধ্ৰুৱজ্যোতিৰ আইতা বাসন্তী পাটোৱাৰীয়ে। স্মৰণিকাখন সম্পাদনা কৰে বিকাশ দাস আৰু দিপাংকৰ চৌধুৰীয়ে। স্মৃতিচাৰণ সভাখনত সহযোগিতা আগবঢ়াই অনাদি পাটোৱাৰী, জোন চৌধুৰীৰ উপৰিও পৰিয়ালৰ বহু শুভাকাংক্ষীয়ে, উপস্থিত থাকে জেষ্ঠ্য নাগৰিক সমিতিৰ লগতে গঞা ৰাইজ। মাংগলিক ৰীতি-নীতিৰে আয়োজন কৰা অনুষ্ঠানৰ আত ধৰে যুৱ সমাজ কৰ্মী বিকাশ দাসে।

# বাক্সাৰ থমনাত হিন্দী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বাগানপাৰা, ১৬ ছেপ্টেম্বৰ ঃ** বাক্সা জিলা হিন্দী শিক্ষক সংস্থাৰ উদ্যোগত ১৪ ছেপ্টেম্বৰত বাক্সাৰ থমনা জ্ঞান বিকাশ এম ই স্কুলত সপ্তম বাৰ্ষিক হিন্দী দিৱস উদ্‌যাপন কৰা হয়। এই হিন্দী দিৱসৰ লগত সংগতি ৰাখি পুৱা বাক্সা জিলা হিন্দী শিক্ষক সংস্থাৰ সভাপতি ৰঘুনাথ শৰ্মাই পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত অভ্যৰ্থনা সমিতিৰ সম্পাদক গণেশ দাসে বন্তি প্ৰজ্বলন, বাক্সা জিলা হিন্দী শিক্ষক সংস্থাৰ সম্পাদক লুকাছ ইন্দোৱাৰে মাল্যাৰ্পণ কৰে। ইয়াৰ পিছত শিক্ষাবন্তি এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুবোধ শৰ্মা, সমাজকৰ্মী ৰজনী ৰয়, আৰু বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভানেত্ৰী জোনালী দেৱীয়ে গছপুলি ৰোপণ কৰে। বাক্সা জিলা হিন্দী শিক্ষক সংস্থাৰ সভাপতি ৰঘুনাথ শৰ্মাৰ সভাপতিত্ব অনুষ্ঠিত মুকলি আৰু সম্বৰ্ধনা সভাত মুখ্য অতিথি হিচাপে সাহিত্যিক বদ্ৰী গুৱাগাঞিঙ, নিৰ্দিষ্ট বক্তা হিচাপে খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰ ভূষণ খড়কা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেন ভূঞা আৰু থমনা বীণাপাণি হাইস্কুলৰ প্ৰধান শিক্ষক অচ্যুত দাসে অংশগ্ৰহণ কৰি হিন্দী দিৱস উদযাপন আৰু হিন্দী দিৱসৰ তাৎপৰ্য সম্পৰ্কে ভাষণ প্ৰদান কৰে। সভাত পাগলদিয়াপাৰ এম ই স্কুলৰ ছাত্ৰী সকলে নেপালী নৃত্য, আদিবাসী এম ই স্কুলৰ ছাত্ৰীয়ে ঝুমুৰ নৃত্য, বাগানপাৰাৰ বৈৰাগী এম ই স্কুলৰ ছাত্ৰী সকলে বড়ো নৃত্য আৰু জ্ঞান বিকাশ এম ই স্কুলৰ ছাত্ৰী সকলে বিহু নৃত্য, আধুনিক নৃত্য পৰিৱেশন কৰে। সভাত সন্মানীয় অতিথি হিচাপে ইন্দিৰা গান্ধী এম ই স্কুলৰ প্ৰধান শিক্ষক উপেন মেধি, পাগলাদিয়াপাৰ এম ই স্কুলৰ প্ৰধান শিক্ষক নাৰায়ণ ওস্তী, আদিবাসী এম ই স্কুলৰ প্ৰধান শিক্ষক যোগেন্দ্ৰ বৰ্মনে অংশগ্ৰহণ কৰে। এই সভাতেই বাক্সা জিলা হিন্দী শিক্ষক সংস্থাৰ সভাপতি তথা পাগলদিয়াপাৰ এম ই স্কুলৰ সদ্য অৱসৰপ্ৰাপ্ত হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক ফুলাম জাপি, ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। আদৰণি ভাষণ প্ৰদান কৰে জ্ঞান বিকাশ এম ই স্কুলৰ প্ৰধান শিক্ষক অৰুণ চন্দ্ৰ ৰাভাই। সভাত প্ৰায় পাঁচ শতাধিক লোক উপস্থিত থাকে। অনুষ্ঠানটিৰ আঁত ধৰে প্ৰধান শিক্ষক অৰুণ চন্দ্ৰ ৰাভাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন